কেতিয়াও আঁতৰত নাছিল। মই হাৰমণিয়াম বজাবলৈকো শিকিছিলো, কিন্তু ঘৰত সেয়া বজোৱাৰ অনুমতি নাছিল। গতিকে মোৰ প্ৰধান শিক্ষকজনে তেওঁৰ ঘৰতে হাৰমণিয়াম বজোৱাৰ অভ্যাস কৰিবলৈ মোক সুবিধা কৰি দিছিল। ল'ৰালিকালৰে পৰাই খোদাৰ হাত মোৰ ওপৰত আছিল। তেওঁ মোক এক জীৱন ব্যাপি পৰিচৰ্যা কৰিবলৈ প্ৰস্তুত কৰিছিল। মোৰ জীৱনৰ সৰু-সুৰা কথাবোৰকো লৈ তেওঁৰ যেন চিন্তা আছিল। সঁচাকৈয়ে তেওঁ এজনা মহান আল্লাহ আছিল।

প্ৰাথমিক বিদ্যালয়ত মই চাৰি বছৰ পাৰ কৰিছিলো। মোৰ ন বছৰ বয়স হওঁতে মোৰ ককাইসকলে ঘৰ এৰি গৈছিল। দুজন জম্মুলৈ গৈছিল আৰু দুজন লাহোৰলৈ গৈছিল। তেতিয়া মোৰ উচ্চ ইংৰাজী বিদ্যালয়লৈ যোৱাৰ সময় হৈছিল। তাত পঢ়ি থাকোঁতে পঢ়া-শুনাৰ কথাত মোৰ বৰ আগ্ৰহ জন্মা নাছিল, কিন্তু আমাৰ পৰিয়ালৰ মানুহে মই যেন সেইবোৰ নিজেই শিকি যাওঁ, সেই কথাত দৃঢ় আছিল। তেওঁলোকে মোক জম্মু কাশ্মীৰত থকা মহাৰাজা ৰণবীৰ সিং হাইস্কুলত পঢ়ুৱাবলৈ পছন্দ কৰিছিল। তাত পঢ়িবলৈ যোৱাটো মোৰ কাৰণে এক সৌভাগ্য আছিল, কিয়নো সেই বিদ্যালয়খন ৰজাসকলৰ আৰু শাসনকৰ্তা পৰিয়ালবিলাকৰ ল'ৰাবিলাকক শিক্ষা দিয়াবলৈ গঢ়ি তোলা হৈছিল। ৰজাসকল বিশেষকৈ যিসকলে ভাৰতবৰ্ষৰ বিভিন্ন অংশক জয় কৰি নিজকে শাসনকৰ্তা হিচাবে প্ৰতিষ্ঠা কৰিব পাৰিছিল। সেই সময়ত কাশ্মীৰত বাইশজন ৰজাই শাসন চলাইছিল। সেই বিদ্যালয়খনিত ময়েই একমাত্ৰ মুছলমান ছাত্ৰ আছিলো। তাত কেৱল হিন্দুসকলকহে পঢ়িবলৈ দিয়া হয়, মুছলমান ছাত্ৰক ভৰ্তি কৰোৱা নহয়। কিন্তু মোৰ আব্বাজান সেনাবাহিনীত থকা হেতুকে আৰু তেওঁৰ সামাজিক প্ৰভুত্বৰ কাৰণে মোক গ্ৰহণ কৰিবলৈ প্ৰধান শিক্ষকজনক তেওঁ নেৰানেপেৰাকৈ লাগি আছিল। মানুহে সাধাৰণতে মোৰ আব্বাজানৰ অনুৰোধ উপেক্ষা কৰিবলৈ টান পাইছিল।

যুদ্ধজয়ী ৰজাসকলৰ পুতেকহঁতৰ উপযোগীকৈ বিদ্যালয়খনিয়ে এক ধৰণৰ আগতীয়া সামৰিক প্ৰশিক্ষণো দিছিল। তাৰ ভিতৰত ঘোঁৰা



# মোৰ মুছলমান ঘৰখন

আমি আঠজনীয়া এটা মুছলমান পৰিয়াল আছিলো। মোৰ চাৰিজন ককাই আৰু এজন ভাইটি আছিল। বন্ধৰ দিনবোৰত মোৰ মা জম্মু-কাশ্মীৰলৈ ফুৰিবলৈ যাওঁতে তাতে মোৰ জন্ম হৈছিল; কিন্তু শিয়ালকটৰ জাফ্‌ফাৰাৱালতহে মোৰ আদিপুৰুষৰ বাসভূমিস্বৰূপ নগৰ আছিল। মোৰ পূৰ্বপুৰুষসকল অতীতত মংগোলীয়াৰ পৰা আহিছিল আৰু তেওঁলোক চহকী জমিদাৰ আছিল। প্ৰচুৰ পৰিমাণৰ খেতি-মাটিৰে সৈতে মোৰ আব্বাজানে এজন জমিদাৰ আছিল। দুই পাৰে ঢৌৱাই যোৱা বাৰিষা কালৰ খৰস্ৰোতা নদী নালাভেকৰ পাৰৰ মাটিত তেওঁ ঘেহুঁ খেতি কৰিছিল। ইয়াত ইমান বেছিকৈ ঘেহুঁ উৎপাদন হৈছিল যে আমি কেতিয়াও কিনিব লগা নহৈছিল। আকাল বা অভাৱৰ অভিজ্ঞতা নোপোৱা আমি এক সৌভাগ্যশালী পৰিয়াল আছিলো। প্ৰায় ভাগ খেতিৰ কাম কৰিবলৈ আমাৰ এনেকি কিছুমান গোলামো আছিল আৰু মোৰ আব্বাজানক কেতিয়াও কোনো শ্ৰম কৰা মই দেখা মনত নপৰে। মোৰ ককাইবোৰ যেতিয়া ডাঙৰ হৈছিল, তেতিয়া সিহঁতেই খেতি-পথাৰৰ দায়িত্ব লৈছিল।

মোৰ ককাইবোৰৰ জন্মৰ পাছত মোৰ আম্মাজানৰ আৰু ল'ৰা-ছোৱালী আছিল, যিবোৰ কেঁচুৱাতেই ঢুকাই গৈছিল। মোৰ জন্ম হোৱা আৰু জীয়াই থকাটো এটা আজ গায়েবী চিনৰ দৰে আছিল। মই মোৰ শৰীৰত এটা চিন কঢ়িয়াই ফুৰিছিলো, সেয়া মোৰ এটা ফুটা কাণ। মোৰ আম্মাজানে আৰু এটি সন্তানৰ হাবিয়াহ কৰিছিল। তেওঁ এগৰাকী নেকবান্দা মুছলমান আছিল, হ'লেও তেওঁৰ কিছুমান দেৱ-দেৱীৰ ওপৰত বিশ্বাস আছিল— যিটো তেওঁ আমাৰ আদি পুৰুষৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

পৰা উত্তৰাধিকাৰীসূত্ৰে বোধহয় পাইছিল। বিশেষ দেৱীসমূহৰ মন্দিৰ থকা কাশ্মীৰৰ পাহাৰবোৰলৈ তেওঁ গৈছিল। তেওঁ সেই দেৱীৰ আগত কচম খাইছিল যে তেওঁৰ যদিহে এটি ল'ৰা-সন্তান হয়, তেন্তে তেওঁ তাক সেই দেৱীৰ ওচৰতেই উৎসৰ্গা কৰিব আৰু কৃতজ্ঞতাৰ চিনস্বৰূপে তেওঁ তাক প্ৰতিবছৰেই সেই মন্দিৰলৈ আনিব। সেইদৰে মোৰ কাণ ফুটা কৰি এটা সোণৰ কাণফুলি পিন্ধাই দিয়া হৈছিল, যিটোৱে বুজাইছিল যে মই সেই দেৱীৰহে হওঁ।

কাণৰ সেই চিনটোৱে বিদ্যালয়ত মোক কি যে লটিঘটি কৰিলে কল্পনা কৰকচোন! ইয়াৰ উপৰিও এইটোৰ কাৰণেই মোৰ বন্ধুবোৰে মোক জোকাইছিল আৰু কাঁজিয়া কৰোতেও সিহঁতৰ হাতবোৰ মোৰ কাণলৈকে গৈছিল। মোৰ আচৰিত ধৰণৰ জন্ম আৰু মোক মওতৰ পৰা ৰক্ষা কৰা সেই চিনটোৱে মোক বৰ দুঃখ দিছিল আৰু মোলৈ পয়মালস্বৰূপ হৈছিলগৈ। কিন্তু জীৱনৰ পাছৰ সময়ছোৱাত মোৰ ওপৰত এখনি বেহেস্তী হাত থকাটো মই উপলব্ধি কৰিছিলো— যিটো কিন্তু দেৱীৰ হাত নাছিল, সেয়া আছি জীৱন্ত খোদাৰহে হাত।

মোৰ চাচাইঁতৰ মোলৈ বেয়া লাগিছিল আৰু তেওঁলোকে মোৰ কাণফুলিটো সোলোকাই দিছিল। মই সকাহ পাইছিলো, কিন্তু মোৰ আম্মাজানৰ মনটো গভীৰভাৱে সেমেকি পৰিছিল। তেওঁ হতাশাত ডুবিছিল, কিয়নো তেওঁ বিশ্বাস কৰিছিল যে সেই কামটোৱে মোৰ মওতকে হয়তো দাৱাত দি আনিব। তেওঁ ভবামতে সেই কাণফুলিটো আছিল যাদুৰ দৰে, যিটোৱে মোৰ ওপৰত দেৱীৰ ৰক্ষাকাৰী হাত থকাটোৰ নিশ্চয়তা দিয়ে। ইয়াৰ অবিহনে মোলৈ আপদ-বিলায় আহিব পাৰে আৰু এনেকি মওতো হ'ব পাৰে। কিন্তু মোৰ চাচাজানে আকৌ মোক বচাবলৈ আহিল আৰু সম্পূৰ্ণ আশ্বাস দি কৈছিল, "তুমি নমৰা"। মোৰ আম্মাজান অন্ধবিশ্বাসী হোৱা কাৰণে মোক পুনৰ মন্দিৰলৈ নিব বিচাৰিছিল, কিন্তু মই হ'লে নম্ৰভাৱে হুকুম অমান্য কৰিছিলো। মোৰ ন বছৰ বয়স হৈছিল। দিনবোৰ বাগৰি গৈছিল আৰু ময়ো মৰা নাছিলো। মোৰ মনৰ অটল তলিত থকা ভয়ৰ পৰা মই মুক্ত হৈছিলো। সেই





কৰিছিলো। তাকে আমাৰ কাৰণে সহজ আৰু আৰামদায়ক কৰিবলৈ জাফ্‌ফাৰাৱালতে থকা বিদ্যালয়ৰ ওচৰত আমাৰ আব্বাজানে ঘৰ এটি নিৰ্মাণ কৰি দিছিল, যাতে আমি সময়মতে বিদ্যালয়লৈ গৈ উপস্থিত হ'ব পাৰোঁ।

পাঁচ বছৰ বয়স হওঁতেই মই প্ৰাথমিক বিদ্যালয়ত নাম লগাইছিলো। এই সময়তেই মই আমাৰ ঘৰৰ ওচৰতেই থকা মছ্‌জিদলৈ যাবলৈ লৈছিলো। প্ৰতিজন মুছলমান ল'ৰাকেই কোৰানখন শিকিবলৈ আৰু আবৃত্তি কৰিবলৈ সপ্তাহত এবাৰকৈ এই বয়সতেই মছ্‌জিদলৈ যোৱাটো আশা কৰা হৈছিল। জামাতখনৰ এবাদতৰ আৰু দিহা-পৰামৰ্শ লাভৰ বাবে মছ্‌জিদটোৱে আছিল কেন্দ্ৰস্বৰূপ আৰু মই প্ৰতি জুম্মাবাৰেই মোৰ বন্ধুসকলৰে সৈতে জুম্মা নামাজ পঢ়িবলৈ তালৈ গৈছিলো। ইমামজনে ছালাত কায়েম কৰোঁতে তেওঁ কৰি যোৱাৰ দৰেই এক নিৰ্দিষ্ট বিৰতিৰ মূৰে মূৰে তেওঁৰ পাছে পাছে আমিও ছিজ্‌দাত মূৰ দোঁৱাইছিলো। সচঁৰাচৰ হোৱা ধৰণে তেওঁ খোৎবা পঢ়ি এটা চমু ভাষণ দিছিল, য'ত তেওঁ পয়গম্বৰ মহম্মদৰ তালিমৰ কিছু দিশ ব্যাখ্যা কৰিছিল। তেওঁৰ কথাবোৰ বুজি পোৱাটো সদায়েই সহজ নাছিল, কিন্তু আমি যেন ঈমানৰ কথাবোৰ শিকিব পাৰো তাৰ কাৰণে ধৰ্মীয় নেতাসকলে নিশ্চিত কৰিছিল। মোৰ ল'ৰালি কালৰে পৰাই ইছলামৰ ভিত্তিমূল সাক্ষ্যটোৱে মোৰ দিলত খোদিত হৈ গৈছিলঃ-

**লা ইলাহা ইল্লাল্লাহু মোহাম্মাদুৰ ৰছুলুল্লাহ!**
**আল্লাহৰ বিনে আন কোনো মাবুদ নাই**
**আৰু মহম্মদ তেওঁৰ প্ৰেৰিত ৰছুল।**

প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষকজনৰ প্ৰভাৱ মোৰ ওপৰত বাৰুকৈয়ে পৰিছিল। তেওঁ একেধাৰে এজন কবি, বক্তা, লিখক আৰু সংগীতজ্ঞও আছিল। তেওঁৰ উদগণি পাই ময়ো কবিতা লিখিবলৈ আৰম্ভ কৰিছিলো। এই কামটোৱে গোটেই জীৱনজুৰি মোৰ কাৰণে আনন্দৰ উৎস হৈ পৰিছিল আৰু মোৰ টোকাবহীটো মোৰ পৰা



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

এজন নিজৰ দুনিয়াৰ ভিতৰত সোমাই থকা ব্যক্তি আছিল।

ইছলাম ধৰ্মৰ চুফিবাদ আৰু ৰহস্যবাদ (খোদাৰে সৈতে ৰূহৰ পোনপটীয়া সম্পৰ্ক)টো খ্ৰীষ্টিয়ান (মছীহিয়াত) বনবাসীসকলৰ আৰ্হিৰ দৰে প্ৰায় একেই, যিসকলে মিচৰ আৰু আৰব দেশৰ মৰুভূমিবোৰত সিঁচৰিত হৈ পৰিছিল। এই আন্দোলনটো খ্ৰীঃ পূঃ ১১১১ চনত ইন্তেকাল হোৱা আল-ঘাজ্জালিৰ দ্বাৰাই প্ৰতিষ্ঠা হৈছিল। প্ৰথম অৱস্থাত আত্মশাসন আৰু নিজকে অস্বীকাৰ কৰাৰ ওপৰত নিৰ্ভৰ কৰি পৰম ভক্তি, দুঃখভোগ আৰু সন্যাসী বা বৈৰাগীৰ দৰে চলাটোৱেই চুফিবাদৰ প্ৰধান বৈশিষ্ট্য আছিল। নিজৰ দিলৰ পৰা আপোনা-আপুনি ওলাই অহা ভাৱৰ দ্বাৰাই মাবুদ আল্লাহৰ বাধ্য হোৱা দেখা গৈছিল। শ্বৰীয়তবোৰ পালন কৰাৰ দ্বাৰাই নহয়, কিন্তু মাবুদৰ প্ৰতি মহব্বতৰ সঁহাৰি দেখুউৱাটোহে আশা কৰা হৈছিল। পৱিত্ৰতা আৰু আল্লাহৰ সৈতে ব্যক্তিগত অভিজ্ঞতাৰ সন্ধানত আগৰ কালৰ ৰহস্যবাদীসকলে খোদাৰ মহব্বতত আনন্দ-উপভোগ কৰিবলৈ নামাজ, মোনাজাত আৰু ধ্যানত মগ্ন হোৱা কথাটোত অধিক গুৰুত্ব দিছিল। এই মহব্বতৰ কাৰণেই তেওঁলোকে তাৰ বিনিময়ত খোদাক মহব্বত কৰিবলৈ আৰু তেওঁৰ অনুগত হ'বলৈ সক্ষম হৈছিল। পাছলৈ তেওঁলোকে ধ্যানমগ্ন অৱস্থাত আহিবলৈ সংগীত আৰু ঔষধো (নিচাযুক্তও হ'ব পাৰে) ব্যৱহাৰ কৰিছিল। মোৰ আব্বাজানৰ ৰহস্যবাদটো খোদাৰে সৈতে আপোন সান্নিধ্য পাবলৈ এক স্বাধীন চেষ্টা আছিল, কিন্তু তেওঁৰে সৈতে এক ৰহস্যধৰণৰ সম্পৰ্ক স্থাপন কৰিবলৈ তেওঁৰ মনত কোনো হাবিয়াহ জাগি উঠা নাছিল। ৰহস্যধৰ্মী অৱস্থা এটা পাবলৈ তেওঁ কোনো ঔষধ, সংগীত, নৃত্য বা তেলাওৱাত নাইবা তছবীহ জপ কৰাৰ উপায় বিচৰা নাছিল। তেওঁ এক নৈতিক সমতা বজায় ৰাখিছিল, যিয়ে তেওঁৰ গোটেই জীৱনটোকে শৃংখলিত কৰি ৰাখিছিল।

ঘৰত তেওঁ এজন ভদ্ৰলোক আছিল আৰু আমাৰ শিক্ষা আৰু কল্যাণৰ কাৰণে চিন্তা কৰিছিল। আমাৰ ঘৰৰ পৰা দুমাইল আঁতৰত থকা বিদ্যালয় এখনিত মই আৰু মোৰ ককাইহঁতে শিক্ষালাভ





তেতিয়াৰে পৰা মই আৰু কেতিয়াও ভয় খোৱাৰ অভিজ্ঞতা পোৱা নাই, এনেকি জীৱনৰ পাছৰছোৱাতো বিপদসংকুল পৰিস্থিতিত পৰিও মই ভয় খোৱা নাই। সেয়ে হ'লেও হঠাতে মোৰ সৰু ভাইটি ৰমজানৰ নিউমনিয়াত (এবিধ হাওঁফাওঁৰ বেমাৰ) আক্ৰান্ত হৈ কেইদিনমানৰ ভিতৰতে ইন্তেকাল হোৱাত মই অন্তৰত বৰ গভীৰ শোক পাইছিলো।

মোৰ চাৰিজন ককায়ে যেতিয়া বিয়া পাতিছিল, তেতিয়াও মই সৰু হৈয়ে আছিলো। এটা ডাঙৰ মুকলি কোঠাৰে সৈতে থকা আঁঠটা কোঠাৰ এটা ডাঙৰ ঘৰত আমি আটায়ে নিবাস কৰিছিলো। মোৰ ককাইহঁতৰ আৰু ল'ৰা-ছোৱালীবিলাকৰ কাৰণে পৃথক কোঠা আছিল। আমি সকলো বস্তুকে ভগাই লৈছিলো, সেইটো তেতিয়াৰ দিনৰ ভাৰতীয় সামাজিক বন্ধনৰ এটা নমুনাৰ দৰে আছিল। গাঁৱত বা নগৰত পৰিয়ালৰ সদস্যবিলাকৰ নিৰাপত্তাৰ কাৰণে এইটো বৰ আৱশ্যকীয় কথা আছিল। প্ৰতিগৰাকী পৰিয়ালৰ সদস্যই, সেয়া লাগিলে স্বাস্থ্যৱানেই হওক বা পংগুৱেই হওক, কাম কৰাই হওক নাইবা নিবনুৱাই হওক সম্পত্তি আৰু উত্তৰাধিকাৰবোৰ সমানেই উপভোগ কৰিব পাৰিছিল।

দয়ালু আম্মাজান, মৰমীয়াল আব্বাজান আৰু মৰমলগা নবৌহঁতৰ ভাই-ভনীৰে সৈতে আমাৰ এখনি সুখৰ ঘৰ আছিল। মই সদায়েই মোৰ নবৌসকলৰ ভণ্টিসকলক "ভনীজান" বুলিয়েই মাতিছিলো আৰু মোৰ আব্বাজানে মোক তেনেকৈয়ে আচৰণ দেখুৱাবলৈ শিকাইছিল; কাৰণ মোৰ নিজা কোনো ভনী নাছিল। আমি ঘৰখনত প্ৰত্যেকেই মহব্বতৰ ডোলেৰে বান্ধ খাই আছিলো।

এখনি ঘৰত চাৰিগৰাকীকৈ খুলশালী সম্বন্ধীয় ছোৱালী লগতে থাকিলে সাধাৰণতে বিবাদ বা কলহ হোৱা দেখা যায়। কিন্তু আমাৰ ঘৰত হ'লে তেনে হোৱা নাছিল। আম্মাজান আছিল এগৰাকী ভদ্ৰ মহিলা আৰু আমাৰ গোটেই পৰিবেশটো আছিল মহব্বত আৰু বুজাবুজিৰে ভৰা। আম্মাজানৰ পৰা মই আনৰ খেদমত কৰাৰ মূল্যটো শিকিছিলো। আম্মাজানে কৈছিল, **"নিজৰ কাৰণে কেৱল জীয়াই থাকিলে জন্তু বা পশুৰে সৈতে একো পাৰ্থক্য নাথাকিব। আমি যদিহে**



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

**আনৰ কাৰণেও জীয়াই থাকোঁ, তেন্তে আমি নিজকে প্ৰকৃত মানুহ বুলি প্ৰমাণ কৰিব পাৰিম।"** এনেকি ভয়, ভাবুকি বা বিপদৰ সময়তো তেওঁ এনে নীতিতেই চলা আমি দেখিছিলো। তেওঁৰ আচৰণ আৰু উদাহৰণবোৰে মোৰ কাৰণে আৰ্হিস্বৰূপ হৈছিল। মোৰ জীৱনৰ পাছৰছোৱাত ভয়, ভাবুকি আদিৰে সৈতে আন্ধাৰে আৱৰি ধৰোতেও মই এই ভিত্তিমূলৰ পৰা সামান্যও আঁতৰি অহা নাছিলো।

মোৰ আব্বাজান এজন সৈনিক আছিল আৰু প্ৰথম বিশ্বযুদ্ধৰ সময়ত ভায়চৰয়ৰ কমিছন লাভ কৰিছিল। সেই সময়ত ব্ৰিটিছৰ অধীনৰ সেনাবাহিনীত যোগ দিয়াৰ বিৰোধিতা কৰাৰ পৰ্যায়লৈ ভাৰতীয় জাতিটোৱে তেতিয়াও আহি পোৱা নাছিল। ভাৰতবৰ্ষ তেতিয়াও ব্ৰিটিছ সাম্ৰাজ্যৰ অন্তৰ্ভূক্ত আছিল আৰু বিদেশলৈ যুদ্ধ কৰিবলৈ যোৱাটোক এটা সন্মানীয় কাম বুলি মানুহে গণ্য কৰিছিল। যুদ্ধৰ স্মৃতিবোৰে মোৰ আব্বাজানক সজীৱ কৰি ৰাখিছিল। আমাৰ কল্পনাৰ আকাশখনক ভৰাই তুলিবলৈ তেওঁৰ মনত অলেখ কাহিনীৰ ভঁৰাল আছিল। আফ্ৰিকা মহাদেশত শিবিৰ পাতোতে সেনাবিলাকে কেনেকৈ শোষণ আৰু লুটপাট কৰিছিল, তেওঁ কোৱা সেই কাহিনীবোৰ শুনিবলৈ আমি বৰ মজা পাইছিলো। আব্বাজানে মোৰ দিলত বীৰত্বৰ কাহিনীবোৰৰ প্ৰতি এটা মহব্বত খোদিত কৰি দিছিল। আওপকীয়াকৈ তেওঁ আমাক এইটো শিকাইছিল যে এই দুনিয়াত মানুহে কিবা এটা অসাধাৰণ কাম কৰি নিজৰ চিনাকি দিয়া উচিত। মানুহে আমাৰ সমৰ্থতাবোৰক বুজি পোৱা বা স্বীকৃতি দিব পৰা হোৱা উচিত। আমি নিজৰ বিষয়ে প্ৰচাৰ কৰিব নালাগে, কিন্তু আমি এনে ধৰণে কাম কৰি যোৱা উচিত যাতে তেওঁলোকে সেইবোৰ দেখি বা শুনি সৰলভাৱেৰে আমাৰ মূল্যায়ন কৰিব পাৰে। এই ধৰণৰ অভিপ্ৰায় আৰু আচৰণে মোৰ জীৱনতো প্ৰভাৱ পেলাইছিল। ভয় নকৰাকৈ জীৱনৰ উচ্চ শিখৰত বগাই যাবলৈ বিচাৰি মই কিছুমান বিপদজনক অভিযানতো আগবাঢ়ি গৈছিলো।

মোৰ আব্বাজানে আনৰ কথাও চিন্তা কৰিছিল। যদি কোনো





নিষ্পেষিত নাইবা অতি দৰিদ্ৰলোকে ন্যায় পাবৰ কাৰণে যুঁজিবলৈ সমৰ্থ নহয়; তেনেক্ষেত্ৰত মোৰ আব্বাজানে সদায়েই আদালতলৈ গৈ তেওঁ কৰিব পৰাখিনি কৰি দিবলৈ সাজু হৈ আছিল। কিন্তু তেওঁ নিজৰ কাৰণে কেতিয়াও আদালতলৈ গৈ আইনৰ সহায় লোৱা নাছিল। এনেকি সৈন্যবিলাকেও পেন্সন পাবলৈ তেওঁলোকৰ শপতনামাৰে সৈতে তেওঁৰ ওচৰলৈ আহিছিল যাতে তেওঁ অলপ লাগি-ভাগি দিয়ে। মোৰ আব্বাজান এইবোৰ ক্ষেত্ৰত বৰ সহানুভূতিশীল আছিল। এইটো কাৰণতেই ওচৰ-চুবুৰীয়াই তেওঁক আদৰ কৰিছিল আৰু সমাজখনত তেওঁক এক উচ্চ আসন দিছিল।

মোৰ আব্বাজান উদাৰ মনৰ আছিল কাৰণে আমাৰ ঘৰত থকাকৈ বহুত আলহীও আহিছিল। এটা সময়ত তেওঁ এনেকি নিজৰ ভায়েকৰ খুনীকো আহিবলৈ দিছিল। এই ভায়েকজনে মাটিৰ সৈতে থকা এক বিবাদৰ লগত জড়িত হৈ পৰিছিল আৰু এদল মানুহে তেওঁক খুন কৰিছিল। তাৰ পাছত এই দলটো পলাই গৈছিল, লুকাবলৈ কোনো ঠাই বিচাৰিছিল; কিন্তু বুৰ্বকৰ দৰে মোৰ আব্বাজানে পথাৰতে সাজি থোৱা এটা সৰু চালিঘৰত গৈ সিহঁত লুকাই পৰিছিল। সিহঁতৰ দুষ্কৰ্মৰ কথা নাজানি মোৰ আব্বাজানে সিহঁতক ঘৰলৈ মাতি আনিছিল আৰু এসাঁজ ভাতো খুৱাইছিল। পাছত তেওঁৰ ভায়েকৰ বন্ধুবোৰে খুনীবোৰক বিচাৰি বিচাৰি তালৈ আহি পাইছিল আৰু সিহঁতক দেখি সিহঁতেই হয় বুলি কৈছিল। আব্বাজানে ভায়েকৰ মৃত্যুৰ কথা জানি শোকত ভাগি পৰিছিল। কিন্তু সকলোকে আচঁৰিত কৰি তেওঁ সেই খুনীবিলাকৰ ওপৰত খং দেখুউৱা নাছিল। তেওঁ এজন আলপৈচান ধৰা ব্যক্তি আছিল আৰু কাৰো বিৰুদ্ধে খং বা আক্ৰোশ দেখুউৱা নাছিল।

আব্বাজানে তেওঁৰ ধৰ্মটোৰ পৰা এনে ধৰণৰ চৰিত্ৰ এটা লাভ কৰিছিল। তেওঁৰ ধৰ্ম আৱৰণটোক লৈ বৰ চিন্তা কৰা নাছিল আৰু মৌলবীসকলকো বৰ বিশ্বাস নকৰিছিল। তেওঁ মানুহক দেখুৱাই এবাদত-বন্দেগী কৰিবলৈ ভাল নাপাইছিল আৰু তেওঁ গোপনেহে নামাজ, ৰোজা বা আন আন কৰ্মবোৰ কৰি গৈছিল। এই ক্ষেত্ৰত তেওঁ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

সন্মানজনকভাৱে মই সেই হুকুমটো উঠাই লবলৈ কিবা প্ৰকাৰে চেষ্টা কৰিছিলো।

মোৰ কামত থকা মোৰ সমৰ্পিত, সততা আৰু বিশ্বাসযোগ্যতা থকাৰ গুণে মই যিকোনো অৱস্থাতে বা পদতে সফলতা পাবলৈ সমৰ্থ হৈছিলো। মই নিজতো আৰু আনতো অসাধুতা সহ্য কৰা নাছিলো। উপযুক্ত কাৰণ নাথাকিলে মই মোৰ অধীনস্থ কৰ্মীৰ ওপৰত কোনো চাপ দিয়া নাছিলো আৰু তেওঁলোকৰ বৈধ অনুৰোধবোৰ মই মন দি শুনিছিলো। কেৱল তেওঁলোকৰ ভালৰ কাৰণে চিন্তা কৰি মই এনেকি নিজৰ ফালৰ পৰাই তেওঁলোকৰ কৰ্তব্যৰ মাজত বিৰতিৰ সময় দিয়াইছিলো। সেইবোৰ কাৰণতেই তেওঁলোকে মোৰ কাৰণে শৰীৰৰ শেষ টোপাল তেজকো বোৱাই দিবলৈ সাজু আছিল।

মোৰ জ্যেষ্ঠ ভাৰতীয় বিষয়াৰ উপদেশ আৰু অনুমোদনত মই চোৰাংচোৱা বাহিনীৰ সংযুক্ত দল এটাত চামিল হৈছিলো। মই নিজে বৃটিছ বিৰোধী নাছিলো, তথাপিও উৰণ বাহিনীৰে সৈতে সম্পৰ্ক ৰখাটো সন্তোষজনক নাছিল বুলি জানি মই সহায় কৰিব পৰা নাছিলো। কিছুমান বৃটিছ বিষয়াই তেওঁলোকৰ আচৰণত ভাৰতীয় বিষয়াসকলক অৱজ্ঞাৰ চকুৰে চাইছিল। তেওঁলোকে আমাক হীন বা তলখাপৰ লোক বুলি গণ্য কৰিছিল আৰু আমাক "ব্লাডি ইণ্ডিয়ানছ" (অৰ্থাৎ মূৰ্খ ভাৰতীয়) বুলি কৈছিল আৰু তেওঁলোকৰ গালি-শপনিবোৰতো আছেই। সাধাৰণতে তেওঁলোকৰ ব্যৱহাৰবোৰ ভদ্ৰ বা নম্ৰ ধৰণৰ নাছিল। অৱশ্যে সদায়েই আমি তেওঁলোকৰ কথাৰ সুৰত থকা ভাল আৰু বেয়াবোৰ বিচাৰ কৰি চোৱা নাছিলো। মোক এবাৰ কমাণ্ডিং বিষয়াৰ ওচৰলৈ মাতি পঠোৱা হৈছিল আৰু মই কেতিয়াও শুনিবলৈ নোপোৱা শব্দযুক্ত ভাষাৰ প্ৰশ্নৰ উত্তৰ দিব লগা হৈছিল। এই কমাণ্ডিং বিষয়াজন এজন খ্ৰীষ্টিয়ান আছিল আৰু ধৈৰ্য সহকাৰে মোৰ কথাবোৰ মন দি শুনিছিল। তাৰ পাছত তেওঁ মোক কৈছিল, "হেৰা বোপা, মোক কোৱাচোন বাৰু, তুমিনো ইমান শুৱলাকৈ ইংৰাজী কবলৈ ক'ত শিকিলা?" "মোৰ সহকৰ্মী বিষয়াসকলৰ পৰা" বুলি মই উত্তৰ দিছিলো।





দৌৰোৱা শিক্ষাটোৱেই প্ৰধান আছিল আৰু ময়ো সেয়া ভাল পাইছিলো। মই বন্দুক চলোৱা শিকিও আনন্দ পাইছিলো। মোৰ আব্বাজানৰ ডাঙৰ বন্দুকটো বৰ পাতল আছিল আৰু তাৰ পাছ হোহঁকা টানটোও মই চম্ভালিব পাৰিছিলো। মোৰ মনত পৰে যে যেতিয়াই মই সুযোগ পাইছিলো মই এই বন্দুকটো লৈ বহু সময় খেলা কৰিছিলো। সদায় ৰাতিপুৱা গাখীৰ খিৰোৱাতকৈ এই কামটোৱে মোৰ বেছি উপভোগ্য আছিল আৰু সেই সৰু কামটো মই কৰিবলৈ নিবিচৰা কাৰণে আমাৰ চাকৰবোৰে কৰিছিল। পঢ়া-শুনাতকৈ চিকাৰ কৰি ফুৰাতহে মোৰ বেছি আগ্ৰহ আছিল, কিয়নো মোৰ চৰিত্ৰত তেতিয়াও অধ্যাৱসায় আৰু কঠোৰ পৰিশ্ৰমটো গঢ় লোৱা নাছিল। তাৰোপৰি বিদ্যালয়ত যুগুত হোৱা কথাটো মোৰ কাৰণে স্বচ্ছ হৈ উঠা নাছিল। ৰজাসকলৰ পুতেকসকলক ভৱিষ্যতৰ বৃত্তিটোৰ কাৰণে সাজু কৰি তোলা হৈছিল; কিছুমানে সেনাবাহিনীত জুনিয়ৰ অফিচাৰ হিচাবে আৰু আন কিছুমানে অসামৰিক প্ৰশাসনৰ সেৱাৰ কাৰণে ওলাই গৈছিল। কিন্তু মই পোৱা শিক্ষাই মোক নো ক'লৈ লৈ যাব সেই বিষয়ে মই নিশ্চিত নাছিলো।

এই বিদ্যালয়খনি হিন্দু ধৰ্মাৱলম্বীসকলৰ নিমিত্তে হোৱাৰ কাৰণে আমি হিন্দু ধৰ্মৰ ৰীতি-নীতিবোৰ পালন কৰিছিলো। প্ৰাৰ্থনাৰ কাৰণে আমি পুৱাতেই উঠিবলৈ শিকিছিলো। আমি হিন্দু ধৰ্মশাস্ত্ৰৰ মন্ত্ৰবোৰ নাইবা শাস্ত্ৰাংশবোৰৰ প্ৰতিটো শব্দ শুদ্ধ উচ্চাৰণৰে সৈতে মুখস্থ কৰিবলগা হৈছিল, যিবোৰ ধৰ্মটোৰ মূল শিক্ষা আৰু ধাৰণাটোৰ ওপৰত ভিত্তি কৰি আছিল। হিন্দু ধৰ্মই মোক আকৰ্ষণ কৰা নাছিল, কিন্তু মই যি যি শিকিছিলো সেইবোৰে মোক এই ধৰ্মটোক বুজিবলৈ অতি উচ্চ ধৰণে সহায় কৰিছিল। মই হিন্দীও শিকিবলগা হৈছিল, যিটো আজিলৈকে মই নিঃসংশয়ে আৰু শুদ্ধভাৱে ক'ব পাৰো।

উচ্চ ইংৰাজী বিদ্যালয়ত মই পঢ়ি থাকোঁতে মোৰ তালিম গ্ৰহণত এটা ডাঙৰ ব্যৱধান ৰৈ গৈছিল। মই ইছলাম ধৰ্মৰ বিষয়ে একোকে শিকা নাছিলো। ইয়াৰ বাবে মই আনন্দিত আছিলো কিন্তু মোৰ ককাই খোদা বক্‌ছে হ'লে সুখী হোৱা নাছিলো। মোৰ আব্বাজানৰ ইন্তেকাল



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

হোৱাৰ কাৰণে তেৱেঁই মোৰ তালিমৰ দায়িত্বটো লব লগা হৈছিল। তেওঁ মোক সেই বিদ্যালয়ৰ পৰা এৰোৱাই আনিছিল আৰু জম্মুত থকা ইছলামীয়া উচ্চ ইংৰাজী বিদ্যালয়ত নাম লগাই দিছিল। ছাত্ৰাবাস থকা বিদ্যালয়তকৈ ই বৰং এক এতিমখানাৰ দৰেহে আছিল, কিন্তু সেই কথাটোৱে মোৰ ককাইক আমনি দিয়া নাছিল। তেওঁ মোক ইছলাম ধৰ্মৰ অধিক জ্ঞান দিয়াবলৈ ইমানেই ব্যাকুল আছিল যে সেই জ্ঞান মই ক'ত কেনেদৰে পাম তাক লৈ তেওঁৰ চিন্তা বা প্ৰতিক্ৰিয়া নাছিল।

মই এজন বৰ উৎসাহী ছাত্ৰ নাছিলো; সেয়ে মোৰ ককাই ঘৰত নথকা বুলি জানিলেই দিনৰ ভাগত দুপৰীয়াৰ আহাৰ খাবলৈ শ্ৰেণীসমূহত ফাঁকি দি পলাই ঘৰলৈ গৈছিলো। মোৰ 'ভনীসকলে' মোৰ সেই কথাবোৰ কৈ দিয়া নাছিল। ঘটনাক্ৰমে বিদ্যালয়খনিৰ পৰা নীতি-নিয়ম অনুসাৰে অভিযোগ পঠিয়ালে আৰু সেই কথাটোৰ পৰাই মোৰ আৰু ককাইৰ মাজৰ সম্বন্ধটো টেঙা হ'ল। তেওঁ কঠোৰ পৰিশ্ৰম কৰি মোৰ শিক্ষাৰ কাৰণে খৰছ কৰিছিল আৰু মই সেই সুযোগৰ সদ্ব্যৱহাৰ কৰা নাছিলো।

গেলাতে টেঙা দিয়াৰ দৰে ছোৱালী এজনীৰ লগতো মই সম্বন্ধ গঢ়ি তোলাৰ ফলস্বৰূপে পৰিস্থিতি আৰু বেয়া হৈ গৈছিল। বন্ধৰ দিন এটাত শ্ৰীনগৰৰ ওচৰত থকা গাওঁ এখনিলৈ মই গৈছিলো, য'ত আমাৰ অলপ মাটি আছিল। তাত মই চেলিমাক লগ পাইছিলো আৰু মহব্বতৰ ডোলেৰে বান্ধ খাই পৰিছিলো। তাইৰ ওপৰত মোৰ চকু পৰাৰ মূহুৰ্তৰে পৰাই মই বন্দী হৈ পৰিছিলো। আমাৰ মাটি-বাৰী চোৱা-চিতা কৰা পৰিয়ালটোৰ জীয়াৰী আছিল তাই আৰু তেওঁলোকৰে সৈতে আমাৰ এটা দূৰ সম্বন্ধও আছিল। আমি ভাল বন্ধু হৈ পৰিছিলো আৰু ঘনাই লগো কৰিছিলো। সেই ঠাই এৰি অহাৰ আগলৈকে সেই আকৰ্ষণটো পাৰস্পৰিক বা উভয় ফালৰে আছিল বুলি মই বুজিব পৰা নাছিলো। আমি লগ হৈছিলো আৰু তাই হঠাতে উচুপি উঠিছিল। তাই মোক যাবলৈ এৰি দিয়া নাছিল। সেই কথাটোৱে মোৰ মনত বৰকৈ দোলা দি গৈছিল আৰু প্ৰতিটো মিনিটতে আমাৰ মহব্বতটো শক্তিশালী





যেতিয়া ৰয়েল এয়াৰ ফ'ৰ্চত ভৰ্তি হবলৈ আবেদন কৰিলোঁ, তেতিয়া মোৰ কোনো সমস্যা হোৱা নাছিল। মই মাথো কেইটামান প্ৰশ্নৰহে উত্তৰ দিছিলো আৰু উৰাজাহাজৰ কাৰিকৰ হিচাবে আৰু সেইবিলাক চোৱা-চিতা কৰা লোক হিচাবে মোক তেওঁলোকে নিযুক্তি দিছিল।

এই বিষয়ৰ প্ৰথম প্ৰশিক্ষণ মই লাহোৰত লৈছিলো আৰু এজন আমেৰিকাৰ শিক্ষকৰ অধীনত থাকি মই শিকিছিলো। কলিকতাৰ বিমান বন্দৰত মই প্ৰথম নিযুক্তি পাইছিলো। কিছুদিন নিৰ্দেশ লাভৰ পাছত মোক বাৰ্মা আৰু ৰেংগুনলৈ পঠিওৱা হৈছিল। মই সেনাবাহিনীৰ সাধাৰণ ৰুটিনত চলিছিলো আৰু চৌব্বিশ ঘণ্টাই মোৰ কৰ্তব্যৰ সময় আছিল।

মোক পাছত কলিকতাৰ এয়াৰ ফ'ৰ্ছ একাডেমীলৈ পঠিওৱা হৈছিল। তাত মই সেনাৰ চোৰাংচোৱা বিষয়ত স্নাতকোত্তৰ পাঠ্যক্ৰম সমাপন কৰিছিলো। আমাৰ প্ৰশাসনিক দিৰ্দেশকে কোৱা এটা কথা মই কেতিয়াও পাহৰা নাছিলো, সেয়া হৈছেঃ- **"সদায় তোমাৰ তলতীয়া কৰ্মচাৰীৰ বিশ্বাসভাজন আৰু আস্থা জয় কৰিবা"।** মোৰ অধীনত কাম কৰা মানুহৰে সৈতে সম্পৰ্ক ৰাখি চলোতে এইটোৱেই মোৰ পথ নিৰ্দেশন নীতি আছিল। মই তেওঁলোকৰে সৈতে এটা ব্যক্তিগত সম্বন্ধ গঢ়ি তুলিবলৈ যত্ন কৰিছিলোঁ। যেতিয়াই তেওঁলোকৰ কোনোৱে কিবা সমস্যাত পৰিছিল, মই যিদৰে পাৰোঁ সহায় কৰিবলৈ চেষ্টা কৰিছিলো। মোৰ ধাৰণাত মানুহৰ বৰণ, জাতি বা ধৰ্মৰ ওপৰত নিৰ্ভৰ কৰি তেওঁলোকৰ মূল্যটো চাব নোৱাৰি। প্ৰতিজন মানুহৰ কাৰণেই জীৱনটো মূল্যবান। দুৰ্ভাগ্যক্ৰমে সকলোৱে এই ধৰণে কথাটো গমি নাচায়।

মই কেতিয়াও মোৰ জ্যেষ্ঠ বিষয়াৰ হুকুম অমান্য কৰা নাই, মোৰ তলতীয়া কৰ্মচাৰীকো মোৰ হুকুম অমান্য কৰিবলৈ মই দিয়া নাই। যুদ্ধৰ সময়ছোৱাত কোনোৱে হুকুম নামানিলে মৃত্যুদণ্ড দিয়া হয়, কিন্তু মই হ'লে এই ধৰণৰ শাস্তি কেতিয়াও দিয়া নাই। মোৰ তলতীয়া কোনো ডেকা সেনাই যদিহে মোৰ কোনো হুকুম নামানিছিল, তেন্তে



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

# এই ঈছা মছীহজনানো কোন?

দ্বিতীয় বিশ্বযুদ্ধ আৰম্ভ হৈছিল আৰু মই তেতিয়া যোল্ল বছৰীয়া আছিলো। ভাৰতবৰ্ষ তেতিয়া এক সংকটৰ মাজত পৰিছিল। তাইনো এক সাম্ৰাজ্যবাদী শক্তিৰে সৈতে কেনেকৈ যুদ্ধত যোগ দিব, কাৰণ তেওঁলোকেই তেতিয়া গোটেই ভাৰত উপমহাদেশখনত শাসন চলাই আছিল। নাজীবাদটো বেয়া আছিল আৰু গৰিহণাৰ যোগ্য আছিল যদিও বহুতো ভাৰতীয়ৰ কাৰণে ভাৰতবৰ্ষক অধীন কৰি ৰখা একেই জাতীয়তাবাদ আৰু সাম্ৰাজ্যবাদৰ পোষকতা কৰা এক চৰম ধৰণৰ শক্তিহে ই আছিল। ভাৰতীয় জাতীয় কংগ্ৰেছে উচ্চকণ্ঠে ঘোষণা কৰিছিল যে কেৱল এখন মুক্ত ভাৰতেহে জাৰ্মানীৰ বিৰুদ্ধে যুদ্ধত যোগ দিব পাৰিব। তেওঁলোকে চিয়ঁৰি কৈছিল, "দেশবাসীৰ লগত আলোচনা হবই লাগিব।" যি কি নহওক, ৰাজনৈতিক নেতাবোৰ বিভক্ত হৈ পৰিছিল। তেওঁলোকে হিটলাৰৰ আগ্ৰাসনক ঘিণ কৰিছিল কিন্তু বৃটেইনক সহায় কৰাৰ ধাৰণাটোৰো ঘোৰ বিৰোধী আছিল। তথাপিও অধীনস্থ দেশ এখনে নিজৰ মতে যাব নোৱাৰে, যুদ্ধ যেতিয়া আৰম্ভ হৈ গৈছিল ভাৰতে নিজে বৃটিছৰ পক্ষত থাকি যুদ্ধ কৰা পাইছিল।

আন ভাৰতীয়সকলৰ দৰেই বৃটিছৰ শাসনৰ পৰা মুক্ত হ'বলৈ মোৰ মনতো গভীৰ ইচ্ছা জাগি উঠিছিল, কিন্তু ৰাজনীতিক আৰু নীতিবাগীশসকলৰ কথাবোৰ বুজি উঠিবলৈ মই তেতিয়া নিচেই সৰু আছিলো। মোৰ তৎকালীন চিন্তাটো আছিল কিবা এটা কৰিব পাৰিব লাগে। মই অকলশৰীয়া আছিলো আৰু মোৰ পৰিয়ালৰ ফালৰ পৰা একো সহায় আশা কৰিব পৰা নাছিলো নাইবা এই বিষয়ত ময়ো তেওঁলোকৰ সহায় বিচৰা নাছিলো। মই অকলে থিয় হোৱাৰ মতত দৃঢ় হৈ আছিলো আৰু সেয়ে মই সেনাবাহিনীত যোগ দিলোঁ। মই





খোপনিৰে গঢ় লৈ উঠিছিল। পাছৰ বছৰত মই যেতিয়া আহিছিলো মই দেখিলো যে তাই আৰু অধিক ধুনীয়া আৰু ডাঙৰ হৈ আহিছে। তথাপিও কিয় জানো মই তাইৰ মাজত এক পৰিৱৰ্তনৰ উমান পাইছিলো। আমি আগতে থকাৰ দৰে নিবিড় সান্নিধ্যবোৰ তাই এৰাই চলিছিল। তাই অৱশ্যে পুনৰায় আশ্বাস দিছিল যে মোলৈ তাইৰ মহত্বত আগতকৈও বাঢ়ি আহিছে আৰু মোক ওচৰত নাপাই তাই মনৰ বেজাৰতে বৰকৈ দহিছে। মই দোমোজাত পৰিছিলো।

মই ভাবি নাপাওঁ ক'তনো কি ভুল হৈ আছে! আমাৰ সম্বন্ধটো পৱিত্ৰ হৈ আছিল। আমি মাত্ৰ ওচৰা-ওচৰিকৈ থাকি আনন্দ পাইছিলো। যৌনতাৰ প্ৰকাশ নোহোৱাকৈহে প্ৰকৃত মহত্বতৰ অভিজ্ঞতা পাব পাৰি। জীৱনৰ আগছোৱাতেই মই জানিছিলো যে যৌন নিকটতাই মহত্বতৰ মধুৰ সম্বন্ধবোৰ ভাঙি পেলাব পাৰে। বিয়াৰ পাছলৈহে মানুহে নিজৰ জীৱনসংগীৰ কাৰণে সেই কথাটো সংৰক্ষিত কৰা উচিত। যি কি নহওঁক মোৰ কাৰণে এটা কথা স্পষ্ট হৈ পৰিছিল যে আমাৰ দুজনৰ মাজত বিয়াখন যেন নহ'বগৈ। তাইৰ পৰিয়ালটোৱে অনুমান কৰিছিল যে আমাৰ পৰিয়ালে এই বিয়াখন কেতিয়াও মঞ্জুৰ নকৰিব। চেলিমাৰ পৰিয়ালটো বৰ ধনী নাছিল আৰু আমাৰ পৰিয়ালে সেই সম্বন্ধটো হ'বলৈ কেতিয়াও অনুমোদন নজনায়। মোৰ দিল টুকুৰা-টুকুৰ হৈ গৈছিল, কিন্তু মই কৰিব পৰা ধৰণৰ একো উপায় নাছিল। মোৰে সৈতে মোৰ পৰিয়ালৰ সম্বন্ধটো আৰু অধিক টান হৈ পৰিছিল।

মই মনৰ দুঃখত বিদ্যালয়লৈ উলটি আহিছিলো। মই মোৰ কামত মন বহুৱাব পৰা নাছিলো। আচলতে মই মোৰ কামৰ প্ৰতি কেতিয়াও আগ্ৰহী নাছিলো। কিন্তু এতিয়া ই যেন মোৰ বাবে সম্পূৰ্ণ অসাৰ হৈ পৰিল। মই তাতো নাইবা ঘৰতো আনন্দিত হ'ব পৰা নাছিলো। মই অনুভৱ কৰিবলৈ লৈছিলো যে মোৰ পৰিয়ালটোৱে যেন ইচ্ছাকৃতভাৱেই মোৰ প্ৰকৃত সুখ আৰু আনন্দৰ সুযোগটোক নষ্ট কৰি দিছে। তাৰ পাছত মোৰে সৈতে আমাৰ পৰিয়ালৰ উত্তেজনাৰ চৰম সীমা পাবলৈ সৰহ দিন নালাগিল।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

এদিনাখন বিদ্যালয় চলি থাকোঁতে মই এটা পিৰিয়ডত মনে মনে ওলাই আহিছিলো আৰু মোৰ ককায়ো সেই সময়ত অনাকাংক্ষিতভাৱে ঘৰলৈ বুলি আহি আছিল আৰু মোক ওচৰৰে চাহ দোকান এখনত পালে। এই দোকানবোৰ গল্প-গুজৱ কৰি এনেয়ে আড্ডা মাৰি থকা ৰাজহুৱা ঠাই আছিল। মই কিন্তু তাতে বহি মানুহবিলাকলৈ চায়েই আৰু কথাবোৰ শুনি উপভোগ কৰিছিলো। হঠাতে মই চঁক খাই উঠিলো। মোৰ ওচৰতে মোৰ ককাই থিয় হৈ আছিল। তেওঁ দৃঢ়ভাৱে জানিবলৈ বিচাৰিলে মই সেই সময়ত বিদ্যালয়ত নাথাকি চাহৰ দোকানত কিয় আছোঁ। অৱশ্যে মোৰ ওচৰত কোনো সন্তোষজনক উত্তৰ নাছিল আৰু তেওঁৰ ভীষণ খং উঠিছিল। তেওঁ চাহৰ দোকানত কাম কৰি থকা সাত বা আঁঠ বছৰীয়া ল'ৰা এটি দেখিলে আৰু তাৰে উপমা দি মোক ৰাজহুৱাভাৱে লাজ আৰু অপমান দিবলৈ নেৰিলে। মোৰ ককায়ে সেই ল'ৰাজনক মাতি আনি প্ৰশ্ন সুধিবলৈ ধৰিলে। শিশু শ্ৰমিক নিষিদ্ধ নাছিল নাইবা শিক্ষা গ্ৰহণো বাধ্যতামূলক নাছিল, সেয়ে শিশুবোৰক কাম কৰা দেখাটো অস্বাভাৱিক নাছিল। তাৰ দশাটো মই পোৱা সুবিধাসমূহৰ সম্পূৰ্ণ বিপৰীত ধৰণৰ আছিল।

"ছনী," মোৰ ককায়ে তাক সুধিলে, "কামত হাত দিবলৈ তুমি পুৱা কেইবজাত উঠা?"

"মই পুৱা তিনি বজাতে উঠো আৰু ৰাতি দমাই থোৱা লেতেৰা থাল-বাচনবোৰ চাফা কৰোঁ। তাৰ পাছত পুৱাৰ জলপানৰ কাৰণে ৰন্ধা পুৰি আৰু হালুৱাৰ পাত্ৰবিলাক ধোওঁ আৰু তাৰ পাছত গোটেই দিনটো মই মালিকৰ লগতে থাকোঁ।"

"তুমি ৰাতি কিমান সময়ত শুবলৈ যোৱা?"

"এঘাৰ বজাৰ আগতে কেতিয়াও শুবলৈ নাপাওঁ।"

মোৰ ককায়ে মোৰ ফাললৈ ঘূৰিলে, খঙৰ ভমকত তেওঁৰ দুচকুত যেন জুইহে জ্বলিছিল আৰু কৈছিল, "এই ল'ৰাটিলৈ চোৱা, মাকৰ লগ এৰিবলৈ তাৰ বয়সেই হোৱা নাই; সি দিনটোত মাথোন





চাৰিঘণ্টাহে শুবলৈ পায়। সিয়েই তোমাৰ কাৰণে এটা উদাহৰণ আৰু পাঠ হোৱা উচিত। তুমিতো নপঢ়াও আৰু কামো নকৰা। মানুহ হবলৈ শিকা! যিবিলাকে জীৱনত পোৱা সুযোগবোৰক দলিয়াই দিয়ে, সিহঁতৰ কাৰণে জীৱনটো বৰ নিষ্ঠুৰ হৈ পৰে।" তাকে কৈ তেওঁ হঠাতে ঘূৰিল আৰু আঁতৰি গ'ল।

মই বিবুধিত পৰিলোঁ আৰু তাতে থৰ লাগি ৰলোঁ। মই মোৰ এলেহুৱা স্বভাৱৰ মুখামুখি হ'লো আৰু লাজ অনুভৱ কৰিলোঁ। আমাৰ পৰিয়ালটো চহকী আৰু অৱস্থাপন্ন আছিল আৰু ভাল খ্যাতিও আছিল, কিন্তু মই তেওঁলোকৰ শৰীৰত এটা কাঁইটৰ দৰে হৈ যেন অসহনীয় হৈ উঠিছিলো। মোৰ নিৰ্ভৰশীলতা মোৰ ওপৰলৈ আহি পৰিছিল, সেয়ে মই মোৰ ককাইৰ কথাবোৰক ব্যক্তিগত প্ৰত্যাহ্বান হিচাবে লৈছিলো আৰু তেতিয়াৰে পৰা মই নিজৰ ওপৰতহে সম্পূৰ্ণ নিৰ্ভৰ কৰি চলিম বুলি সিদ্ধান্ত ল'লো। মই আনৰ অনুগ্ৰহত আৰু জীয়াই নাথাকিম। এই সিদ্ধান্তই কিন্তু বিদ্যালয়ৰ পঢ়া-শুনাৰ প্ৰতি মোক আৰু অধিককৈ জেদী বা আগ্ৰহী কৰি নুতুলিলে। তাৰ পৰিৱৰ্তে মই সকলো কথাতে অসহনীয় হৈহে উঠিলো। মাৰ্চ মাহত প্ৰৱেশিকা পৰীক্ষা হ'ব লগা আছিল। ঠিক তাৰ আগতে মই ঘৰৰ পৰা পলাই গ'লো।

০০০০০০০০০০০০০
০০০০০০০০০০০০০



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

বহুতো নবীৰ দৰে এজনা নবীহে হয়। কিন্তু মানুহে ইন্তেকাল হৈ যোৱা নবীসকলৰ ওচৰত উদ্ধাৰৰ কাৰণে কোনো মোনাজাত নকৰে। বাক্সটাৰে কৰাৰ দৰে কোনো মোনাজাত মই আগতে শুনা নাছিলো। ই বৰ সৰল আছিল, কিন্তু পোনপটীয়া আছিল। আমাৰ নিজৰ চহৰত থাকোতে মই যেতিয়া ডাঙৰ আছিলো, তেতিয়া মই মোৰ বন্ধুবিলাকৰে সৈতে আমেৰিকান মিছন ষ্টেচনলৈ মাজে-সময়ে গৈছিলো। এবাদতৰ পাছত আমি মিছনাৰীজনৰ ঘৰলৈ তেওঁৰ পত্নীৰে সৈতে কোৰাছ গীত গাই আৰু তাত থকা খেলনাবোৰ খেলি খেলি আমি বৰ মজা পাইছিলে। কিন্তু সেই এবাদতৰ সময়বোৰত মিছনাৰীজনে কি কি কৈছিল আৰু কি মোনাজাত কৰিছিল আমি একোকে বুজা নাছিলো। তেওঁ বৰকৈ চিয়ঁৰিছিল। কিন্তু বাক্সটাৰে হলে, যেন কাষতে বৈ থকা বন্ধুৰে সৈতেহে কথা পাতিছিল, তেনেকৈ মোনাজাত কৰিছিল। তেনেকৈ বুজি পোৱাত বৰ সহজ হৈছিল। এইদৰে মোনাজাত কৰাটো সঁচাকৈয়ে সম্ভৱ নে?

oooooooooooo





“পাছৰ বাৰৰ পৰা” তেওঁ কৈছিল, “এনে অপমানজনক ভাষা ব্যৱহাৰ নকৰিবা।” মই তেতিয়া হতভম্ব হৈ পৰিলোঁ।

যি কি নহওক, তাতোকৈ ডাঙৰ সমস্যাবোৰে মোক অশান্তি দি আছিল। বৃটিছসকলক দিয়া অগ্ৰাধিকাৰৰ সুবিধাবোৰৰ কাৰণে মই বৰ ত্যক্ত হৈছিলোঁ। তেওঁলোকৰ জীৱনবোৰক মূল্য দিয়া হৈছিল, অথচ ভাৰতীয়সকলৰ জীৱনবোৰক মূল্যহীন আৰু অতিকৈ অৱজ্ঞা কৰা হৈছিল। এই কথাবোৰে ভাৰতীয় আৰু বৃটিছ বিষয়াসকলৰ মাজত একেই পদবীৰ হ'লেও বিৰাট এটা ব্যৱধান আনি দিছিল। জাতিগত বৈষম্য ভাৱবোৰ সকলোতে বিয়পি পৰিছিল। ভাৰতীয়সকলৰে সৈতে সামাজিক ধৰণে মিলা-মিছা কৰিবলৈ বৃটিছসকলে অকণো চেষ্টা কৰা নাছিল। অনেকে বিশ্বাস কৰিছিল যে হিমালয়ৰ বিখ্যাত পাহাৰীয়া ঠাই চিমলালৈ যোৱাটো এটা অতি আনন্দদায়ক কথা আছিল, কিন্তু তাত কেৱল গৰমৰ পৰাই হাত সাৰিব নোৱাৰি, বৰং স্থানীয় বাসিন্দাৰ পৰাও আঁতৰি থাকিব পাৰি।

এনে ধৰণৰ মনোভাৱটো মোৰ এজন অন্তৰংগ বন্ধু স্কোৱাড্ৰন লিডাৰ সুৰিন্দৰ সিঙৰ ক্ষেত্ৰত হোৱা এটা বিষাদজনক ঘটনাৰ ফলত এবাৰ প্ৰকাশ পাইছিল। এটা নিৰ্দিষ্ট ব'মত হোৱা এক বিজুতিৰ কাৰণে আমাৰ এৰিয়া কমাণ্ডাৰজনে কেইবাবাৰো তেওঁক জাননী দিছিল। এদিনাখন তেওঁ আমাৰ কাৰখানালৈ এনে এটা হুকুম পঠিয়ালে যে সেই প্ৰতিবেদনবোৰৰ কাৰণে সুৰিন্দৰ সিঙে অকলে নিজাকৈ এখন এয়াৰ ক্ৰাফ্ট্ বিমানৰ উৰণ পৰীক্ষা কৰিব লাগে। সুৰিন্দৰো যাবলৈ সাজু হৈছিল, কিন্তু শংকিত মনেৰে গৈছিল। তেওঁ এয়াৰ ক্ৰাফ্ট্খন লৈ নিৰ্দিষ্ট কৰি দিয়া দিশটোৰে উৰি গৈছিল। পোন্ধৰ মিনিটমানৰ পাছতেই তেওঁৰে সৈতে আমাৰ অনাতাঁৰ যোগাযোগ বিচ্ছিন্ন হৈ পৰিছিল। তাৰ পোন্ধৰ মিনিটমানৰ পাছতেই আমি দেখিছিলো যে উৰা জাহাজ এখন বংগোপ সাগৰৰ ওপৰেদি আহি আছে। সেইখন সুৰিন্দৰেই আনি আছিল। তেওঁক আঁৰ কৰিবলৈ স্থল বাহিনীক সতৰ্ক কৰি দিয়া হোৱা নাছিল আৰু সেয়ে জাপানী সৈন্যই গুলিয়াই তেওঁৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

চকু এটা আৰু মুখমণ্ডৰ এফাল উৰুৱাই দিছিল।

বংগ ৰাজ্যত দুৰ্ভিক্ষ হোৱাত দ্বিতীয়বাৰ এটা আহুকলীয়া আৰু যাতনাদায়ক পৰিস্থিতিৰ উদ্ভৱ হৈছিল। ইয়ে মানুহৰ চৰম দুষ্টামি প্ৰকাশ কৰি দিছিল। ১৯৪৩-৪৪ চনৰ মাজভাগত পূৱ আৰু পশ্চিম বংগত আৰু দক্ষিণ ভাৰতত হোৱা দুৰ্ভিক্ষত চৰম দুৰ্দশা হৈছিল। আকালৰ পাছতে মহামাৰী হৈছিল, বিশেষকৈ কলেৰা আৰু মেলেৰিয়াই ছানি ধৰিছিল। এই মহামাৰী আন প্ৰদেশবোৰলৈকো অতি সোনকালে বিয়পি পৰিছিল। বেচৰকাৰী সূত্ৰমতে মৃত্যুৰ সংখ্যা ৩,৪০০,০০০ লৈকে হৈছিল, কিন্তু চৰকাৰী দুৰ্ভিক্ষ অনুসন্ধান আয়োগে বংগত হোৱা আকাল আৰু মহামাৰীৰ ফলস্বৰূপে হোৱা মৃত্যুৰ সংখ্যা ১,৫০০,০০০ হে হৈছিল বুলি ঘোষণা কৰিছিল। সঠিক সংখ্যাটো যিয়েই নহওক লাগিলে প্ৰতিদিনে হাজাৰ হাজাৰ মানুহ যে মৃত্যুমুখত পৰিছিল তাত কাৰো সন্দেহ নাছিল। আকালৰ এই বিষাদজনক অৱস্থাটো প্ৰতিৰোধ কৰিব পৰা গ'লহেঁতেন, কিন্তু কৰ্তৃপক্ষই উদাসীনতা আৰু এলাহৰ ভাৱহে যেন প্ৰকাশ কৰি দেখুৱাইছিল। দুৰ্ভিক্ষপীড়িত অঞ্চলৰ পৰা ওলাই অহা ভয়লগা বৰ্ণনাবোৰ মানুহে বিশ্বাস কৰিবলৈ টান আছিল। প্ৰশাসনত থকা কোনো কোনো বিষয়াই পৰিস্থিতিটোৰ বৰ্ণনা নাটকীয় কৰি তোলা হৈছে বুলি সাংবাদিকসকলক দোষাৰোপ কৰিছিল। কিন্তু এটা সময় আহিছিল যেতিয়া এই প্ৰতিবেদনবোৰ আৰু অস্বীকাৰ কৰিব পৰা নগৈছিল, তেতিয়া সাহায্য দিয়া কথাটোৰ পৰা মানুহৰ মনোযোগ আঁতৰাবলৈ আৰু নিজৰ নিৰ্দোষিতা সাব্যস্ত কৰিবলৈ পৰস্পৰে পৰস্পৰক দোষাৰোপ কৰাৰ বিতৰ্ক আৰম্ভ হৈ গৈছিল। হাজাৰ-হাজাৰ মানুহ সদায়েই মৰিছিল, তথাপি চৰকাৰী গোদাম ঘৰবোৰত ৰেচনবোৰ পচিবলৈ ধৰিছিল। সেই দিনবোৰত মেলেৰিয়া আছিল প্ৰাণনাশক ৰোগ। কিন্তু আমাৰ চিকিৎসাৰ গুদামবোৰত মেলেৰিয়া প্ৰতিষেধক ঔষধবোৰ ব্যৱহাৰ নোহোৱাকৈ আছিল। মোৰ চাৰিওফালে বেৰহম ব্যৱহাৰ আৰু আচৰণ দেখি হতাশ আৰু চিন্তিত হৈ মই ৰেচন ডেপোবোৰৰ পৰা চাহপাত, চেনী, চাউল আৰু মচুৰমাহ উলিয়াই আনিছিলো আৰু





উঠিছিল। তেওঁৰ মোনাজাতৰ বাক্যবোৰ এতিয়াও মোৰ কাণত বাজি আছে ঃ

**"হে খোদাবন্দ ঈছা, তোমাৰ শক্তি আৰু পৰাক্ৰম আজি জাহিৰ কৰা। এই সৰুবিলাকৰ আগত তুমিয়েই যে সঁচা তাক প্ৰমাণ কৰা। তেওঁলোকৰ পিতৃ-মাতৃৰ কাৰণে আৰু তেওঁলোকৰ আপোনজনৰ কাৰণে তেওঁলোকৰ জীৱনটো এই আক্ৰমণবোৰৰ পৰা ৰক্ষা কৰা। এই মানুহবোৰক জানিবলৈ দিয়া যে তুমি কেৱল মানুহৰ শৰীৰটোকে ৰক্ষা নকৰা, কিন্তু তেওঁলোকৰ ৰূপটোকো ধ্বংস হোৱাৰ পৰা ৰক্ষা কৰিব পাৰা। আমিন।"**

বাক্সটাৰে মোনাজাত কৰি থাকোঁতে এবাদতগাহটোত এটা আচৰিত পৰিৱৰ্তন হৈছিল। প্ৰতিজনেই সম্পূৰ্ণভাৱে নীৰৱ হৈ আছিল। আক্ৰমণ কৰা বিদেশীবিলাকো যেন থমকি ৰৈছিল। আমি বাহিৰৰ একো শব্দকে শুনিবলৈ পোৱা নাছিলো। আমি মাত্ৰ তম্বু এটাৰ ভিতৰতহে আছো তথাপিও তাৰ ওপৰত যেন কোনোবাই নীৰৱতাৰ ডাৱৰ এচপৰাৰে ঢাকি থৈছে। আমি যেতিয়া তম্বুটোৰ পৰা ওলাই আহিলো বাহিৰৰ দৃশ্যবোৰ দেখি ভয়তে মুখৰ মাত সৰিল। মানুহৰ শৰীৰৰ টুকুৰাবোৰ চাৰিওফালে সিঁচৰিত হৈ আছে। খাৱৈটোৰ সিপাৰে থকা ইউনিটটোক কেইবাটাও বোমাই জোকাৰি গ'ল। অন্তৰ কঁপাই যোৱা ডেকা মানুহবোৰৰ কেঁকনি-গেঙনিবোৰ আমাৰ কাণত পৰিল। প্ৰধান ভজনালয়টোৰ পাছফালে থকা খালটোতো বোমা আহি পৰিছিল আৰু তাৰ পানীবোৰ উতলি আছিল। বোকাবোৰ ওলাই আহি পাৰৰফালে বৈ আহিছিল আৰু চাৰিওফালে ধুৱঁলি-কুঁৱলি হৈ আছিল। এই ধ্বংসবিলাকৰ মাজতো আমি নিৰাপদে আছিলো। আমাৰ মূৰ ঘূৰাই গৈছিল আৰু বৰ ভয় খাইছিলো, কিন্তু এটা কথা স্বীকাৰ নকৰি নোৱাৰিছিলো যে বাক্সটাৰৰ ঈছা মছীহজনা জীৱিত খোদাবন্দ হয়। তেওঁ মোনাজাতবোৰ শুনে আৰু তেওঁৰ বান্দাবিলাকক ৰক্ষাও কৰে।

মই ভাবি আচৰিত হৈছিলো যে এই ঈছা মছীহজনানো কোন হয়! মই কোৰাণৰ পৰা যি জানিছিলো সেইমতে তেওঁ মাথোন আন



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

নিজৰ পকেটৰ পৰা ব্লেড উলিয়াই দিছিল, যাতে তেওঁলোকে গৈ দাড়ি খুৰাই আহিব পাৰে।

যি কি নহওঁক, আক্ৰমণৰ সময়ত তেওঁ দেখুউৱা আচৰণবোৰে মোৰ মনত বাক্সটাৰ সম্বন্ধে বৰকৈ সাঁচ বহুৱাইছিল। তেওঁ থকা সময়ত যদিহে জাপানী সৈন্যই বোমাৰে আক্ৰমণ কৰিছিল, আশ্ৰয়ৰ বাবে খান্দি সাজু কৰি থোৱা গাঁতত সোমোৱাতকৈ আটাই মানুহবোৰক তেওঁ কৈছিল, "বোপাহঁত আঁহা, আমি ভজনালয়লৈ যাওঁ।" উপাসনাৰ বাবে ব্যৱহাৰ কৰা ভজনালয়টো আছিল এটা মাত্ৰ তম্বু ঘৰহে। আমি সাধাৰণতে তেওঁৰ কথাই মানিছিলো। সেই সৰু এবাদত গৃহত থাকোতে তেওঁ নিজেই সকলো মোনাজাত কৰিছিল। তেওঁ শেষ কৰাৰ সময়ত আমি মাত্ৰ "আমিন" বুলি কব লগা হৈছিল। এইদৰে দিনত দুই তিনিবাৰকৈ হৈছিল। এদিনাখন ওপৰা-ওপৰিকৈ আক্ৰমণ চলিছিল। আকাশখন উৰাজাহাজেৰে ভৰি গৈছিল আৰু আমি দৌৰি দৌৰি গাতত সোমাইছিলোগৈ। মওতৰ পৰা হাত সৰাৰ যেন উপায় নাছিল। বাক্সটাৰে চিয়ঁৰি কৈছিল, "ল'ৰাহঁত তোমালোকে দৌৰি গৈ গাঁতত সোমালে একো লাভ নহ'ব। তোমালোক তাত নিৰাপদে থাকিব নোৱাৰিবা। আমি আমাৰ ইউনিটৰ এবাদতখানালৈকে যাওঁ বলা।" এনেকুৱা এটা নিৰ্বোধ হুকুম শুনি আমি হতভম্ব হৈ পৰিছিলোঁ। সৰু-সুৰা আক্ৰমণ হ'লে এবাদতখানালৈ যোৱাটো ঠিকেই আছে, কিন্তু এনে এটা সময়ত ই বলিয়ালিৰ নিচিনাই হ'ব। তথাপিও বাক্সটাৰৰ মাতত এটা কৰ্তৃত্বৰ সুৰ আছিল আৰু কণ্ঠত আছিল তেওঁৰ আশ্বাস। তেওঁ কৈছিল, "মই মাবুদ ঈছা মছীহৰ ওচৰত মোনাজাত কৰিবলৈ যাওঁ। তোমালোকে তেওঁৰ ওপৰত ঈমান আনিব নালাগে নাইবা একো কৰিবও নালাগে; মাত্ৰ মই শেষ কৰোতে তোমালোকে আমিন বুলি ক'বা।" আমি মনৰ দোমোজাত আছিলো যদিও তেওঁৰ হুকুম মানি তেওঁৰে সৈতে সেই তম্বুটোত সোমাইছিলো। আমি গৈ বহিছিলো আৰু এনে বিপদৰ সময়ত এই ধৰণৰ কাম-কাজ দেখি বৰ আচৰিত হৈছিলো। বাক্সটাৰে মোনাজাত কৰিবলৈ ধৰোতে মাজে মাজে উচুপি





অভাৱত পৰাবিলাকক বিনামূলীয়াকৈ ভগাই দিছিলো। মই কিছু মেলেৰিয়া প্ৰতিষেধক ঔষধো বিলাই দিছিলো।

সময় ইমানেই বেয়া হৈছিলগৈ যে এনেকি সকলো ধৰণৰ ধন-সম্পত্তিৰেও ধনৱান ভাৰতীয়সকলে নিজৰ নিমিত্তে আহাৰ কিনিব পৰা নাছিল। অভাৱ পূৰণ কৰিবৰ কাৰণে মানুহবোৰে নিজৰ জীয়াৰীবোৰৰ কুমাৰীত্বও বিনিময় কৰিছিল। অৱশ্যে কিছুমানে তেওঁলোকৰেই সমগোত্ৰীয় মানুহক শোষণ কৰিবলৈ এই সুযোগ লৈছিল, তেওঁলোকে মেলেৰিয়া প্ৰতিষেধক পিলবোৰৰ প্ৰতিটোতে এটকাকৈ লৈ বেচিছিল! এনে কিছুমান মানুহো আছে যাৰ মনত মানৱীয় কোনো দুৰ্দশাই দয়া নোপজাই আৰু টলাব নোৱাৰে। দুৰ্ভিক্ষ যেতিয়া আকাশলঙ্ঘী হৈছিল আৰু মহামাৰীয়ে যেতিয়া নিৰ্বিচাৰে প্ৰাণ লৈছিল, তেতিয়া কলিকতাত থকা ইংৰাজ আৰু বিত্তশালী ভাৰতীয়ৰ মাজত সদায়েই প্ৰতিদ্বন্দিতা আৰু শত্ৰুতা বৃদ্ধি পাই আহিছিল। সিহঁত তেতিয়া লাপি-লুপা কাঁজিয়া আৰু আমোদ-প্ৰমোদত এনেকৈ দিন কটাইছিল যেন ক'তোৰেই একো হোৱা নাই।

এই সকলোবোৰ ঘটনাই মোৰ মনটো অশান্ত কৰি তুলিছিল আৰু মোৰ চাৰিওফালে হৈ থকা ঘটনাবোৰৰ কাৰণে মই মাত্ৰ আৱেগিক ভাৱেহে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব পাৰিছিলো। মোৰ ডেকাকালৰ বছৰবোৰ যেন সোনকালে পাৰ হৈ গৈছিল আৰু এনেকুৱা পৰিৱেশত থাকি মই যেন সময়তকৈও আগেয়ে পৰিপক্ক হৈ উঠিছিলো। এবাৰ মই আৰু পূৰণ নামৰ মোৰ সহকৰ্মী ভাৰতীয় বিষয়া এজনে পথত দিশহাৰা হৈ ঘূৰি থকা দুজন ল'ৰাক তুলি আনি আমাৰ শিবিৰত ৰাখিছিলো। আমি সিহঁতক ছমাহ ধৰি লুকুৱাই ৰাখিছিলো। আমাৰ কমাণ্ডিং বিষয়াজনে এই কথাটো জনাৰ পাছত আমাক অতি কঠোৰভাৱে তিৰস্কাৰ কৰি শাস্তি দিছিল। মই আৰু মোৰ সহকৰ্মীজনে অৱশ্যে এই শিশুবিলাকৰ জীৱনবোৰ বচাবলৈ যি কোনো মূল্য দিবলৈ সাজু আছিলো। কিন্তু তেওঁলোকে সিহঁতক পশ্চিমবংগৰ ভিতৰুৱা ঠাই এখনৰ আশ্ৰয় শিবিৰলৈ সিহঁতক পঠিয়াই দি দায় সাৰিছিল। আমি



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

আশা কৰিছিলো যে সিহঁতক হয়তো তাত সহায় কৰিবলৈ ওচৰৰে কোনো মৰমীয়াল মানুহ ওলাব, কিয়নো আমি আৰু সিহঁতক সহায় কৰি থকাটো সম্ভৱ নাছিল।

মোৰ আবেগবোৰক চেপি ৰখাটো যে কিমান টান হৈ পৰিছিল! ইয়াত জীৱনবোৰকনো ইমান সস্তীয়া মূল্য কিয় দিয়া হয়? মানুহৰ জীৱনক নো কেনেকৈ মূল্যাংকন কৰা হয়? কোনোৱে বাৰু প্ৰকৃততে এইবোৰ চিন্তা নকৰেনে? আল্লাহ যদি সঁচাকৈ আছে, তেন্তে ইমানবোৰ ঘটনা ঘটি থাকোতে তেওঁনো ক'ত লুকাল? এইবোৰ প্ৰশ্নকেই মই নিজকে সুধি আছিলো। কিন্তু সোনকালেই আন্ধাৰৰ মাজতো মই এক জ্যোতি আৱিষ্কাৰ কৰিছিলো। এইটো সঁচা যে ভাৰতীয়সকলৰ প্ৰতি বৃটিছ বিষয়াসকলৰ দমনমূলক আচৰণটো দম্ভালি মৰা শ্ৰেষ্ঠতাৰ এক নিদৰ্শন আছিল, যিটোৱে কেতিয়াবা নিষ্ঠুৰতালৈ গতি কৰিছিল; তথাপিও তাৰে মাজতো এনে কোনো লোক আছিল, যিবিলাকৰ জীৱনটো মৰম, দয়া আৰু সাধুতাৰ উদাহৰণেৰে জিলিকি উঠিছিল। এই খ্ৰীষ্টিয়ানসকলে তেওঁলোকৰ খোদাবন্ধ ঈচ্ছা মছীহক অনুসৰণ আৰু অনুকৰণ কৰিবলৈ বিচাৰিছিল আৰু তেওঁলোকেই খোদাৰ মহব্বত আৰু নূৰক জাহিৰ কৰিছিল। তেওঁলোকৰ আৰ্হিবোৰে মোৰ মনত কঠীয়াস্বৰূপ গুটি সিঁচিছিল আৰু যিয়ে পাছত অংকুৰিত হৈ বৃদ্ধি পাই মোৰ মন পালটনৰ কাৰণে এপাহি ফুল ফুলাই তুলিছিল।

এনে এজন মানুহ হ'ল কেপ্তেইন বাক্সটাৰ। আমাৰ বিভাগত বদলি হৈ অহা তেওঁ এজন ডেকা-বিষয়া। আন বৃটিছসকলৰ দৰেই তেৰোঁ গহীন-গম্ভীৰ আছিল, কিন্তু তেওঁ বহল মনৰ আছিল। তলতীয়া কৰ্মচাৰীৰ লগত ব্যৱহাৰ কৰোঁতে তেওঁনো কেনেকুৱা তাক আমি স্পষ্টভাৱে দেখিছিলো। তেওঁ ভাৰতীয় বিষয়াসকলৰ পক্ষও লোৱা নাছিল নাইবা তেওঁলোকক লঘু কৰিও চোৱা নাছিল। তেওঁ আমাৰ কল্যাণৰ কাৰণে যত্ন লৈছিল। এটা সময়ত ভাৰতীয় কৰ্মচাৰীসকলে পৃথকে ৰান্ধি খোৱাৰ কাৰণে অনুৰোধ জনাইছিল। মুছলমানসকলৰ আহাৰ বিশেষ যত্নৰে প্ৰস্তুত কৰিবলগা হয় আৰু ভালদৰে ৰান্ধিবলৈ





বিশেষ বিশেষ পাত্ৰৰো প্ৰয়োজন হয়। নতুনকৈ অহা ঘৰটোত চুল্লাৰ (মাটিৰে বনোৱা এবিধ জুইশাল) প্ৰয়োজন বৰ বেছি আছিল। এইবিলাকৰ কাৰণে আমাক অনুমতি দিছিল যদিও আমি যি অৱস্থাত আছিলো তাত আমাৰ এই অতি আৱশ্যকীয় দিশবোৰ পূৰণ কৰিবলৈ বহু অসুবিধাও আছিল। এদিনাখন মই কাৰখানাৰ পৰা ঘূৰি আহি যি দেখিছিলো, তাতে ইমান বিস্মিত আৰু আনন্দিত হৈছিলো যে আপুনি তাক কল্পনাই কৰিব নোৱাৰিব। মই দেখিছিলো যে বাক্সটাৰে নিজেই হাতত এখন নিৰ্দেশনামাৰ কিতাপ লৈ জুইশালটো তৈয়াৰ কৰিবলৈ চেষ্টা চলাই আছিল। তেওঁৰ প্ৰতি মোৰ শ্ৰদ্ধা আৰু প্ৰশংসা বাঢ়ি গৈছিল। তেওঁ কাম কৰি থকাটো চাই থাকোঁতে তেওঁৰ দিলত যে আনৰ প্ৰতি বেছি মহব্বত আছিল তাক বুজি পাইছিলো। সেয়া তেওঁ নিজ হাতেৰে আমাৰ কাৰণে এটি চুল্লা তৈয়াৰ কৰিবলৈ চেষ্টা কৰি আছে! তেওঁ আমাৰ অনুৰোধৰ প্ৰকৃতিটোৰ শলাগ লৈছিল আৰু সেয়া যেন হৈ উঠে তাৰ বাবে দৃঢ় হৈ আছিল। এইটো এটা সাধাৰণ কথা বা কাম আছিল, কিন্তু ইয়ে মোক গভীৰভাৱে আন্দোলিত কৰিছিল।

মানুহে যেতিয়া একেটা আহাৰকে একেলগে খায় তেতিয়া সেইটো বন্ধুত্বৰ আৰু গ্ৰহণযোগ্যতাৰ নিদৰ্শন হৈ পৰে। মানুহে জানে যে তেওঁলোকক ভোজনৰ কাৰণে দাৱাত কৰিলে গৃহস্থৰ লগতে বহি খাবলৈ আদৰণি জনোৱা হয়। বাক্সটাৰে সদায়েই পুৱা আমাৰে সৈতে পুৱাৰ জলপান খাইছিল। যিটো কাম আন বৃটিছ বিষয়াসকলে কেতিয়াও নকৰিলেহেঁতেন। এইবোৰ দেখাত সাধাৰণ কথা যেন লাগিলেও বিদেশীৰ অধীনত আমি বাস কৰি থকা অৱস্থাত ই আছিল হৃদয়স্পৰ্শী ধৰণৰ। এয়া আছিল প্ৰকৃত বন্ধুত্বৰ এক আৰ্হি আৰু আমি আটায়ে তালৈ তপত সহাৰি জনাইছিলো।

তুচ্ছ ধৰণৰ দোষ-ক্ৰুটি দেখিলে তেওঁ নিজৰ মানুহবোৰক গালি-শপনি নাপাৰিছিল যদিহে সেই ক্ষেত্ৰত শুধৰণি দিলেই যথেষ্ট হয়। উদাহৰণস্বৰূপে, এদিনাখন কেইজনমান ডেকাই দাঢ়ি নুখুৰোৱাকৈয়ে জলপান খাবলৈ আহিছিল। তেওঁলোকক গালি পৰাৰ সলনি বাক্সটাৰে



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

ধাৰণাবোৰৰ মাজতে এটা চিয়ঁৰ ডাঙৰকৈ আৰু স্পষ্টভাৱে শুনা গৈছিল যে মুছলমাসকলে নিজৰ দেশ পাকিস্তানখন পাবই লাগিব। এইদৰে জাতীয়তাবাদী প্ৰচাৰে মুছলমানসকলৰ কল্পনাটোক প্ৰজ্বলিত কৰি তুলিছিল। ইয়াৰ বাদেও ধৰ্মীয় অনুভূতিয়েও ৰাজনৈতিক ক্ষেত্ৰখনক উত্তপ্ত কৰি তুলিছিল। আগতে হিন্দু আৰু মুছলমানসকলৰ সাংস্কৃতিক পৰম্পৰাই দুয়োটা পক্ষকেই শান্তিৰে বসবাস কৰাত সমল যোগাইছিল। কিন্তু এতিয়া জাতীয়তাবাদৰ সৈতে সাঙোৰ খাই যোৱা তেওঁলোকৰ বিশ্বাসটো উজুটি খোৱা মূঢ়া হৈ পৰিছিল আৰু তেওঁলোক পুনৰাই যুক্ত হ'ব নোৱাৰাকৈ বিভক্ত হৈ পৰিছিল।

দেশখনত শান্তি স্থাপন কৰিবলৈ দেশৰ আৰক্ষীক সহায় কৰিবলৈ বৃটিছ সৈন্যৰ সহায় লোৱা লৈছিল। মই এই কামত কম সময়ৰ বাবেহে নিযুক্ত হৈছিলো। বাক্সটাৰো আমাৰ লগত নাছিল। তেওঁক আন এটা ষ্টেচনলৈ বদলি কৰা হৈছিল। এদিনাখন ৰাতিৰ সাজ খোৱাৰ পাছত মোক গ্ৰেপ্তাৰ কৰা হৈছিল। তাৰ পাছদিনাখন মোক ছিংগাপুৰৰ ওচৰত থকা বালা নাকামাট্টি নামৰ ইণ্ডোচাইনিজ দ্বীপ এটালৈ লৈ যোৱা হৈছিল। মোৰ বিৰুদ্ধে থকা অভিযোগৰ কোনো ধাৰণা মোৰ নাছিল, কিন্তু অতি সোনকালেই মই জানিব পাৰিছিলো যে তেওঁলোক ভাৰতৰ সৈন্যবাহিনীৰে সৈতে সম্পৰ্ক থকা লোক আছিল। এসপ্তাহৰ পাছত মোৰ অভিযোগনামাখন আহি পাইছিল। তাত এই অভিযোগবোৰ লিখা আছিলঃ-

১) মই বাঙালী মানুহ এজনক ৰেচন বিক্ৰি কৰোতে ধৰা পৰিছিলো আৰু ইউনিট গাৰ্ডজনে হুইচেল বজোৱাৰ আগতেই মই তেওঁক ৰিভলভাৰ এটাৰে গুলিয়াই মাৰিলো।

২) মই আৰু কৰ্পৰেল্ ইজ্হাকে চৰকাৰী ইউনিফৰ্ম পিন্ধি থকা অৱস্থাত মহাত্মা গান্ধীক অভিবাদন জনাই ফুলৰ মালা পিন্ধাইছিলো।

৩) মহম্মদ আলি জিন্নাৰ ৰাজনৈতিক সভা এখনত মোক আৰু ছাৰ্জেণ্ট আছ্লামক বিদ্ৰোহৰ উচটনি দিব পৰা ধৰণৰ ভাষণ দিয়া শুনা গৈছিল।



# ভিতৰে-বাহিৰে এক যুদ্ধ

জাপানীবিলাকৰ বোমা আক্ৰমণ অন্ত পৰাৰ কিছুদিন পাছত মই পুনৰ বিমানৰ মেকানিক হিচাবে কাম আৰম্ভ কৰিলো। কিন্তু মোৰ মৃত্যু হ'ব লগা দুৰ্ঘটনা এটাত পৰা কাৰণে মোৰ কাম বন্ধ হৈ গৈছিল। আমি এটা ধ্বংসপ্ৰাপ্ত এয়াৰক্ৰাফ্ট্ মেৰামতি কৰি আছিলো আৰু তাৰ অংশবোৰ লগাই দিয়াৰ পাছত পৰীক্ষা কৰিছিলো। এদিনাখন মই আমাৰ কমাণ্ডিং বিষয়াৰ পৰা এখনি বিশেষ জাহাজ পৰীক্ষা কৰি চাবৰ কাৰণে হুকুম পালো, কাৰণ সেইখনৰ মেৰামতিবোৰ সন্তোষজনক হোৱা নাছিল আৰু তাৰ যোগাযোগৰ ব্যৱস্থাটো ভালদৰে কাম কৰা নাছিল। সেই সময়ত মোৰ বন্ধু এজনে আগতে বিমানৰ উৰণ পৰীক্ষা কৰোতে কেনেকৈ তেওঁৰ মুখমণ্ডলৰ অৰ্দ্ধেক উৰুৱাই দিয়া হৈছিল সেই কথা মোৰ মনত পৰিছিল। কিন্তু মই হুকুম মানিবই লাগিব, সেয়ে মই মোৰ বন্ধু এজনৰে সৈতে বিমানত উঠি বহিলো। আমাক উৰণ পৰীক্ষা কৰি ঘুৰি আহিবলৈ তেত্ৰিছ মিনিট দিয়া হৈছিল। কাৰখানাটোৰ পৰা ত্ৰিছ মাইল আঁতৰলৈ যাওঁতে মই তলৰ পৰা এটা খুন্দা খাইছিলো। মোৰ বন্ধু পুট্ৰনে মোক পায়লটৰ আসনৰ পৰা ঠেলি আঁতৰাই নিজেই নিয়ন্ত্ৰণ কৰিবলৈ বহি গ'ল। আমি নিৰাপদে অৱতৰণ কৰিব পাৰিলো যদিও মোক ৫৬ নং ইণ্ডিয়ান জেনেৰেল হস্পিটাললৈ নিয়া হ'ল। মোৰ মুখৰ সোঁফালে বৰ বেয়াকৈ পুৰি গৈছিল।

তাত মোক প্ৰথমতে প্ৰাথমিক চিকিৎসা দিয়া হৈছিল। কিনো হৈছিল মই ভালদৰে জনা নাছিলো, কিন্তু বুজিছিলো যে মোক তাত ভৰ্তি কৰোৱাবলৈ কিছু সমস্যাৰ সৃষ্টি হৈছে। বৃটিছ বিষয়াসকলৰ নিমিত্তে সংৰক্ষিত এটা ৱাৰ্ডত দুদিন আগতে বোমা এটা পৰিছিল। ষ্ট্ৰেচাৰত অৰ্দ্ধ অচেতন হৈ পৰি থাকোতে মই দুগৰাকী নাৰ্চৰে সৈতে জ্যেষ্ঠ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

চিকিৎসা বিষয়া এজনে কথা পাতি থকা শুনিছিলো। যেতিয়া মোক লৈ কি কৰা যাব বুলি নাৰ্চ দুগৰাকীয়ে তেওঁক সুধিছিল, তেতিয়া তেওঁ RAF কৰ্মচাৰী হোৱা হেতুকে মোক সাধাৰণ ৱাৰ্ডত ভৰ্তি কৰাব নোৱাৰিব বুলি বাৰে বাৰে ওজৰ-আপত্তি দেখুৱাইছিল। নাৰ্চ দুগৰাকী দুঃখিত হৈছিল, কিয়নো তেওঁলোকে মোৰ আঘাতৰ চৰম দুৰ্দশাটো বুজিছিল। তেওঁলোকৰ এগৰাকীয়ে বিষয়া এজনক সুধিছিল, “পদবী আৰু জীৱনৰ ভিতৰত কোনটো বেছি দৰকাৰী?” কিন্তু তেওঁলোকে মোক ভৰ্তি কৰোৱা ক্ষেত্ৰত সফল হ’ব নোৱাৰিলে। উপায় নাপাই তেওঁলোকে মোক নাৰ্চৰ কোৱাৰ্টাৰতে নিজৰ দায়িত্বত ৰাখি খেদ্‌মত কৰিবলৈ মোলৈ ৰহম কৰিলে।

মই ক’ত আছিলো মই দেখা নাছিলো, কিয়নো মোৰ দুয়োটা চকুতে বেণ্ডেজ বন্ধা আছিল। আনে কথা পতাবোৰ শুনিয়েই মই মোৰ আঘাতৰ কথাটো অনুমান কৰিব পাৰিছিলো। প্ৰায় বিশ দিন মই সেই কোঠাতে পৰি আছিলো, কিন্তু মোক অৱহেলা কৰা হোৱা নাছিল; মোৰ দুগৰাকী “ফিৰিস্তাই” মোক চোৱা-চিতা কৰি আছিল। তেওঁলোকৰ নিজৰ হাতেৰে মোক খুৱাই দিছিল আৰু মোৰ প্ৰয়োজনবোৰ পূৰণ কৰিছিল। চিকিৎসাৰ প্ৰয়োজনত মই কি কি পাইছিলো মোৰ মনত নাই। মই মাত্ৰ জানিছিলো যে মই মোৰ সোঁ চকুটোৰে তেতিয়াৰে পৰাই ভালদৰে দেখা পোৱা নাছিলো।

এদিনাখন পুৱা যেতিয়া মই বিদায় লৈ আহিব লাগে, তেতিয়া সেই দুগৰাকী নাৰ্চে মোৰ কোঠালৈ সোমাই আহি তেওঁলোকৰ পৰিচয় দিছিল। তেওঁলোক হ’ল, আম্বেৰ আৰু মেৰী নামৰ দুগৰাকী ভাৰতীয় নাৰ্চ। আনবিলাকে মোক লৈ উদাসীন হৈ থাকোতে তেওঁলোকনো কিয় মোক ইমান মহব্বত দেখুৱালে তাকে জানিবলৈ মই কৌতুহলী হৈ পৰিছিলো। তেওঁলোকৰ উত্তৰ শুনি মোৰ মনটো গভীৰভাৱে আন্দোলিত হৈ পৰিছিল। তেওঁলোকে কৈছিল, “**আপুনি এজন সুদৰ্শন পুৰুষ হোৱা কাৰণে আমি আপোনাক খেদ্‌মত কৰা নাই** (মোৰ চকু বন্ধা আৰু শাৰীৰিক দুৰ্দশাৰ অৱস্থাত তেওঁলোকে মোৰ বিষয়ে





চুইছিল।

ইছলাম ধৰ্মটো এটা নতুন ধৰ্ম নহয়। ই ৭১২ খ্ৰীঃ পূঃত ভাৰতলৈ আহিছিল। মাজে-সময়ে কিবা কাৰণত সৰু-সুৰা সংঘাত হোৱাৰ বাহিৰে ই এই দেশত ভালদৰে প্ৰতিষ্ঠা হৈ থকা হিন্দুধৰ্মী লোকসকলৰে সৈতে সহনশীল হৈ শান্তিপূৰ্ণভাৱে একেলগে বসবাস কৰি আহিছিল। পাছতহে কেৱল খ্ৰীঃ পূঃ ১৫২৬ চনত যেতিয়া জেংঘিজ খানৰ বংশধৰসকলে দিল্লী অধিকাৰ কৰি মোগল সাম্ৰাজ্য প্ৰতিষ্ঠা কৰিছিল, তেতিয়াৰ পৰাহে উত্তৰ ভাৰতত ইছলাম এক ৰাজনৈতিক শক্তিলৈ পৰিণত হৈছিল। মোগলসকলে ইয়াৰ জনসংখ্যাৰ সকলো মানুহকেই ইছলাম ধৰ্মলৈ ধৰ্মান্তৰিত কৰিবলৈ চেষ্টা কৰা নাছিল; তেওঁলোকে তেনেকৈ কৰা হ’লেও ক্ষমতাশালী হিন্দু ব্ৰাহ্মণ শ্ৰেণীটোৱে সেয়া হ’বলৈ নিদিলেহেঁতেন। উচ্চ শ্ৰেণীৰ কিছু মুছলমান লোক মোগলসকলৰ বংশৰ আছিল যদিও ইছলাম ধৰ্মক আদৰি লোৱা সৰহসংখ্যক লোক হিন্দু সমাজৰ নিম্ন শ্ৰেণীৰ পৰা ধৰ্মান্তৰিত হৈছিল। কালক্ৰমত হিন্দু আৰু মুছলমানসকলৰ মাজত পাৰ্থক্য বিচাৰি উলিওৱাটো টান হৈ পৰিছিল। দুয়ো শ্ৰেণীৰ লোককে দৰিদ্ৰ আৰু শোষিতসকলৰ মাজত পোৱা গৈছিল।

শান্তিৰে একেলগে বাস কৰা লোকসমূহে কিয়নো বাৰু অতিকৈ ঘৃণা মনত ওপজালে? ৰাজনৈতিক দৃশ্যপটতে ইয়াৰ উত্তৰ লুকাই আছে। মুছলমানসকলে ভয় কৰিছিল যে আজাদ ভাৰতত হিন্দুৰ আধিপত্যই তেওঁলোকক দুৰ্বল স্থিতিতহে ৰাখিব। হিন্দুসকলে তেওঁলোকক ন্যায়ভাৱে আচৰণ কৰিব বুলি তেওঁলোক পতিয়ন যাব পৰা নাছিল। মুছলমানসকলেও নিজৰ পৰিচয়ৰে এক সুকীয়া চিনাকি দিবলৈ সচেতন হৈ উঠিছিল। তেনেকৈ মুছলমানসকলৰ মধ্যমীয়া শ্ৰেণীটোৱে আত্ম-প্ৰতিষ্ঠা কৰিবলৈ দৃঢ় হৈ পৰিছিল। মুছলমানসকলৰ অধিকাৰক সুৰক্ষা দিবলৈ তেওঁলোকে নিজাকৈ ১৯০৬ চনত মুছলিম লীগ গঠন কৰিছিল আৰু তাৰ ফলত তেওঁলোকৰ প্ৰতি বৃটিছসকলৰ মনোভাৱ সলনি হৈছিল আৰু তেওঁলোক অনুগ্ৰহপ্ৰাপ্ত হৈছিল।

হিন্দু আৰু মুছলমানসকলৰ মনবোৰক ব্যস্ত কৰি ৰখা ৰাজনৈতিক



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

তেওঁলোকে তেওঁক তেওঁলোকৰ জীৱন পৰিচালনা আৰু শাসন কৰিবলৈ সঁপি দিছে; তেওঁলোকে মানৱতাৰ মতবাদৰ ওপৰতহে বিশ্বাস কৰি চলে। এই ভাৱনাবোৰে মোক এক বেলেগ দুনিয়ালৈ লৈ গৈছিল— য'ত মই সপোনতো নভৱাৰ দৰে প্ৰত্যেকেই ইজনে-সিজনৰ প্ৰতি মৰম আৰু যত্ন লয় আৰু চিন্তাও কৰে। ই বাৰু কেনে এক দৰ্শন! কিন্তু এনেবোৰ কথা ভাবি থাকিবলৈ মোৰ বেছি সময় নাছিল। বোধহয় তাত সেই দশাত পৰি থকাৰ কাৰণে। যিখন দুনিয়া মোৰ কাৰণে অৰ্থহীন হৈ পৰিছিল, তাতে মই এখন নতুন দুনিয়াৰ দৃশ্যপটৰ জিলিঙনি যেন চকামকাকৈ দেখা পালো য'ত মানুহৰ জীৱনবোৰ পাক আৰু মূল্যবান বুলি গণ্য কৰা হয়।

মোৰ অভিজ্ঞতাই মোৰ অন্তৰত সৃষ্টি কৰা আন্দোলন আৰু হাহাঁকাৰ অৱস্থাতো বাহিৰত আমাৰ দেশৰ ওপৰত আৱৰি ধৰা ডাঙৰ ধৰণৰ হাহাঁকাৰ অৱস্থাটোৰ সৈতে তুলনা কৰিব নোৱাৰি। ৰাজনীতিয়ে আন এজনৰ অস্তিত্বৰ ওপৰত অধিকাৰ কৰি দখলদাৰী চলায়, তাতে ইজনে সেই কথাটো ভাল পাওকেই বা নাপাওক। ভাৰতীয় উপমহাদেশখন অতিকৈ আন্দোলিত হৈ আছিল।

১৯৪৫ চনত দ্বিতীয় বিশ্বযুদ্ধৰ অন্ত পৰিছিল। ইউৰোপ মহাদেশলৈ শান্তি ঘূৰি আহিছিল, কিন্তু ভাৰতৰ ক্ষেত্ৰত হ'লে তাইৰ অস্তিত্বৰ কাৰণে এয়া এক ৰক্তপাতৰ সময়হে আছিল। এই সময়ত আমাৰ বিদেশী শাসনকৰ্তাসকল দায়ী নাছিল, কিন্তু ধৰ্মক লৈহে তোলপাৰ লাগিছিল। ধৰ্ম যেন এটুকুৰা শিলৰ খুঁটিহে আছিল, য'ত আমাৰ দেশৰ মানুহবিলাকে উজুটি খাইছিল। হিন্দু আৰু মুছলমান মানুহবিলাকে একেলগে শান্তিৰে সৰহ দিনলৈ আৰু বসবাস কৰিব নোৱাৰা হৈছিলগৈ। ভাৰতীয় মানুহৰ মনত থকা একতা আৰু শান্তিৰে ভৰা এখনি ভাৰতবৰ্ষৰ সপোনৰ ধাৰণাটো যেন কঁপি উঠিছিল। এতিয়া তেওঁলোকে পৰস্পৰে পৰস্পৰক তিক্ততাৰে ঘৃণা কৰা কথাত উটি-ভাঁহি গৈছিল। ভয়, শংকাই এই ঘৃণাত অভাৱনীয়ৰূপে ইন্ধন যোগাইছিল। হত্যা, গোষ্ঠী-সংঘৰ্ষ, লুটপাট আৰু ঘৰ জ্বলোৱা আদি কাৰ্যই যেন আকাশখন





তেনেকৈ ভাবিবই নোৱাৰে!) **নাইবা কোনো পুৰস্কাৰ পাবলৈকো কৰা নাই! কিন্তু আমি খ্ৰীষ্টিয়ান হোৱা কাৰণেহে তেনে ধৰণৰ খেদ্‌মত কৰিব পাৰিলো। আমাৰ প্ৰভুৱে মানুহৰ নাজাতৰ কাৰণে দুঃখভোগ কৰিছিল, সেয়ে আনক সহায় কৰা আৰু খেদ্‌মত কৰাটোও আমাৰ কৰ্তব্য।"**

এই সৰল স্বীকাৰোক্তিৰ দ্বাৰাই মই বাৰুকৈয়ে আচৰিত আৰু প্ৰভাৱিত হৈছিলো। মই ইমানকৈ কান্দিছিলো যে মই যেন মোৰ চকুপানীতেই উটি-ভাহি যাম। এই দুগৰাকী নাৰ্চে তেওঁলোকৰ খোদাবন্দৰ নামতেই মোলৈ ৰহম কৰি ইমান মৰম আৰু সহানুভূতিৰে মোক খেদ্‌মত কৰা জানি মই মোৰ অন্তৰতে বিনয়ী হৈ উঠিছিলো। তেওঁলোকে মোক সাৱধান কৰি কৈছিল, "আপুনি কন্দা অনুচিত, কিয়নো আপোনাৰ আঘাতবোৰ এতিয়াও শুকুৱা নাই।" মই গভীৰ কৃতজ্ঞতাত তেওঁলোকৰ ওচৰত মূৰ দোঁৱাইছিলো আৰু তেওঁলোকৰ ভৰি দুখনিত ধৰি চুমা খাবলৈ মোৰ বৰ মন গৈছিল। আকৌ এবাৰ মই খোদাবন্দ ঈছাৰ সৈতে তেওঁৰ এই উন্মত দুগৰাকীৰ মাজেদি মুখামুখি হ'লো, তেওঁ যেন মোৰ পাছে পাছেই ফুৰিছে আৰু মই যেন তেওঁৰ পৰা আঁতৰি পলাই যাব নোৱাৰিম! সদায়েই ইমান হত্যাকাণ্ড আৰু মানুহৰ জীৱনৰ প্ৰতি কাৰো চিন্তা ভাৱনা নথকা দেখি থকাৰ মাজতেই ইয়াত মই খোদাৰ লোকসমূহকো দেখিলো, যিয়ে আনৰ কাৰণে চিন্তা কৰে আৰু জীয়াই থাকে। মোৰ মায়ে মোক আগতে শিকোৱাৰ দৰে তেওঁলোকেও যেন জীৱনৰ মূল্যবোধৰ এক নিদৰ্শন দাঙি ধৰিছে। মই খোদাৰ উপস্থিতি তেওঁৰ এই উন্মতসকলৰ মাজত অনুভৱ কৰিছিলো আৰু মোকো তেওঁ মাতি আছে নেকি বুলি ভাবি মই আচ্ছন্ন হৈছিলো।

এইবোৰ কথা দীঘলীয়াকৈ ভাৱি থাকিবলৈ সময় নাছিল। মোক চিকিৎসাৰ পৰা অব্যাহতি দিয়া হৈছিল আৰু শিবিৰলৈ পঠাই দিয়া হৈছিল। আহি পোৱাৰ পাছত মোক কোৱা হৈছিল যে মোক পাতলীয়া ধৰণৰ কামহে দিয়া হ'ব। বায়ুসেনাৰ ব্যক্তিসকলক চহৰৰ ৰেড লাইট



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

ডিষ্ট্ৰিক্টৰ ভিতৰলৈ (যিটো সীমিত লোকৰ বাবেহে আছিল) সোমোৱাত বাধা দিয়াটোৱেই মোৰ কাম হৈছিলগৈ। এই দায়িত্বত থাকি মই এই অঞ্চলবোৰত থকা লোকসমূহৰে সৈতে চিনাকি হোৱাৰ এক সুযোগ পাইছিলো। এইটো এনে এটা ক্ষেত্ৰ আছিল য'ত সঁচা অৰ্থত প্ৰকৃত মহৰ্ষতবোৰ দেখিবলৈ পোৱা গৈছিল, যিটো মই নিশ্চিতৰূপেই পাইছিলো।

আমাৰ কাৰখানাত ফিলিপ নামৰ এজন ডেকা বিমানকৰ্মী আছিল, যিজনৰ জন্ম বিহাৰত হৈছিল। তেওঁৰ সংগই আমাক হাঁহি আৰু ধেমালিৰ খোৰাক যোগাইছিল। সময়ানুবৰ্তিতা আমি কেতিয়াবা মানি চলিব পৰা নাছিলো, কিয়নো ফিলিপৰ লগত থাকি আমি ইমানেই আনন্দ উপভোগ কৰিছিলো যে কোনোৱে তেওঁক এৰি আহিব পৰা নাছিলো। তেওঁৰ মধুৰ স্বভাৱেই কেৱল মোক তেওঁৰ ফাললৈ আকৰ্ষণ কৰা নাছিল, কিন্তু তেওঁৰ নাজাতদাতাজনৰ প্ৰতি থকা তেওঁৰ মহৰ্ষতৰ ফলত তেওঁ যিকোনো ত্যাগকেই কৰিবলৈ সাজু থকা তেওঁৰ মনটোৰ কাৰণে মই তেওঁলৈ বেছিকৈ আকৰ্ষিত হৈছিলো।

এদিনাখন পুৱা মোক ফিলিপক কবলৈ হুকুম দিয়া হৈছিল যে তেওঁক আন এটা কাৰখানালৈ স্থানান্তৰ কৰা হৈছে। তেওঁ মুখ ওফন্দাই বহি আছিল আৰু যাবলৈ বিচৰা নাছিল। মই তেওঁক কাৰণটো সোধাত তেওঁ কৈছিল যে ইয়াত বদনামী পৰিয়াল এটাৰ পৰা অহা কুম্‌লা নামৰ এজনী বেশ্যা ছোৱালী আছে, যাৰে সৈতে তেওঁ আগতে মহৰ্ষতত পৰিছিল। মই তেওঁক বুজাবলৈ যত্ন কৰিছিলো যে তেনে ছোৱালী বিয়া কৰিলে সমাজে সহজে গ্ৰহণ নকৰে, কিন্তু তেওঁ দৃঢ় হৈ আছিল। তেওঁৰ গভীৰ প্ৰত্যয়ৰ পৰা তেওঁৰ সিদ্ধান্তটো ওলাই আহিছিল। তেওঁ কৈছিল, "**মোৰ ধৰ্মটো ত্যাগৰ ওপৰত ভিত্তি কৰা ধৰণৰ। খোদাবন্দ ঈছা মছীহই মোৰ নিচিনা এজন দুষ্ট প্ৰকৃতিৰ লোকক মহৰ্ষত কৰিলে আৰু মোৰ ৰূহক নাজাত দিবলৈ তেওঁ নিজৰে জীৱনটো কোৰবাণী দিলে। মোৰ নিচিনা এজনক তেওঁ যদিহে কবুল কৰিব পাৰে, তেন্তে এই দুনিয়াখনে অৱজ্ঞা কৰা**





**কোনো গুণাহগাৰ ব্যক্তিক গ্ৰহণ কৰাটো মোৰো এটা কৰ্তব্য হৈ পৰে।"** এনেবোৰ কথাই মোক আচৰিত কৰিছিল। ফিলিপৰ নিচিনা এজন ধেমেলীয়া আৰু চিন্তা নকৰা লোকে কোনোবা এজনৰ প্ৰভাৱৰ কথা কৈছিল। এতিয়া তেওঁক সম্পূৰ্ণ বেলেগ এজন ব্যক্তিৰ দৰে লাগিছিল। তেওঁৰ আদৰ্শটোৱে আন্ধাৰৰ মাজত এক উজ্জ্বল পোহৰৰ দৰে জিলিকি উঠিছিল। মই কোৱা কথাবোৰে তেওঁৰ ওপৰত একো প্ৰভাৱ পেলোৱা নাছিল, কিয়নো তেওঁৰ মনটো বান্ধি পেলাইছিল। তেওঁৰ মতে এই বিবাহৰ প্ৰস্তাৱটো আছিল এক ত্যাগৰ কৰ্ম, যিটো তেওঁৰ খোদাবন্দৰ প্ৰায় পোনপটীয়া অনুকৰণৰ দৰে আছিল। কেপ্তেইন বাক্সটাৰে বুজি পাইছিল। তেওঁৰ সহায়ত মই আমাৰ কমাণ্ডিং বিষয়াজনক সেই বিষয়ে বুজাই কবলৈ সক্ষম হৈছিলো আৰু তেওঁৰ বদলিৰ হুকুমটো স্থগিত হৈছিল। তাৰ পাছত বিয়া নোহোৱালৈকে কুম্‌লাক শিবিৰতে পৃথকে থাকিবলৈ দিয়া হৈছিল আৰু শেষত আমাৰ ক্ষেত্ৰ চাপ্‌লেইনজনে তেওঁলোকৰ বিবাহকাৰ্যটো সম্পন্ন কৰিছিল। পাছত তেওঁলোক দুয়োৱে ফিলিপৰ গাঁৱলৈ থাকিবলৈ গৈছিল। এয়া আছিল চৰম সাহসিকতা। তেওঁ আন কোনো ঠাইলৈ যাব পাৰিলেহেঁতেন য'ত তেওঁলোকক কোনেও নাজানিছিল, কিন্তু সমালোচনা আৰু হেয়জ্ঞানৰ নিশ্চিত মুখামুখি হ'বলৈ নিজৰ মানুহৰ মাজত গৈ থাকিবলৈ সঁচাকৈয়ে যথেষ্ট সাহসৰ প্ৰয়োজন আছিল।

তাৰ পাছৰ কিছুদিন মই মোৰ অতীতৰ কিছুমান অভিজ্ঞতা ৰোমন্থন কৰি আছিলো ঃ **বাক্সটাৰৰ নীৰৱ খ্ৰীষ্টিয়ান জীৱন, আম্বেৰ আৰু মেৰীৰ দয়া, ফিলিপে দেখুউৱা আত্ম-ত্যাগৰ ব্যৱহাৰিক উদাহৰণ।** এই স্মৃতিবোৰ মোৰ মনতে পাকঘূৰণি খাই আছিল আৰু মই সেইবোৰ কথা নভবাকৈ থাকিব নোৱাৰিছিলো। প্ৰচলিত নিয়ম আৰু কু-সংস্কাৰৰ বিৰুদ্ধে গৈ কুম্‌লাৰ দৰে ছোৱালী এজনীক বিয়া কৰোৱাবলৈ মানুহ এজনে ক'ৰ পৰানো শক্তি আৰু অনুগ্ৰহ পায়? এই মানুহবিলাকে বিশ্বাস কৰে যে খোদাবন্দ ঈছা মছীহই তেওঁলোকৰ কাৰণে যি কোৰবাণী দিছিল তাৰ প্ৰতি তেওঁলোকৰ জীৱনটো ধৰুৱা হৈ আছে আৰু



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

প্ৰতিটো মছজিদৰে পলাই জিহাদ নাইবা পৱিত্ৰ যুদ্ধৰ কাৰণে প্ৰস্তুত হ'বলৈ আৱাজ উঠাই আহ্বান জনোৱা হৈছিল। আমি ভয় কৰি অহাৰ দৰেই কাশ্মীৰৰ মহাৰজাই অৱশেষত ভাৰতৰে এখন প্ৰদেশ হিচাবে কাশ্মীৰক অন্তৰ্ভূক্তি কৰিছিল। সৰহভাগ মুছলমানেই উচটনি দিছিল যে কাশ্মীৰ যদিহে পাকিস্তানৰ এটা অংশ নহয়গৈ, তেন্তে ই পৃথকে থকাটোৱেই তেওঁলোকে বিচাৰে। এনেকৈয়ে তেওঁলোকে এতিয়া ইয়াক আজাদ কৰিবলৈকে এক জেহাদ বা পৱিত্ৰ যুদ্ধ চলাবলৈ আহ্বান জনাবলগা হৈছে। এইটো এটা তেওঁলোকৰ মনত শ্ৰেষ্ঠতম সেৱামূলক কাৰ্য্য। জেহাদৰ নীতিটো হৈছে কাফেৰসকলৰ বিৰুদ্ধে সকলো ঈমানদাৰ মুছলমানকেই আমন্ত্ৰণ জনাই যুদ্ধৰ বাবে সাজু কৰি তোলা। কাৰণ ইছলানৰ ধাৰণাত ৰাজনীতি আৰু ধৰ্ম সদায়েই পৰস্পৰে সৈতে সংযুক্ত হৈ আছে। আল্লাহক সন্তুষ্ট কৰাটোৱেই মোৰ শ্ৰেষ্ঠ কৰ্তব্য হৈ পৰিছিল, কিয়নো তেৱেঁই মোক স্বাধীনতাৰ সংগ্ৰামী হ'বলৈ পৰিচালনা কৰিছিল। তেনেকৈয়ে সেই সময়ত মোৰ জীৱনটো আৰম্ভ হৈছিল, যেতিয়া মই অতল তলিত ডুবি গৈছিলো আৰু মই যিটো মূল্যবোধ পাই ডাঙৰ-দীঘল হৈছিলো; সেইবোৰ যেন হেৰাই যাবলৈ উপক্ৰম হৈছিল। মোৰ উৎসাহ, উদ্দীপনাই মোৰ বিবেকৰ মাতটোৰ শাসন চলাইছিল আৰু মই প্ৰতিহিংসা আৰু মওতৰ প্ৰতি তৃষ্ণাতুৰ হৈ পৰিছিলো। মই এই আন্দোলনটোৰ হকে নিজকে যুগুত কৰিছিলো, যিটোৱে সেই সময়ত মই বিচৰা সকলোখিনিকে মোক দিবলৈ সাজু আছিল। শেষত যেন সেই শূণ্যতাই পৰিপূৰ্ণ হোৱাৰ পথ বিচাৰি পালে।

মই আজাদ কাশ্মিৰৰ প্ৰথম ৰাষ্ট্ৰপতি চৰ্দাৰ মহম্মদ ইব্ৰাহিমক লগ ধৰিলো আৰু তেওঁ মোক নিজৰ পৰিচয় পত্ৰখন দি স্বাধীনতাৰ যুঁজাৰু মুছলমান বাহিনীৰ সদৰ কাৰ্য্যালয়লৈ পঠালে। মোৰ নাম তালিকাভুক্ত হ'ল আৰু মই এজন সাধাৰণ সৈনিক হিচাবে যোগদান কৰিলো। মই মোৰ আগৰ অভিজ্ঞতাৰে কাকো প্ৰভাৱিত কৰিব বিচৰা নাছিলো আৰু সেয়ে মই মোৰ জীৱনৰ বিষয়ে আৰু মই RAFত প্ৰশিক্ষণ লোৱাৰ বিষয়েও কাকো একো নকলো। সৰহ সংখ্যকে স্বাধীনতাৰ যুঁজাৰু হয় প্ৰাক্তন সৈনিক আছিল, নহয় বায়ু-বাহিনীৰ লোক আছিল।





শিবিৰত থকা প্ৰিজাইডিং বিষয়াজনে অভিযোগনামাখন পঢ়িছিল আৰু ঘূৰাই পঠিয়াইছিল। এই অভিযোগবোৰ প্ৰমাণ কৰিব পৰা নাযায়। তেওঁ মোক ছিটাগঙলৈকে ঘূৰাই পঠিওৱাৰ পৰিৱৰ্তে বেৰাকপুৰৰ ওচৰতে থকা বাহিনী এটালৈ পঠিয়াই দিলে। ভাৰতীয় সেনাবাহিনীৰ বিৰুদ্ধে থকা সকলো অভিযোগ ১৯৪৬ চনৰ এপ্ৰিল মাহত স্থগিত কৰা হৈছিল যদিও সকলো বন্দীকে মুকলি কৰি দিয়াৰ প্ৰস্তাৱিত দাবীটো হ'লে কাৰ্যকৰী কৰা হোৱা নাছিল। ঘটনাক্ৰমে ১৯৪৭ চনৰ মাৰ্চ মাহত মোক মুক্ত কৰি দিয়া হৈছিল।

মই এটা পথৰ দোমোজাত পৰি আছিলো। মই মোৰ জীৱনটোক লৈ কি কৰিম ভাবি পোৱা নাছিলো। বায়ু বাহিনীৰ লগত থাকি কোনো লাভ নহ'ব যেন দেখা গৈছিল আৰু তাত মোৰ জীৱনটো বৰ আমুৱাই গৈছিল। যুদ্ধ-বিগ্ৰহবোৰে মোক ৰুগীয়া কৰি পেলাইছিল আৰু মোৰ জখমৰ কাৰণে মই মাত্ৰ পাতল কামহে কৰিব পাৰিছিলো। বায়ু বাহিনীৰ সকলো প্ৰশিক্ষণ আৰু চোৰাংচোৱাগিৰিৰ কামবোৰ মোৰ কাৰণে এতিয়া অৰ্থহীন হৈ পৰিল। মই যেতিয়া বায়ু বাহিনীত থাকি হত্যাৰ খেলবিলাক খেলিছিলো, তেতিয়া মই মাত্ৰ মোৰ আব্বাজানৰ পদাংকহে অনুসৰণ কৰিছিলো ; মই ইয়াত বিদেশী ভূমিৰ কাৰণেহে কাম কৰি গৈছিলো আৰু বোধহয় মোৰ বীৰত্বসূচক সেৱাৰ কাৰণে কোনো মেডেল পাবলৈ আশা কৰিছিলো। মই মোৰ বাৰ্মা আৰু ছিংগাপুৰৰ যাত্ৰাও উপভোগ কৰিছিলো, কিন্তু মোৰ মেডেলৰ আশাটোৱে মোক ছলনা কৰি নি আছিল। প্ৰভেদ থকা আৰু বিদ্বেষ জন্মোৱা বায়ু বাহিনীৰ জীৱনটো মোৰ কাৰণে অসহনীয় হৈ উঠিছিল। মই ইয়াৰ পৰা ওলাবলৈ বিচাৰিছিলো।

আকৌ এবাৰ মোৰ পৰিয়ালটোৱে মোৰ জীৱনৰ ওপৰত হেঁচা দিবলৈ ধৰিলে। মই বায়ু বাহিনীত থকাৰ সময়ত পৰিয়ালৰে সৈতে যোগাযোগ ৰাখিছিলো আৰু কেতিয়াবা কাৰোবাৰ বেমাৰ হোৱা শুনিলে মই ঘৰলৈ গৈছিলো। এতিয়া তেওঁলোকে মই উলটি যোৱাটোকে দাবী কৰিছে। মোৰ আব্বাজানৰ ইন্তেকাল হোৱাত ময়ো তেওঁলোকৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

অনুৰোধটোলৈ কাণ দি মোৰ নাম কটাবলৈ মই আবেদন কৰিলো।

প্ৰথমতে এনে লাগিছিল যেন মই ইয়াৰ পৰা সোনকালে ওলাই যাব নোৱাৰিম। এনে এটা নিয়ম আছিল যে চোৰাংচোৱা কামত জড়িত এজনৰ নাম কটোৱাৰ অনুৰোধ পোৱাৰ পাছত ওঠৰ মাহলৈকে বাহিনীটোত ৰাখিব লাগে। উদ্দেশ্যটো আছিল যে অব্যাহতি লব খোজা ব্যক্তিজনে গোপন কোডবোৰ পাহৰি যাব লাগিব, যাতে তেওঁ অসামৰিক জীৱনলৈ ঘূৰি যোৱাৰ পাছত সেইবোৰ ব্যৱহাৰ কৰিবলৈ যেন পুনৰ সমৰ্থ নহয়। কিন্তু মোৰ ক্ষেত্ৰত সেই অৱস্থাত তাৎক্ষণিক চিকিৎসাৰ প্ৰয়োজন আছে বুলি কেপ্তেইন ডাঃ আব্দুলাই মোক উদ্ধাৰ কৰিবলৈ আহিছিল। মোক অব্যাহতি দিয়া হৈছিল আৰু মোৰ সোঁ চকুত আঘাত পোৱা বুলি ডিচ্‌ছাৰ্জ পেপাৰখনত থকা ডাঃ আব্দুল্লাৰ টোকাটো লৈ মই ঘৰলৈ উভতিছিলো। কিন্তু মই উলটি যাওঁতে মোৰ আম্মাজান হতাশ হৈ পৰিছিল। কিয়নো তেওঁৰ ল'ৰাটিক কোনো মেডেল নিদিলে!

ooooooooooooo





প্ৰায় বিশ মাইলমান দৌৰি জাফ্‌ফাৰৱালত থকা মোৰ ঘৰ পালোগৈ। মোৰ আম্মাজানে মোক চকুপানীৰে সৈতে আদৰি ল'লে। আমি আটায়ে একেলগে গঢ়ি তোলা আমাৰ জীৱনবোৰ নিমিষতে আমাৰ চাৰিওফালে থানবান হৈ পৰিছিল। ভৱিষ্যতটো দেখাত অন্ধকাৰময় হৈ পৰিছিল। কিন্তু ৰাজনৈতিক নেতাসকলৰ মতে এয়া আছিল আনন্দৰ আৰু উত্তেজনাৰ এক মুহূৰ্ত আৰু আমাৰ বাবে এক নতুন আৰম্ভণি। আমি ভাগ্যৱান আছিলো। আমাৰ পৰিৱেশ আৰু পৰিস্থিতি যিমান বেয়া হ'ব লাগিছিল সিমান হোৱা নাছিল। আমাৰ এতিয়াও এটা সুবিধাজনক ঘৰ, যথেষ্ট খাদ্য আছিল আৰু ৰাহি হোৱাখিনি আশ্ৰয় শিবিৰলৈ পঠিয়াব পাৰিছিলো।

জীয়াই থকাৰ সকলো সপোন মই হেৰুৱাই পেলাইছিলো। আটাইবোৰ যেন শুদা আৰু উদ্দেশ্যবিহীন হৈ পৰিছিল। মই হতাশা আৰু দুঃখ, চিন্তাত ডুবি গৈছিলো। কিন্তু জীৱনৰ যে এটা অৰ্থ আৰু উদ্দেশ্য আছে, সেই ধাৰণাটো মই ত্যাগ কৰি দিব পৰা নাছিলো। মইহে সকলো হেৰুৱাই পেলাইছিলো আৰু সেইবোৰ বিচাৰি পোৱাটো এতিয়া মোৰহে কাম। শান্তি আৰু নতুন পথ পাবলৈ, কিহবাৰ কাৰণে জীয়াই থাকিবলৈ আৰু এনেকি মৰিবলৈকো মই ধৰ্মৰ পথ বিচাৰিলো। মোৰ সমগ্ৰ সত্তাটোৱেই মূল্য থকা কিবা কামৰ কাৰণে আকুল হৈ পৰিছিল। মই পতিয়ন গৈছিলো যে মোৰ যি আছিল, মই যি অভিজ্ঞতা লাভ কৰিলো আৰু মই যি প্ৰশিক্ষণ পালো, তাক মই এটা নতুন গতি দিব লাগিব।

মই ইছলাম ধৰ্মটোকে গুৰুত্ব সহকাৰে লবলৈ ধৰিলো। এই ধৰ্মটোকে লৈ মই ডাঙৰ-দীঘল হৈছিলো। মই এজন ভাল মুছলমান হ'বলৈ দৃঢ়তা আনিলো আৰু নামাজ, ৰোজা আৰু মোনাজাত আদি মোৰ জীৱনৰ নিয়মিত ৰুটিন হৈ পৰিল। মুছলমানসকলে দিনটোত পাঁচবাৰ নামাজ পঢ়াটো আৱশ্যক যদিও মই হ'লে এই বান্ধোনৰ মাজত থাকিবলৈ নিবিচাৰি সেইবোৰ মাত্ৰ নুন্যতম বুলিহে ধৰি লৈছিলো। মই ধৰ্মীয় আলেমসকলৰো সংগ লৈছিলো আৰু আশা কৰিছিলো যে তেওঁলোকে মোক সঠিক বাটেৰে আগুৱাই নিব পাৰিব।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

দিছিলোগৈ আৰু জানাজা কবৰ দিয়াৰ কামত সহায় কৰিছিলো। ইলিয়াচক সেইদিনাখনেই কবৰ দিয়া হৈছিল।

ইয়াৰ পাছৰ চিকাৰ বা কোন হ'ব? আমি সকলোৱে প্ৰধান লক্ষ্য হৈ পৰিছো। আমাৰ শিখ চুবুৰীয়াজনে এই ঠাই এৰি যাবলৈ পুনৰায় মোক যুক্তি দেখুৱাবলৈ ধৰিলে। কাৰখানাত কাম কৰি থকা শ্ৰমিকসকলৰ সেইটোৱেই একমাত্ৰ উপাৰ্জন হোৱা কাৰণে সিহঁতক কাম এৰি যাবলৈ কোৱাটোও সহজ নাছিল। এৰি যোৱা মানেই হ'ল নিবনুৱা হৈ পৰা আৰু সিহঁতৰ পৰিয়ালবিলাক ভোকতে থকা। তাৰোপৰি সিহঁত বিশ্বাসী আছিল যে এনে হেন জটিল পৰিস্থিতিত সিহঁতে মোক অকলে এৰি থৈ যোৱাৰ কথা ভাবিবই নোৱাৰে। পাকিস্থানৰ পঞ্জাৱ সীমান্তৰ ভিতৰত থকা শিয়ালকোট চহৰখনে কিছু নিৰাপত্তা দান কৰিছিল, সেয়ে সিহঁত তালৈকে গুছি গৈছিল। ময়ো আমাৰ কাৰখানাটো বন্ধ কৰি দিলো। এইটো মোৰ কাৰণে বৰ বেজাৰৰ কথা হৈছিল। ৰক্ষা কৰিবলৈ আমাৰ যি যি আছিল, তাৰে শেষ আশাটোও মৰহি গ'ল। জম্মুত আমাৰ তিনিটা ঘৰ, এখন দোকান, এটা কাৰখানা আৰু চাৰিশ একৰ মূল্যৱান মাটি আছিল। এতিয়া এই সকলোবোৰকে এৰি থৈ যাব লাগিব। ক'ৰবাত গৈ নতুনকৈ মাটি বাৰী কিনাটো আৰু প্ৰতিষ্ঠা হোৱাটো বহুত টকাৰ প্ৰশ্ন আছিল, কিন্তু মুছলমানসকলৰ কাৰণে ভিন্ন এখন দেশ পাকিস্তানৰ আদৰ্শগত ধাৰণাটোৱে শেষত জয়যুক্ত হৈছিল।

১৯৪৭ চনৰ চেপ্তেম্বৰ মাহৰ শেষৰফালে মই মোৰ RAF ইউনিফৰ্ম পিন্ধি বন্দুকটো কান্ধত লৈ প্ৰধান আলিয়েদি খোজ কাঢ়িবলৈ ধৰিলো। মই এজন চৰকাৰী মানুহৰ নিচিনাকৈ অভিনয় কৰি গৈছিলো যাতে কোনোৱে মোক আক্ৰমণ কৰাৰ কথাটো নাভাবে। মই টুই নদীৰ ওচৰ পাওঁতে আন্ধাৰ হৈছিল আৰু ইয়ে মোক সিপাৰলৈ সাঁতুৰি যাবলৈ এক সুবিধাজনক আৱৰণেৰে ঢাকি ধৰিছিল। সিটো পাৰত গৈ পাওঁতে মই "ৰ'বা" শব্দৰ হুকুমটো শুনিলো আৰু অতি সতৰ্ক হৈ পৰিলো। মোৰ ইউনিফৰ্মটোলৈ চাই ৰখীয়াজনে কৈছিল, "ঠিকেই আছে বাৰু, মই মাত্ৰ তালাচী চলাবলৈ ইয়াত আছো।" তাৰ পাছত মই আকৌ খোজ কাঢ়িবলৈ ধৰিলো। মই চকুৰ আঁতৰ হৈ পৰাৰ লগে লগেই



# স্বাধীনতা যুঁজাৰু

মোৰ জীৱনত শূন্যতা উপলব্ধি কৰি ১৯৪৭ চনৰ মাৰ্চ মাহত মই জম্মু-কাশ্মীৰলৈ ঘূৰি গ'লো। কিন্তু বিদ্ৰোহ আৰু বিভক্ত হোৱাৰ উত্তাল পৰিৱেশটোৱে মোক আমাৰ পৰিয়ালটোৰ নিৰাপত্তাৰ বাবে ভবাই তুলিলে আৰু এনেকুৱা বিপদৰ সময়ত মই তেওঁলোকক সহায় কৰাটো উচিত বুলি ভাবিলো। আমাৰ সম্বন্ধটোত অহা জখমক সুস্থ কৰাৰ এয়ে এটা সুযোগ আছিল।

এইটো উত্তেজনাপূৰ্ণ সময় আছিল। আমি যি কওঁ বা কৰো তাত সাৱধান হ'ব লগা হৈছিল। জম্মুত হিন্দুসকল আৰু উত্তৰ কাশ্মীৰত মুছলমানসকল সংখ্যাগৰিষ্ঠ আছিল। আমি যে বিদ্ৰোহী মানুহবিলাকৰ মাজত আছো সেই বিষয়ে আমি সচেতন আছিলো। কাশ্মীৰক লৈ কি কৰা যাব সেইটো থিৰাং হোৱা নাছিল।

১৯৪৭ চনৰ আগষ্ট মাহৰ মাজভাগত ভাৰতত বৃটিছ শাসনৰ সমাপ্তি হৈছিল, কিন্তু এখন দেশ হোৱাৰ পৰিৱৰ্তে দুখন দেশৰহে জন্ম হ'ল। ভাৰতৰ পৰা বিচ্ছিন্ন হৈ পূব আৰু পশ্চিমৰ একোটা অংশ লৈ মুছলমানৰ দেশ পাকিস্তান গঠন হ'ল। জনসংখ্যাৰ এটা ডাঙৰ তাৰতম্য ঘটিল কিয়নো হাজাৰ হাজাৰ পৰিয়ালে নিজৰ পছন্দৰ দেশখনলৈ গ'ল আৰু আহিল। মুছলমানসকলে পশ্চিম পাকিস্তানলৈ যাবলৈ কেইবা শ মাইল যাত্ৰা কৰিবলগা হ'ল। দুঃখ-কষ্টবোৰ অকল্পনীয় আছিল। গোষ্ঠী সংঘৰ্ষই চাৰিওফালে গণহত্যাৰ ৰূপ লৈছিল। কাশ্মীৰৰ দৰে স্বাধীন দেশক তেওঁলোকে পছন্দ কৰা দেশ অনুসাৰে যোগ দিবলৈ বিকল্প উপায় দিয়া হৈছিল। কাশ্মীৰৰ দৰে কিছুমান স্বাধীন ৰাজ্য আছিল, যিবিলাকক চামিলকৰণৰ টোকাত চহী কৰিবলৈ আমন্ত্ৰণ কৰা হৈছিল, কিন্তু কাশ্মীৰে হ'লে চহী কৰা নাছিল। কাশ্মীৰৰ মহাৰজাই বিবুধিত পৰিছিল। পুৰুষানুক্ৰমে ৰজা হোৱা মহাৰাজ হৰিসিঙ এজন গোড়া হিন্দু



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

লোক আছিল আৰু স্বাধীন ভাৰতৰ প্ৰথম প্ৰধানমন্ত্ৰী নেহেৰুৰ সৈতে তেওঁৰ গভীৰ বিদ্ৰোহীভাৱ আছিল। ভাৰতবৰ্ষই তেওঁৰ দেশখনতো গণতন্ত্ৰ প্ৰতিষ্ঠা কৰিব বুলি ভয় কৰি হৰিসিঙে যিমান দিনলৈ পাৰি একেলগে সংযুক্ত নোহোৱাকৈ থাকিব বিচাৰিছিল। আন সকলো ৰাজনৈতিক প্ৰতিপক্ষই প্ৰজাৰ ইচ্ছানুসাৰে তেওঁলোকৰ মতামত লবলৈ তেওঁক বাৰে বাৰে কোৱা স্বত্বেও তেওঁ কোনো আগ্ৰহ নেদেখুৱালে। তেওঁৰ ৰাজ্যৰ সৰহভাগ মানুহ মুছলমান আছিল, কিন্তু মুছলমান শাসকৰ অধীনত হিন্দুসকলে সমৰ্পণ কৰিব বুলি ভাবিব পৰা নগৈছিল। তেওঁ বৰ আনন্দেৰে হেমাহি কৰা খেলটো খেলি আছিল।

বিভক্ত হোৱাৰ পাছত আৰম্ভ হোৱা হত্যা আৰু নিষ্ঠুৰতাবোৰ বাধাহীনভাৱে চলিয়েই থাকিল। কোনোৱে ক'তো নিৰাপদে থাকিব নোৱাৰিছিল। ঘটনাবোৰ বৰ খৰ গতিৰে ঘটি যাবলৈ ধৰিলে আৰু সমাজৰ সকলো স্তৰতে আতংকই ছানি ধৰিলে। কিন্তু এনে অন্ধকাৰৰ মাজতো সামান্য পোহৰৰ আভা দেখা গৈছিল। ৰাজনৈতিক পৰিস্থিতি সলনি হৈ যোৱা নাছিল। আমাৰ এজন অতি দয়ালু আৰু মৰমীয়াল শিখধৰ্মী চুবুৰীয়া ইকবাল সিঙে আমাক নগৰখন এৰি যাবলৈ পৰামৰ্শ দিছিল; কিয়নো তাৰ পৰিস্থিতিবোৰ ক্ৰমান্বয়ে বেয়া হ'বলৈ ধৰিছিল। তেওঁ মোক কৈছিল, "কোনোবাই আপোনাক জীৱনৰ ভাবুকি দিলে আমি আপোনাৰ ওচৰ-চুবুৰীয়া হিচাবে আপোনাক ৰক্ষা কৰিমেই, লাগিলে আমাৰ প্ৰাণেই যাওক।" ঘৃণাৰে ভৰা সাগৰখনিত আৰু চাকনৈয়াত পৰি ডুবিব ধৰা আমাৰ বাবে তেনেকুৱা এক উদাৰ মনৰ মানুহ পোহৰৰ এক জিলিঙনিৰ দৰে আছিল। আমি জানিব পাৰিছিলো যে ঘটনাক্ৰমে মহাৰজায়ো হেনো ভাৰতৰে সৈতে চামিল হ'ব, যদিওবা কাশ্মীৰত সৰহসংখ্যক লোক মুছলমানহে আছিল।

আমাৰ জীৱনটো অনবৰতে বিপদৰ মুখতহে আছিল আৰু আমি কিবা এটা কৰিবলগা হৈছিল। মই মোৰ ককাইঁতক বৰকৈ কৈ আছিলো যেন তেওঁলোকে নবৌহঁতক আৰু ল'ৰা-ছোৱালীবিলাকক গাৱঁৰ ঘৰলৈ পঠিয়াই দিয়ে। তেওঁলোকে যাওঁ নাযাওঁকৈ গৈছিল আৰু তাৰ বাহিৰে আন উপায়ো নাছিল। পৰিস্থিতিৰ বৰ বেয়াকৈ অৱনতি ঘটিছিল।





সদায়েই লুটপাট আৰু অত্যাচাৰ হোৱা খবৰবোৰ আমাৰ কাণত পৰিছিল। মানুহৰ অন্তৰত জন্ম লোৱা হত্যাৰ প্ৰৱণতাবোৰক দমন কৰি নাইকীয়া কৰাৰ প্ৰয়োজন আহি পৰিছিল। তেওঁলোকক নিবাৰণ কৰাৰ ক্ষেত্ৰত কৰ্তৃপক্ষ যেন অসহায় হৈ পৰিছিল। মই মোৰ ককাই দুজনক নবৌহঁতৰ লগত থাকিবলৈ জোৰকৈ পঠিয়াই দিছিলো। তেওঁলোকৰ মাটি আৰু সম্পত্তি জম্মুত থকাৰ কাৰণে এয়া তেওঁলোকৰ বাবে চৰম বিপৰ্যয় আছিল। এৰি যোৱা মানেই তেওঁলোকে গোটেই জীৱনজুৰি কঠোৰ শ্ৰমেৰে আৰ্জি লোৱাখিনিকো ত্যাগ কৰি যোৱা। কিন্তু তেওঁলোকৰ জীৱনটো বিপদৰ সন্মুখীন হোৱা কাৰণে তেওঁলোকে অগ্ৰাধিকাৰদিব লগাটো বাচি লব লগা হৈছিল আৰু তেওঁলোকে বুজি উঠিছিল যে তেওঁলোকৰ সম্পত্তিৰ কাৰণে তেওঁলোকে নিজৰ জীৱনটোক বিনিময় কৰিব নোৱাৰে। দুঃখ আৰু হতাশা স্বত্বেও তেওঁলোক গুচি গৈছিল। মই ইয়াতে থাকি সকলোখিনি চোৱা-চিতা কৰিম বুলি তেওঁলোকক কথা দিলোঁ।

আতংকবোৰ ওচৰলৈ আহি পৰিছিল আৰু আমাৰ নিজৰ কাৰখানাটোকো সিহঁতে দখল কৰি লৈছিল। আমাৰ ইলিয়াচ নামেৰে চৈধ্য বছৰীয়া শ্ৰমিক এজন আছিল। এদিনাখন সি যেতিয়া দুপৰীয়া ভাত খাবলৈ ঘৰলৈ নাহিল, তাৰ সৰু ভনীয়েকে কিনো হ'ল বুলি চাবলৈ কাৰখানাটোলৈ আহিছিল। মই তাইক কৈছিলো যে সি সেইদিনাখন কামলৈকে অহা নাই, কিন্তু তাই বাৰে বাৰে কবলৈ ধৰিছিল যে আনদিনাখনৰ দৰেই সেইদিনাও সি কামলৈ যাওঁ বুলিয়েই ঘৰৰ পৰা ওলাই আহিছিল। মোৰ সন্দেহ বাঢ়ি আহিবলৈ ধৰিলে। সি বাৰু নতুন চিকাৰ হ'ল নে? মই সতৰ্ক হৈ পৰিছিলো আৰু কিবা বেয়া ঘটনা এটা হৈ গ'ল বুলি ভয় খাইছিলো। সৰু ছোৱালীজনীক হাতত ধৰি মই তাইৰে সৈতে বাটলৈ ওলাই আহি তাইৰ ককায়েকক বিচাৰিব ধৰিলো। হঠাতে আমি ভয়খাই যোৱাকৈ তাক নলা এটাত মৃত অৱস্থাত পৰি থকা দেখিলো। মোৰ মূৰ ঘূৰাই গৈছিল আৰু সৰু ছোৱালীজনীয়ে নিয়ন্ত্ৰণ হেৰুৱাই কান্দিব ধৰিছিল। তাইক শান্ত্বনা দিবলৈ কৰা মোৰ সকলো চেষ্টা অথলে গৈছিল। পাছত মই সেই খবৰটো পৰিয়ালটোক



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

# এক অনাকাংক্ষিত দুছমন

মোৰ মানসিক ভাৰসাম্য নোহোৱা হৈ পৰিছিল। মই নিজৰ বিষয়েই নিশ্চিত নাছিলো। তথাপিও মই এইদৰেই গৈ থাকিব লাগিব। মই মাজ বাটতে থমকি ৰব নোৱাৰো। ভাৰতৰ প্ৰধানমন্ত্ৰী পণ্ডিত নেহেৰু আৰু পাকিস্তানৰ প্ৰধানমন্ত্ৰী লিয়াকত আলি খানৰ মাজত হোৱা চুক্তিটো এতিয়া কাৰ্যকৰী হৈছে। এই চুক্তিৰ ফলত ভাৰতীয় সেনাবাহিনীৰ লাভ হৈছিল আৰু সিহঁতে কাশ্মীৰত নিজৰ স্থিতি শক্তিশালী কৰি তুলিছিল। কিন্তু আজাদ কাশ্মীৰত থকা স্বাধীনতা যুঁজাৰুৰ বাহিনীটো নীতিভ্ৰষ্ট হৈ স্তিমিত হৈ পৰিছিল। স্বাধীনতা যুঁজাৰুৰ গতিবিধিবোৰ আৰু আস্থান পতাবোৰ বৰ বেছি চিন্তা আৰু আঁচনি নকৰাকৈ কৰা হৈছিল। সিহঁতৰ সীমিত উৎসৰে প্ৰায়ে নিষ্ক্ৰিয় হৈ পৰা এই মুছলমান যুঁজাৰুবিলাকে কেৱল ৰাতিহে যুদ্ধ কৰিব পৰা হৈছিলগৈ।

এদিনাখন এটি সন্ধিয়াত মই মোৰ কেইজনমান লগৰীয়াক লৈ গাওঁ এখনত সোমাইছিলো। গাওঁখন ভাৰতৰ সীমাৰ ভিতৰত কিছু আতঁৰতেই আছিল। মই শুনিবলৈ পাইছিলো যে সেই গাওঁখনত কিছুমান অ-মুছলমান মানুহে এতিয়াও বসতি কৰি আছে, গতিকে কথাটো সঁচা নে মিছা জানিবলৈ মই নুম্বেৰদাৰ নামৰ সেই গাঁৰৰ গাওঁবুঢ়াজনক মাতি পঠাইছিলো।

"আমাৰ ইয়াত কোনো হিন্দু মানুহ নাই" তেওঁ কৈছিল, "কিন্তু এটা খ্ৰীষ্টিয়ান পৰিয়ালহে আছে।"

"খ্ৰীষ্টিয়ান?' ঈছা মছীহৰ উম্মত বুলি আপুনি ক'ব খোজে নে?" (কোৰাণ শ্বৰীফত যীচুখ্ৰীষ্টৰ নাম হজৰত ঈছা-আল-মছীহ)।

"হয়, তেওঁলোকে মাত্ৰ তিনিজন মানুহহে।"





কিন্তু স্বাধীনতাৰ আন্দোলনটো সু-সংগঠিত নাছিল আৰু কাকোৱেই দৰমহা দিয়া নাছিল। যিবিলাকে আমাক সমৰ্থন কৰিছিল, তেওঁলোকেই আমাক খুৱাইছিল। আমাৰ নিজা কোনো উৎস নাছিল। যেতিয়া একোকে পোৱা নাছিলো, তেতিয়া আমি মাত্ৰ জন্তুবোৰক বধ কৰি আমাৰ ভোক পলুৱাইছিলো। মাজে-সময়ে পাকিস্তানৰ জাতীয় বাহিনীটোৰে সৈতে উত্তেজনা হৈছিল, তেতিয়া আমি এক সমসংগঠিত আৰু শৃঙ্খলিত যুঁজাৰু দেখিবলৈ পাইছিলো। কিন্তু সেয়া আমাৰ বাবে সম্ভৱ নাছিল।

অক্টোবৰ মাহলৈকে উত্তৰ-পশ্চিম সীমান্তৰ পৰা সৰহভাগ মানুহ কাশ্মীৰলৈ সোমাই আহিছিল। মুজাফ্‌ফৰবাদৰ পৰা বড়া মাৰলালৈ কৰা প্ৰথম আক্ৰমণটোত মই আমাৰ বাহিনীৰ কিছু লোকৰে সৈতে যোগ দিছিলো। সমুখ বাহিনীত থাকি লাগি থকা ৰণটো প্ৰায় দুমাহলৈকে চলি আছিল। যেতিয়া ঠাণ্ডা বতৰ নামি আহিছিল, তেতিয়া মোক দক্ষিণে থকা বাহিনীটোলৈ পঠিওৱা হৈছিল। ইয়াতো কেইবাখনো যুদ্ধ লাগি আছিল। মোক পঠিওৱা বাহিনীটোৰ ভাৰতৰ পৰা পাঠানকোটলৈ অহা পথটো বন্ধ কৰি দিয়াৰ কাম আছিল, যাতে জম্মুৰ লগতে ভাৰতৰ বাকী অংশৰো সংযোগ নাইকীয়া হৈ পৰে আৰু সম্ভৱ হ'লে তাক দখল কৰি অধিকাৰ কৰাটোও আমাৰ কাম আছিল। মহাৰজাই ভাৰতৰে সৈতে চুক্তি কৰি চামিল হোৱাৰ পাছত তেওঁক সহায় কৰিবলৈ আৰু বিদ্ৰোহ দমন কৰি খেদি পঠিয়াবলৈ ভাৰতীয় বাহিনীক পঠিয়াইছিল। আমি পথ দখল কৰিবলৈ বৰকৈ চেষ্টা কৰি আছিলো যদিও আমি বাৰে বাৰে হাৰি গৈছিলো আৰু আমাৰ বহুতকে হত্যা কৰা হৈছিল। যি কি নহওক, সেই বিৰোধিতাৰ মাজতো আমাক কোনোবা হ'লেও তাৰে মাজতে আমি শাস্তি ভোগাসকলক সহায় কৰিবলৈ সমৰ্থ হৈছিলো।

স্বাধীনতাৰ আন্দোলনত মই ব্যস্তভাৱে জড়িত হৈ থকাৰ মাজতে মই আকৌ এবাৰ চেলিমাক লগ পালো। তাই বৰ সুখী হৈছিল আৰু নতুকৈ আমাৰ বন্ধুত্ব গঢ়িবলৈ বিচাৰিছিল, এনেকি বিয়া হোৱাৰ কথাটোও বিবেচনা কৰিছিল। মোৰ পৰিয়ালটোৰে ইয়াৰ সম্পত্তিবোৰৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

কাৰণে দুঃখিত হৈ আছিল আৰু সেয়ে কোনোৱেই আমাৰ বিয়াৰ কথালৈ আপত্তি কৰিব নোৱাৰিছিল। ময়ো তাকেই হাবিয়াস কৰিছিলো, কিন্তু এতিয়াই নহয়। মোৰ সুখ আনন্দক বাদ দিব পৰাকৈ মই জাতীয়তাবাদী মনোভাৱত নাইবা ধৰ্মীয় উদ্দীপনাত মোহগ্ৰস্ত হৈ পৰা নাছিলো। মই চেলিমাৰ পৰা বিদায় লৈছিলো, কিন্তু সেই মূহুৰ্তত মই জনা নাছিলো যে সেইটোৱেই আমাৰ শেষ দেখা হ'ব।

কিছু মাহৰ পাছত মই চেলিমাহঁতৰ গাৱঁলৈ গৈছিলো আৰু দেখিছিলো যে তাই নৰিয়াত পৰি আছে। তাইক দেখা কৰিবলৈ মোক অনুমতি দিয়া হোৱা নাছিল। তাইৰ অসুখটো কি পৰ্যায়ত আছে তাক নজনাকৈয়ে আৰু মোৰ কামৰ গতিটোক চলাই নিয়াৰ তাগিদাৰে মই তাইক লগ পাবলৈ দাবী নকৰি সেই গাওঁ এৰি গুছি আহিলো। কিন্তু এমাহৰ ভিতৰতে মই আকৌ গাওঁখনলৈ আহিছিলো আৰু যি দৃশ্যটো মই দেখিলোহি, তাতে মোৰ শৰীৰৰ তেজখিনি চেঁচা পৰি যোৱাৰ নিচিনা লাগিল। মোৰ বুকুখন ইমান বেছিকৈ ধপ্‌ধপাবলৈ ধৰিছিল যেন মোৰ কলিজাটো ফাটিহে যাব। মই দেখিছিলো চেলিমাৰ ভাই-ককাইহঁত, পৰিয়ালৰ সম্পৰ্কীয় লোকসকল দুঃখিত মনেৰে ঘৰলৈ উলটি আহিছে। কিবা এটা ঘটি গ'ল বুলি মই অনুমান কৰিলো আৰু ভয় খালো। চেলিমাৰ বাৰু কিবা হ'ল নেকি! তাইৰ ভায়েকে মোক সেই বেয়া খবৰটো দিছিল, "আজি পুৱা চেলিমাৰ ইন্তেকাল হ'ল। আমি এইমাত্ৰ তাইক কবৰ দি আহিলো।" মই বজ্ৰপাত পৰা মানুহৰ দৰে থৰ লাগি ৰ'লো।

মই ওপৰলৈ চাই দেখিলো যে বেলিটো ডুবিবলৈ লৈছে। আকাশখন বৰ ধুনীয়াকৈ জিলিকি উঠিছে। এয়া দিনটোৰ শেষ ভাগ আৰু চেলিমাৰ জীৱনটোও ইয়াতে শেষ হ'ল। তাই বাৰু এটা ভঙা অন্তৰ লৈয়ে মৰিল নেকি আৰু তাৰ বাবে মোকেই দোষী কৰিলে নেকি! মোৰ অন্তৰখন শোক আৰু বেদনাৰে ভৰি গৈছিল। ব্যক্তিগত জীৱনত সুখ আৰু আনন্দ পোৱাৰ দুৱাৰখনি যেন চিৰদিনলৈ বন্ধ হৈ গ'ল। মোৰ হাতত থকা অতি মূল্যৱান সম্পদ যেন মই হেৰুৱাই পেলালো। এটা বেদনাগ্ৰস্ত অন্তৰেৰে সৈতে মই আমাৰ যুদ্ধ শিবিৰলৈ উলটি আহিলো।





**কৰিছিল। মোৰ মুখৰ মাত হেৰাই গৈছিল। মইনো এয়া কি দেখিবলৈ পাইছো? ধৰ্মীয় উৎসাহ আৰু প্ৰৱণতাৰ এই ফলাফল নে? ইছলাম ধৰ্মই এনে ধৰণৰ ব্যৱহাৰ আৰু আচৰণহে উৎপন্ন কৰে নে? প্ৰথমবাৰৰ বাবে মোৰ বাছি লোৱা পথটোত মোৰ ক্ৰিয়া-কলাপৰ বিৰুদ্ধে এটা ডাঙৰ প্ৰশ্নবোধক চিন আহি উপস্থিত হ'ল?** মোৰ মনত হতাশা জাগিবলৈ ধৰিলে। এতিয়াৰ পৰিস্থিতত মই ইতিবাচক কিবা এটা কৰিব লাগিব। তাইৰ আঘাত উপশম কৰিবলৈ যি যি প্ৰয়োজন মই কৰিলো আৰু তাইক নিৰাপদে ঘূৰাই পঠিয়াবলৈ মই মোৰ সকলো প্ৰভাৱ খটোৱালো। মই তাইক মোৰ আম্মাজানৰ ওচৰলৈ লৈ আহিলো আৰু তাই ভালদৰে সুস্থ হৈ নুঠালৈকে আৰু সীমান্তৰ সিপাৰে থকা তাইৰ পৰিয়ালৰে সৈতে লগ পাবলৈ সাজু হৈ নুঠালৈকে মোৰ আম্মাজানে তাইক আমাৰ ঘৰতে যতন কৰি ৰাখিলে।

এই অন্যায় ঘটনাটোৱে মোক এটা দৃশ্যৰ কথা মনত পেলাই দিছিল, যিটো মই এসময়ত নিজে দেখিছিলো। মই এবাৰ কাশ্মীৰলৈ যোৱাৰ পথত গুজৰাটৰ এখন নগৰত আছিলো। মই বজাৰৰ ফালে যাওঁতে মানুহক লৈ বেচা-কিনা কৰা দিখিছিলো। তিনিগৰাকী মহিলাৰ বজাৰ মূল্য এইদৰে বেলেগে বেলেগে বিচৰা দেখা গৈছিল। এগৰাকী অবিবাহিত যুৱতীক ৩০০.০০ টকাত বিক্ৰী কৰা হৈছিল; এটা সৰু শিশুৰে সৈতে এগৰাকী মহিলাক ২০০.০০ টকাত আৰু আন এগৰাকী বৃদ্ধা মহিলাক ৫০.০০ টকাত বিক্ৰী কৰা হৈছিল। মোৰ মনত পৰিছিল মই তেতিয়া কিমান ভয় খাইছিলো। মানুহৰ মূল্য কেনেকৈনো নিৰূপণ কৰা হয়, তাকে মই নিজকে সুধিছিলো?

ooooooooooooo



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

হেঁচা খাই মৰহি গৈছিল, কিন্তু সেইবোৰ পুনৰ ওলাই আহিবলগা আছিল আৰু মোৰ জীৱনত অগ্ৰাধিকাৰ হিচাবে পুনৰ স্থান পাব লগা আছিল।

এজন চেক্টৰ কমাণ্ডাৰ হিচাবে এনেকুৱা আৰু অধিক অভিযান চলাবলৈ মই পুনৰ সভাবোৰ আয়োজন কৰবি লগা হৈছিল। আমি প্ৰায়েই উত্তৰ-পশ্চিম অঞ্চলৰ পাঠানসকলৰ পৰা সহায় পাইছিলো, যিবিলাকে স্বেচ্ছাসেৱক হিচাবে যোগ দি আমাৰ সংখ্যাৰ শক্তি বঢ়াই তুলিছিল। সিহঁত সাধাৰণতে ভাল মানুহ নাছিল, কাশ্মীৰৰ স্বাধীনতাৰ যুদ্ধতকৈ ৰোমাঞ্চ আৰু মহিলাৰ প্ৰতিহে সিহঁতৰ বেছি আগ্ৰহ আছিল। কিন্তু সিহঁতৰ সৈতে আমাৰ অঁচনিবোৰৰ বিষয়ে আলোচনা কৰিবলৈ মোৰ চেক্টৰত মই এখন সভাৰ আয়োজন কৰিছিলো। সভাৰ সময়টো ওচৰ চাপি আহোঁতে মই যেতিয়া আলিত খোজ কাঢ়ি আছিলো, তেতিয়া মোক আচৰিত কৰি মোৰ নাম ধৰি কোনোবাই মাতিছিল। সেইটো মহিলা এগৰাকীৰ দুৰ্বল আৰু ক্ষীণ মাত আছিল, তথাপি মই মাতটো চিনি পাইছিলো। তাই মতা সেই নামটো কেৱল মোৰ পৰিয়ালৰ মানুহেহে আৰু মোৰ অতি অন্তৰংগ বন্ধুৱেহে ব্যৱহাৰ কৰিছিল। তাই মোক "গামা" বুলি মাতিছিল, ই মোক দিয়া এটা উপনাম আছিল। মই সেই মাতটোৰ ফালে দৃষ্টি দিলো আৰু দেখিলো যে এটা মুকলি খিড়িকীৰ পাছফালে এজনী যুৱতী ছোৱালী থিয় হৈ আছে, তাই আছিল মোৰ হিন্দু বন্ধু এজনৰ ভনীয়েক। তাইক চিনি পাওঁতে মোৰ বৰ টান হৈছিল, কিন্তু মোৰ মনত পৰিছিল যে তাই সেই পৰিয়ালটোৰ এজনী ছোৱালী আছিল, যিটো পৰিয়ালক ভাৰতলৈ নিৰাপদে পাৰ হৈ অহাৰ আগলৈকে প্ৰায় দুমাহ ধৰি মোৰ আম্মাজানে আশ্ৰয় দি ৰাখিছিল। মই সুধিলো, "তুমি বাৰু সুদেশৰ ভনীয়েক নহয় নে?" তাই মূৰ দুপিয়ালে। "তুমি ইয়ালৈনো কেনেকৈ আহিলা?" তাই বৰ লাজ কৰিছিল আৰু মোৰ আগত ক'বলৈ সংকোচ কৰিছিল। মই তাইক সুধি থাকিবলৈ ধৰিলো, কিয়নো তাইক মই বৰ দুঃখ লগা দেখিছিলো। পাছত তাই লাহে লাহে তাইৰ ভয়াবহ অভিজ্ঞতা মোক কবলৈ ধৰিলে। **বাৰজন পাঠানে সীমা অতিক্ৰম কৰি তাইৰ গাওঁখনিত অভিযান চলাইছিল, তাইক ইয়ালৈ ধৰি আনি প্ৰতিজনেই তাইক ধৰ্ষণ**





সেই দুঃখ, শোকবোৰ পাহৰি যাবলৈ মোৰ এটাই উপায় আছিল, সেয়ে হৈছে আৰু গভীৰকৈ নিজকে জড়িত কৰি স্বাধীনতাৰ আন্দোলনটোত সোমাই পৰা। সেয়েই যেন মোৰ বাবে জীয়াই থকাৰ একমাত্ৰ সমল হৈ পৰিছিল।

মোৰ কমাণ্ডাৰসকলে মোৰ অভিজ্ঞতা আৰু প্ৰশিক্ষণক লক্ষ্য কৰাত এলেহুৱা নাছিল, যিটো এই আন্দোলনটোৰ কাৰণে অতি মূল্যৱান। এনেকৈ সিদ্ধান্ত হৈছিল যে মই তেওঁলোকৰে এজন হ'ব লাগে আৰু এদিনাখন এটা সন্ধিয়াৰ অনুষ্ঠানত মোক তেনেকৈ ভাৰ দিয়া হৈছিল। এই ধৰণৰ গেৰিলা যুদ্ধত সকলোবোৰ কামকে অতি গোপনে কৰিব লগা হৈছিল। মোক চেক্তৰ কমাণ্ডাৰ কৰা হৈছিল আৰু স্বাধীনতা যুঁজাৰুসকলক প্ৰশিক্ষণ দিবলৈ দায়িত্ব দিয়া হৈছিল। ক্ৰমান্বয়ে মই বেছি বেছিকৈ চোৰাংচোৱা কামত জড়িত হৈ পৰিছিলো।

মই এটা ঘটনা সম্পূৰ্ণকৈ মনত ৰাখিছো। আমি এটা অভিযানত নামিছিলো আৰু তাকে সম্পূৰ্ণ কৰিবলৈ মাত্ৰ দুটা দিনহে বাকী আছিল। আমি এটা পাহাৰত তিনিজনহে চোৰাংচোৱা আছিলো। আমাৰ যেতিয়া খাদ্যৰ অভাৱ হৈছিল তেতিয়া মিঠা মাকৈহে প্ৰধান আহাৰ হৈছিল আৰু আমি সেইবোৰ ঘিঁ বা মাখনত সিজাই খাইছিলো। আমাৰ বৰকৈ ভোক লাগিছিল। হিন্দু মানুহবোৰে মৃতকক জ্বলোৱা ঠাই এটা আমাৰ পৰা বেছি দূৰৈত নাছিল। এই ঠাইত আক্ৰমণ কৰিবলৈ থিৰাং কৰা হৈছিল আৰু কোনো হিন্দু মানুহেই তাত ঘূৰা-পকা নকৰিছিল। মই কিন্তু কেতিয়াও একোলৈকে ভয় কৰা নাছিলো আৰু আমাৰ ভোক নিবাৰণ কৰাৰ উপায়ৰ কথাকে মই চিন্তা কৰি আছিলো। মোৰ মনলৈ এটা ভাল বুদ্ধি আহিল। শ্মশানৰ পৰা ওপৰলৈ উঠি অহা ধোঁৱা মই দেখিবলৈ পাইছিলো আৰু তাৰে ওচৰত এখনি মিঠা মাকৈৰ পথাৰ আছিল। মই তাৰে পৰাই অলপমান মাকৈ ছিঙি ললো আৰু শ্মশানৰ জুইকুৰাৰ ওচৰলৈ গ'লো। আমি শত্ৰুৰ সীমাৰ ভিতৰত সোমাই পৰিছিলো আৰু আমি নিজে জুই জ্বলাব নোৱাৰিছিলো; যিটোৱে সিহঁতৰ দৃষ্টি আকৰ্ষণ কৰিব পাৰে। গতিকে মই তাৰে ধোঁৱা ওলাই থকা আঙঠাত মাকৈবোৰ পুৰিলো। হাতত পোৰা মাকৈ লৈ মোক ঘূৰি অহা



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

দেখি মোৰ সংগীবোৰ আনন্দিত হৈছিল আৰু তাকে মই কেনেকৈ কৰিলো তাক নোসোধাকৈ থাকিব নোৱাৰিছিল। তেওঁলোকে খোৱাৰ পাচতহে মই কওঁ নকওঁকৈ কথাবোৰ ক'লো। আচৰিত হ'ব লগা একো নাই যে সিহঁতে ঘিণ কৰিবলৈ লৈছিল আৰু পেটৰ বিষ হোৱা বুলি খাবলৈ আপত্তি জনাইছিল। মানসিক প্ৰতিক্ৰিয়াৰ ফলত হোৱা সিহঁতৰ বেমাৰৰ কথা শুনি মই আনন্দ পাইছিলো! আমাৰ অভিযানবোৰ সকলো ধৰণৰ ছলনা আৰু প্ৰৱঞ্চনাৰে ভৰা আছিল। এবাৰ মই নিজকে এজন হিন্দু ব্ৰাহ্মণ বুলি অভিনয় কৰিছিলো আৰু পাকিস্তানৰ পৰা অহা এজন ভগনীয়াৰ দৰে ভাও দিছিলো। ভাৰতখন দুভাগ হৈ যোৱাৰ পাছত মানুহবিলাকৰ উত্থান-পতন হওঁতে ভাৰত আৰু পাকিস্তান দুয়োখন দেশতে ভগনীয়াৰ উপস্থিতিটো এটা সাধাৰণ দৃশ্য আছিল। মই জানিছিলো যে মোক কোনোৱে সন্দেহ নকৰিব, কিয়নো হাজাৰ হাজাৰ হিন্দু মানুহে পাকিস্তানত থকা নিজৰ মাটি-সম্পত্তি এৰি ভাৰতলৈ আহিব ধৰিছিল। মোৰ মিছনটো আছিল সেই ঠাইত ভাৰতীয় সেনাবাহিনীৰ শক্তি আৰু উৎসটো বিচাৰি উলিওৱা। মই সীমান্তত আহি পাওঁতে কান্দিবলৈ ধৰিলো আৰু মোৰ পৰিয়ালটোক কেনেকৈ হত্যা কৰিলে আৰু মোৰ সম্পত্তিবোৰ কাঢ়ি নিলে তাকে মই মানুহৰ আগত ক'ব ধৰিলো। তেওঁলোকে মোক গভীৰভাবে পুতৌ কৰিলে আৰু শান্তনা দিলে আৰু মোক তেওঁলোকে সহায় কৰিব বুলিও আশ্বাস দিলে। মোক কোৱা হৈছিল যে মোক এটা ঘৰ দিয়া হ'ব আৰু লগতে ঘৰুৱা সঁজুলিবোৰো দিয়া হ'ব, যাতে মই পুনৰায় নতুন জীৱন আৰম্ভ কৰিব পাৰো। মই সকাহ পাইছিলো আৰু সকলো ভাল ধৰণেই চলি আছিল। কিন্তু এদিনাখন মোক হতাশ কৰি তেওঁলোকে মোক হিন্দু শাস্ত্ৰৰ বিশেষ অংশ কিছুমান আওৰাব কৈছিল। মই এইবোৰ বহুত জানিছিলো, কাৰণ মই জম্মুত থকা হিন্দু বিদ্যালয়ত পঢ়োতে এইবোৰ শিকিছিলো। কিন্তু তেওঁলোকে শুনিবলৈ বিচৰা বিশেষ কথাখিনি মই জনা নাছিলো। খেলটো শেষ হৈছিল। সতৰ্ক আৰু সচকিত হৈ মই খৰকৈ চিন্তা কৰিব লগা হৈছিল। মই তেওঁলোকৰ দয়াৰ ওপৰত নিজকে সঁপি দিবলৈ আৰু আকৌ কান্দিবলৈ সিদ্ধান্ত ল'লো। মই কৈছিলো





মই বৰকৈ বিমোৰত পৰি আছো আৰু চিন্তাগ্ৰস্ত হৈ ভাগৰি পৰিছো; সেয়ে মই মন্ত্ৰবোৰ মনত পেলাই মাতিব নোৱাৰিম। কিন্তু তেওঁলোকে এই কথাত পতিয়ন নগ'ল আৰু মোক সন্দেহ কৰিবলৈ ধৰিলে। মই হতাশাত ভাগি পৰিছিলো। মই নো কোন বুলি তেওঁলোকে যদি জানিব পাৰে, তেন্তে কি যে হ'ব! মোৰ কোনোবা মানুহ ওচৰে-পাজৰে আছে বুলিও তেওঁলোকে সন্দেহ কৰিছিল।

মই প্ৰকৃততে এজন হিন্দু হয় নে নহয় তাক নিৰ্ণয় কৰিবলৈ তেওঁলোকৰ একো টান নহ'ব, কিয়নো মই মোৰ শৰীৰতে মোৰ আচল পৰিচয় লৈ ফুৰিছিলো। প্ৰত্যেক মুছলমান ল'ৰাবিলাকৰ দৰেই ইছলামৰ ৰিৱাজমতে শিশুকালতে মোৰো চুন্নৎ কৰা হৈছিল। মোৰ পৰিচয় জানিবলৈ তেওঁলোকে মাত্ৰ মোৰ কাপোৰ-কানি খুলিব লাগিব। পৰিস্থিটো আৰু বেয়া দিশে নিবলৈ মোৰ কাপোৰৰ মাজত দুটা গ্ৰেনেডো লুকাই থোৱা আছিল। তেওঁলোকে মোক পৰীক্ষা কৰিবলৈ যেতিয়া মোক একাষৰীয়াকৈ মাতি নিছিল, তেতেয়া মই সুযোগ বুজি দেৱালৰ সিপাৰে জপিয়াই গৈ নিজকে মুক্ত কৰিছিলো। মই প্ৰথম গ্ৰেনেডটো দলিয়ালো, পোন্ধৰ ছেকেণ্ড অপেক্ষা কৰি মই দ্বিতীয়টোকো দলিয়ালো। গোটেই ঠাইখন ধোঁৱাময় হৈ পৰিল।

মানুহৰ জান আৰু মাল এনেকৈ ধ্বংস কৰাটো একো অগতানুগতিক কথা নাছিল। গাওঁ এখনত প্ৰবেশ কৰিবলৈ এনেকুৱাই আমাৰ অভ্যাস আছিল, প্ৰত্যেককে বন্দুক দেখুৱাই সিহঁতৰ নিজ নিজ ঘৰত সোমোৱাই দি বাহিৰৰ পৰা দুৱাৰ বন্ধ কৰি দিছিলো আৰু গোটেই গাওঁখন জ্বলাই দিছিলো। এনেকুৱা অমানবীয় কাম কৰি থাকোতে মোৰ বিবেকে মোক খোচা মৰা নাছিল। মই মাত্ৰ এটা চাকৰি বা কামহে কৰিছো আৰু তাকে ভালদৰে কৰি যাব লাগিব। আল্লাহ যদিহে সন্তুষ্ট হয়, তেন্তে মইনো কিয় প্ৰশ্ন তুলিব লাগে।

স্বাধীনতাৰ এই সংগ্ৰামটো দুবছৰ ধৰি চলি আছিল। এই সময়বোৰ পাৰ হোৱাৰ পাছত, কিছুমান ঘটনাই মোক মই সৰুতে শিকা মূল্যবোধবোৰৰ কথা মনত পেলাই দিছিল; সেইবোৰ হৈছে জীৱনৰ পবিত্ৰতা ৰক্ষা কৰা আৰু আনৰ বাবে জীয়াই থকা। এই ধাৰণাবোৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

থকাত মই জিৰণি পোৱা নাছিলো আৰু মোৰ মন অশান্ত হৈ পৰিছিল। সেইবোৰে মোৰ মনোযোগত বলেৰে যেন দখলদাৰী চলাইছিল। তথাপিও মোৰ আন চিন্তাবোৰ আৰু কামবোৰৰ পৰা মোক আঁতৰাই ৰাখিব পৰাকৈ সেইবোৰ যথেষ্ট শক্তিশালীও নাছিল। মই তেতিয়াও গভীৰভাৱে স্বাধীনতাৰ আন্দোলনটোত জড়িত হৈ আছিলো। মই এনেয়ে ওলাই গৈ মোৰ অস্ত্ৰ-শস্ত্ৰবোৰ জমা দি সাধাৰণভাৱেই গুচি আহিব নোৱাৰো। ইয়াৰ বাহিৰে মই দিব পৰা মোৰ আন একোৱেই নাছিল। মোৰ উৎসাহ-উদ্দীপনাবোৰ যদিওবা মৰহি গৈছিল, তথাপিও তেনে অৱস্থাতো মই মোৰ কামবোৰ চলাই গৈছিলো।

এদিনাখন ৰাতি মোৰ বাহিনীটোৱে জম্মু জিলাৰ বহু ভিতৰুৱা গাওঁ এখনত সফল অভিযান চলাই গাওঁখন জ্বলাই দিবলৈ আঁচনি লৈছিল। সেই গাওঁখনলৈ সোমোৱা এটা পথাৰৰ দাঁতিৰ আলিৰ কাষ এটাত মই অকলশৰে থিয় হৈ আছিলো। গাওঁখনত জ্বলি-পুৰি যোৱা আৰু বধ কৰা মানুহবিলাকৰ চিঞৰ আৰু কান্দোন মই শুনিবলৈ পাইছিলো। কোনোৱে যদি এইফালেদি পলাই সাৰিবলৈ চেষ্টা কৰে তেন্তে মই সিহঁতক মোৰ বুলেটেৰে স্বাগতম জনাবলৈ মই অপেক্ষা কৰি আছিলো।

এনেতে মই দেখিবলৈ পালে যে এগৰাকী বয়সীয়াল মহিলাই হাতত কিবা এটা কঢ়িয়াই আনি জুই আৰু ধোঁৱাৰ পৰা তাক বচাবলৈ চেষ্টা কৰি পলাই আহিছে। তাইৰ কান্ধত এটা কেঁচুৱা ওলমি আছিল। মই ভাবিলো অনাহকতে এটা বুলেট খৰছ কৰাতকৈ এটা সাধাৰণ আঘাত আৰু মোৰ ৰিভলভাৰৰ এটা খুন্দাই শিশুটিৰে সৈতে তিৰোতাগৰাকীক খতম কৰি দিবলৈ যথেষ্ট হ'ব। মই যেতিয়া তাইৰ ফালে আগবাঢ়িলো, তেতিয়া তাই কেঁচুৱাটিক মোৰ ভৰিৰ ওচৰত থৈ কৈছিল, "মাৰি পেলোৱা, ইয়াক বধ কৰা! ই এটা হিন্দুৰ সন্তান। তোমালোকৰ আল্লাই মানুহক হত্যা কৰাটো পছন্দ কৰে, সেয়ে ইয়াকো হত্যা কৰা!"

মই বৰ দোমোজাত পৰিলো, 'মোৰ হাত দুখনো আধাতে থমকি ৰ'ল আৰু ময়ো থৰ লাগি ৰলো। সিহঁতৰে সৈতে কথা-বাৰ্তা





"বাৰু, তেন্তে তেওঁলোক মুছলমান নহয়। আমাৰ লগত ব'লা। আমাক সিহঁতৰ ঘৰটো দেখুৱাই দিবা আৰু আমি সিহঁতৰ লগত কথা পাতিম!"

এই সময়ত খ্ৰীষ্টিয়ান বুলি ক'লে মই যি বুজিছিলো তাৰ আধাৰত মই এনে পদক্ষেপ লোৱাটো মোৰ বাবে স্বাভাৱিক আছিল। মোৰ মনত পৰিছিল মই এবাৰ মৌলনা এজনক (ইছলাম ধৰ্মৰ অৰ্হতা সম্পন্ন শিক্ষক) কাফেৰ অৰ্থাৎ অবিশ্বাসী বা নাস্তিক কথাটোৰ ব্যাখ্যা জানিবলৈ বিচাৰিছিলো। তেওঁ উত্তৰ দিছিল যে যি জনেই মুছলমানৰ বিশ্বাসৰ স্তম্ভ কলিমা মাতিবলৈ ইচ্ছুক নহয়, সিহঁতেই কাফেৰ। কলিমাত দুটা প্ৰধান কথা আছে ঃ

**আল্লাহৰ বাহিৰে আন কোনো মাবুদ নাই,**
**আৰু হজৰত মহম্মদ তেওঁৰ প্ৰিয় ৰছুল।**

প্ৰকৃত মুছলমানে এই কথাত ঈমান আনিবই লাগিব আৰু তাক মুখেৰেও স্বীকাৰ কৰিব লাগিব। যিয়ে ইয়াক আবৃত্তি নকৰে, তাক কাফেৰ বুলি ধৰা হ'ব। গতিকে সকলোৰে বাবেই দুটা সম্ভাৱনাহে আছে ঃ শান্তিৰ সম্বন্ধ স্থাপন নাইবা যুদ্ধ ঘোষণা। কোনো ব্যক্তিয়ে এই কলিমা গ্ৰহণ নকৰিলে আৰু হজৰত মহম্মদৰ তালিমত সমৰ্পণ নকৰিলে তেওঁৰ শান্তি আৰু আল্লাহৰ সুৰক্ষা থাকিব নোৱাৰে; তেওঁ যুদ্ধক আৰু ইয়াৰ পৰিণামকহে দাৱাত দি আনে।

এই সকলো কথা পোনপটীয়া আৰু স্পষ্ট আছিল। কিন্তু তেতিয়া মই তেওঁক এটা বিশেষ ধৰণৰ প্ৰশ্ন কৰিছিলো। মৌলনাজনেনো খ্ৰীষ্টিয়ানবিলাকৰ বিষয়ে কি ভাৱে? তেওঁৰ উত্তৰটোৱে মোক বিবুধিত পেলাইছিল। তেওঁ কৈছিল যে তেওঁলোকো "পাক কিতাপৰ উম্মত।" খ্ৰীষ্টিয়ান আৰু মুছলমান উভয়েই এজনা খোদাকহে এবাদত, বন্দেগী কৰাৰ দাবী কৰে আৰু ঈমান আনে যে তেওঁলোকলৈহে আছমানী কিতাপ নাজিল হৈছিল। খ্ৰীষ্টিয়ানৰ বাবে সেই কিতাপ হ'ল তৌৰাত শ্বৰীফ আৰু ইঞ্জিল শ্বৰীফ; মুছলমানৰ বাবে হ'ল কোৰান শ্বৰীফ। মুছলমানসকলে বিশ্বাস কৰে যে সাত শতিকাত মক্কা আৰু মদিনা



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

চহৰত জিব্ৰাইল ফিৰিস্তাই হজৰত মহম্মদৰ ওচৰত কোৰান নাজিল কৰিছিল আৰু বেহেস্তত তাৰ প্ৰতিলিপিও আছে। আগতে অহা নবীসকলক খোদায়ে দিয়া বাণীবোৰ কোৰাণত সাৰাংশ বিচাবে থুপাই দিয়া হৈছে আৰু ইয়াত থকাবোৰেই এতিয়া হ'ল মানুহলৈ আল্লাহ-তা-আলাই দিয়া শেষ প্ৰকাশিত কালাম। কোৰাণ শ্বৰীফত ঈছাক খোদাৰ পুত্ৰ বুলি অস্বীকাৰ কৰিছে, কিন্তু ইয়ে তেওঁক আন নবীসকলৰ দৰেই এজনা নবী বুলি স্বীকৃতি দিছে। মুছলমানসকলে বিশ্বাস কৰে যে ইহুদী আৰু মছীহীসকলৰ পাক কিতাপবোৰত পাছত কিছু যোগ-বিয়োগ কৰা হৈছিল আৰু তাৰ ঠাইত মহম্মদলৈ নাজিল হোৱা কোৰাণখন দিয়া হৈছিল। যি কি নহওঁক, মই এইটোকে বুজিছিলো যে মছীহীসকলো যদি "পাক কিতাপৰ উম্মত" হয়, তেন্তে তেওঁলোকক কাফেৰ বা নাস্তিকসকলৰ দৰে একে পৰ্য্যায়ত ৰাখিব নোৱাৰি। কিন্তু কলিমা নমতাটোহে যদি নাস্তিকৰ একমাত্ৰ কঠোৰ সংজ্ঞা হয়, তেন্তে সিহঁতো নাস্তিকেই হ'ব আৰু সিহঁতৰ বিৰুদ্ধে যুদ্ধ কৰাটো ন্যায়যুক্ত হ'ব। মই সিদ্ধান্তত আহিব পৰাকৈ মৌলনাজনে মোক আৰু বেছি একো নক'লে, নাইবা মই কি কৰিব লাগিব সেই বিষয়েও একো অনুমোদন নজনালে। কিন্তু মোৰ বাবে কথাটো স্পষ্ট ধৰণৰ আছিল, হয় তেওঁলোক কাফেৰ হ'ব লাগিব নাইবা ঈমানদাৰ হ'ব লাগিব। তেওঁলোকে যিহেতু কলিমা নামাতে, তেওঁলোক কাফেৰ হয় আৰু যুদ্ধৰ মুখামুখি হ'বই লাগিব।

মনৰ ভিতৰত এনেকুৱা চিন্তাবোৰ পাগুলি পাগুলি মই সেই ঘৰটো বিচাৰি উলিয়ালো। চাৰিওফালে দেৱাল দিয়া চোতাল এটাৰ মাজত সৰু ঘৰ এটা আছিল, কিন্তু ইয়াৰ দুৱাৰখন ভিতৰৰ পৰা টানকৈ মৰা আছিল। আমি টুকুৰিয়ালো আৰু দুৱাৰখন খোল খালে।

"আপোনালোক মছীহী হয় নে?"

"হয়, আমি মছীহৰ উম্মত।"

"আপোনালোক এতিয়ালৈকে মছীহী হৈ আছিল। কিন্তু এতিয়া আপোনালোক মুছলমান হ'ব নোৱাৰেনে?"

দুজন মধ্য বয়সীয়া ব্যক্তি মোৰ সন্মুখত থিয় হৈ আছিল। এটা





নিৰ্ভৰ কৰি চলিছিলো।

মোৰ মনত আটাইতকৈ গভীৰ প্ৰভাৱ পেলাব পৰা অভিজ্ঞতাটো সেই অকণমানি ছোৱালীজনীৰ "ঈছা মছীহৰ" সৈতে মুখামুখি হৈ পাইছিলো, যি জনাই তাইক সঠিক মূহূৰ্ততেই ৰক্ষা কৰিবলৈ আহিছিল। তেৰেঁই সেইজনা যি জনাই নিজৰ প্ৰতিজ্ঞাবোৰ ৰাখে। জাপানীবিলাকে বোমা পেলোৱাৰ সময়ত আমাৰ ইউনিটটোক ৰক্ষা কৰা তেওঁৰ বিষয়ে মোৰ কোনো সন্দেহ থকা হ'লে এই ঘটনাৰ ক্ষেত্ৰতো সম্ভৱতঃ মোৰ সন্দেহ থাকিলেহেঁতেন। তেওঁ দিয়া সুৰক্ষাটো মই নিজ চকুৰেই দেখিবলৈ পাইছিলো। তাৰ বাহিৰে আমাৰ জান বচোৱাৰ আন উপায় নাছিল। এই জনা "ঈছা মছীহই" যেন মই য'লৈকে যাওঁ, মোৰ পাছে পাছেই গৈছিল। আচৰিত ধৰণে মই সেই পৰিয়ালটিক মোক মাফ কৰি দিবলৈ কৈছিলো, যিটো কাম ইয়াৰ আগতে মই কেতিয়াও কৰা নাছিলো। তেওঁলোকক হত্যা কৰিবলৈ মোৰ মনলৈ অহা চিন্তাটো ভুল আছিল বুলি মই পতিয়ন গৈছিলো নে? যিটো শুদ্ধ বুলি মই মনে-প্ৰাণে জনাৰ পাছতো মোৰ গোটেই জীৱনকাল গুনাহেৰে পূৰ্ণ আৰু ইচ্ছাকৃত অবাধ্যতাৰে পৰিপূৰ্ণ হৈ আছিল। অথচ তেওঁলোকে মোক "ঈছা মছীহৰ" নামত ক্ষমাহে কৰিছিল।

হঠাতে মই মোৰ এই সকলো অভিজ্ঞতাৰ মাজেদি এটা ধৰণ, নমুনা বা আৰ্হি বিচাৰি উলিয়াব পাৰিছিলো। তেওঁলোক যেন সিঁচৰিত হৈ থকা একো একোটা মুকুতাহে আছিল, যিবোৰ একেলগে গোটাই আনি গাঁঠি দিলে যেন এক খাঁটি ডিঙিৰ হাৰ হৈ পৰিব। মোক নিশ্চিত মওতৰ পৰা বচোৱা হৈছিল, মোৰ যতন লোৱা হৈছিল আৰু মহব্বত দেখুউৱা হৈছিল, যিটো ঈছা মছীহৰ প্ৰতি দেখুউৱা কোৰাণবাসীমূলক উৎসৰ্গ আছিল বুলি তেওঁলোকে গণ্য কৰে; যিবিলাকক তেওঁৰ নামত ক্ষমা কৰা হৈছে বুলি তেওঁলোকে বিশ্বাস কৰে। মোক কিবা এটাৰ কাৰণে অকলশৰীয়াকৈ এইবোৰ দশালৈ লৈ অনা হৈছিল নে? যদি হৈছিল, তেন্তে কিহৰ বাবে?

এনে ধৰণৰ যাতনা দিয়া আৰু স্বীকাৰ কৰি থকা চিন্তাবোৰ আহি



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

মোক আৰু আমাৰ দলটোক জাপানীবিলাকৰ বোমাৰ পৰা ৰক্ষা কৰিছিল। বাক্সটাৰৰ দাবীটো যদিহে সঁচা আছিল আৰু আমি আটাই স্বীকাৰ কৰিছিলো যে আমাৰ প্ৰাণবোৰ ৰক্ষা পোৱাৰ সেইটোৱেই একমাত্ৰ ব্যাখ্যা আছিল, তেন্তে মই মোৰ জীৱনটো তেওঁকেই সমৰ্পণ কৰি দিম। তথাপিও ব্যক্তিগতভাৱে মই তেওঁক জনা নাছিলো, নাইবা তেওঁৰ বিষয়েও মই বৰ বেছি একো নাজানো। মই কাৰোবাৰ ওচৰত মোৰ কৃতজ্ঞতা কেনেকৈ প্ৰকাশ কৰিম, যি জনৰ বিষয়ে মই নাজানো? কিন্তু মই জনাটো উচিত, কিয়নো তেৱেঁই মোৰ জান বচাইছিল।

তাৰ পাছত আম্বেৰ আৰু মেৰীৰ "ঈছা-মছীহ, যি জনাৰ ওপৰত তেওঁলোকে ভৰসা ৰাখিছিল আৰু যি জনাৰ কাৰণে তেওঁলোকে জখম পোৱা সহায়হীন ডেকা মানুহ এজনৰ জীৱন ৰক্ষা কৰিছিল। কেৱল এই জনা ঈছা মছীহইহে মোৰ প্ৰাণটো যে ৰক্ষা কৰিছিল এনে নহয়, কিন্তু মই জখমী আৰু নিঃসহায় অৱস্থাত থাকোঁতে মোৰ যাতে যতন লোৱা হয়, তাৰ বাবে তেওঁৰ শিষ্যসকলকো যথাস্থানত ৰাখি তেওঁলোকক উদগাইছিল। তেওঁনো মোৰ কাৰণে কিয় এনেকৈ কৰিছিল? মইতো তেওঁক কোনো শ্ৰদ্ধা বা ভক্তি দেখুওৱা নাছিলো। কেনেকুৱা ধৰণৰ জীৱননো তেওঁ নিজৰ অনুগামীসকলৰ পৰা বিচাৰে তাক মই জনা নাছিলো, নাইবা মই সেই পথ অনুসৰণো কৰা নাছিলো। এজন প্ৰকৃত মুছলমান হিচাবে মই ইছলামৰ শ্বৰীয়তবোৰহে পালন কৰি আহিছিলো। মই ঈছা মছীহৰ উম্মত নাছিলো।

ফিলিপৰ "ঈছা মছীহই" তেওঁক এনেকি ডাঙৰ কোৰবাণী দিবলৈকো শক্তি যোগাইছিল। ময়ো কোৰবাণী দিব লগা হৈছিল, চেলিমাৰ সৈতে ব্যক্তিগত সুখ আৰু সান্নিধ্যৰ সুযোগটো ত্যাগ কৰি পৱিত্ৰ যুদ্ধৰ উদ্দেশ্যে আল্লাহক সন্তুষ্ট কৰাৰ মানসেৰেই মই তাইক চিৰদিনলৈ হেৰুৱাইছিলো। কিন্তু মই কোনো দিনেই আল্লাহৰ সৈতে ব্যক্তিগত সম্বন্ধ ৰখাৰ বা থকাৰ অনুভৱ কৰা নাছিলো, নাইবা যিকোনো কাম কৰিবলৈকে তেওঁ মোক সাহস যোগাই আহিছে বুলিয়েই বিশ্বাস কৰা নাছিলো। মই মোৰ নিজৰ কৌশল আৰু উদ্ভাৱনী শক্তিতহে





চাকিৰ কণামুলা পোহৰত তেওঁলোকক কঁপি থকা দেখিছিলো। তেওঁলোকে ইয়াৰ উত্তৰ কি দিব ভাবি থাকোতেই এজনী প্ৰায় দহ বছৰীয়া ছোৱালীয়ে হঠাতে বিছনা এখনৰ তলৰ পৰা চুচৰি আগলৈ ওলাই আহি মোলৈ প্ৰত্যাহ্বান জনাই উত্তৰ দিছিল।

"নাই, আমি মুছলমান হ'ব নোৱাৰো।"

মই হাঁহি ৰখাব নোৱাৰিলো আৰু তাইৰ পৰা কাৰণটো জানিব বিচাৰিলো।

"আমি কোনো কাৰণতেই আমাৰ ধৰ্ম সলনি কৰিব নোৱাৰো," তাই উত্তৰ দিছিল।

"মূৰ্খ ছোৱালী!" মই কৈছিলো, "আজিৰ পৰিস্থিতিত তোমালোকে নিজৰ জান বচোৱাৰহে চিন্তা কৰিব লাগে আৰু এইটোৱেই একমাত্ৰ উপায়।" তাই কিন্তু ভয় নাখালে।

তাই কৈছিল, "আমি এনে এজনাৰ ওপৰত ঈমান ৰাখো, যিজনে কৈছিল, 'চোৱা, এই যুগৰ অন্তলৈকে মই তোমালোকৰ সংগে সংগে থাকিম,' আৰু আমি বিশ্বাস কৰো যে তেওঁ এনেকি আজিও আমাৰ সংগতে আছে।"

মোৰ পক্ষে আৰু বেছি সময় ধৈৰ্য ধৰি থকাটো টান হৈ পৰিছিল। তাইৰ উভতি ধৰা কথাত মই বিৰক্ত হৈ পৰিছিলো আৰু খৰকৈ এটা সিদ্ধান্তত আহিছিলো। "ঠিক আছে," মই কৈছিলো, "আমি এতিয়া এই দুজন বুঢ়া মানুহক খতম কৰি দিম আৰু তোমাক আমাৰ শিবিৰলৈ লৈ যাম আৰু তোমাক বিনিময় কৰি ভাৰতৰ পৰা এজনী মুছলমান ছোৱালী আনিম।" কিন্তু এই সৰু দহ বছৰীয়া ছোৱালীজনীয়ে মোৰ ধমকি আৰু ভাবুকিত নিজকে সমৰ্পণ কৰিবলৈ বিচৰা নাছিল।

"আপোনালোকে যি বিচাৰে কৰক, কিন্তু আমাৰ এটা অনুৰোধ আছে," তাই আকোঁৰগোঁজকৈ ধৰিলে।

"সেইটোনো কি?"

"আমি আপোনাক আমাৰ জীৱনটো বচাবলৈ নকওঁ, কিন্তু আমাক মাত্ৰ মোনাজাত কৰিবলৈ কেইমিনিটমান সময় দিয়ক, যাতে যি জনাই আমাক এই প্ৰতিজ্ঞাটো দিছিল, তেওঁক আমি আমাৰ সহায়ৰ বাবে



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

দাৰাত দিব পাৰো,” তাই বৰ দৃঢ় বিশ্বাসেৰে কথাখিনি কৈছিল। তাইৰ চকুযুৰিত ভয়ৰ কোনো ছাঁ নাছিল।

মই তাইক ভয় খুৱাবলৈ চেষ্টা কৰি কৈছিলো, “পাগলী ছোৱালী! আজি কোনো ভগৱানেই কাকো ৰক্ষা কৰিব নোৱাৰে। ভাৰতৰ সীমাৰ ভিতৰত কোনোৱে মুছলমানসকলক ৰক্ষা কৰিব পৰা নাই আৰু এই পাৰতো কোনো ভগৱানেই হিন্দুসকলক ৰক্ষা কৰিব পৰা নাই। তুমি জানো তাত হাপ্টাল দুৰ্গৰ ভিতৰত থকা মন্দিৰটো দেখা নাই আৰু আমাৰ ধ্বংসকাৰী দলটোৱে কেনেকৈ যে তাক কেইঘণ্টামানৰ ভিতৰতে মাটিত মিহলাই দিছিল?”

“আমাক মাত্ৰ কেইমিনিটমানৰ সময় দিয়ক,” তাই জোক লগাৰ নিচিনাকৈ লাগি থাকিল।

“বাৰু, হ’ব। তোমালোকে তোমালোকৰ মোনাজাতটো কৰি লোৱা,” মই উত্তৰ দিলো আৰু উপলুঙা কৰি কৈছিলো, “তোমালোক মোনাজাত কৰি এটম ব’ম এটা উৎপন্ন কৰিব পাৰানে নাই চোৱা।”

ছোৱালীজনীয়ে আৰু সেই দুজন মানুহে আঁঠু কাঢ়িলে। তেওঁলোকে কিনো কৈছিল মই শুনা নাছিলো, কিন্তু মই মন কৰিছিলো যে ছোৱালীজনীৰ দুগালেদি চকুপানী বাগৰি আহিছিল আৰু তাইৰ ওঁঠ দুটা লৰি আছিল। তাৰ পাছত নিৰৱতা ভংগ হৈছিল, যেতিয়া তেওঁলোক তিনিওজনে একেলগে কৈ উঠিছিল ঃ **“ঈছা মছীহৰ নামত খুজিছো। আমেনহু”**

আমেন শব্দটো উচ্চাৰণ কৰাৰ লগে লগেই এটা অতি উজ্জ্বল পোহৰ মাটিৰ পৰা উপৰলৈ উঠি আহিল আৰু আমাৰ দৃষ্টিৰ পৰা তেওঁলোকক লুকুৱাই পেলালে। **মই যদিওবা মৃত্যুৰ দৰে ভয়ংকৰ জুইৰে সৈতে আৰু উচ্চ ক্ষমতাৰ বিস্ফোৰণৰ অগ্নিৰে সৈতে খেলিছিলো, তথাপিও মই কেতিয়াও মোৰ গোটেই জীৱনত এনেকুৱা ধৰণৰ উজ্জ্বল আৰু ভয় খুৱাব পৰা পোহৰ দেখা নাছিলো। ই আছিল অতুলনীয় এক আছমানী নূৰ, যাক মই ভাষাৰে**





**বৰ্ণনা কৰিব নোৱাৰিম**।

লাহে লাহে পোহৰটো মোৰ ফালে আহিব ধৰিছিল আৰু মই বৰ ভয় খাইছিলো। এনেকুৱা লাগিছিল যেন ই আগলৈ আহি মোক পুৰিহে পেলাব। মই ঘামিব ধৰিছিলো আৰু অতিকৈ আতংকিত হৈ পৰিছিলো। মোৰ ন বছৰ বয়সৰ পাছত এই প্ৰথমবাৰ মই এনেকুৱা ভয়ৰ মুখামুখি হৈছিলো— যি অতি বাস্তৱ আৰু তেজ গোট মাৰি যোৱা ধৰণৰ ভয় আছিল। তেনে অৱস্থাত কি কৰিব লাগিব মই জনা নাছিলো। হঠাতে মোৰ মনত এনে চিন্তা হ’ল যে মই এই দুৰ্ভগীয়া মানুহখিনিৰ ওচৰত মাফ খোজা উচিত; গতিকে মই ভয়তে কঁপি কঁপি কৈছিলো, “অনুগ্ৰহ কৰি মোক মাফ কৰিব।” মই তেওঁলোকৰ ওচৰত মাফ কিয় বিচাৰিব লাগে তাক বুজি পোৱা নাছিলো, কিন্তু মই কেতিয়াও আগতে নেদেখা এক ডাঙৰ শক্তিৰ সৈতে তেওঁলোকৰ গভীৰ সংযোগ থকা মই দেখিছিলো। বোধহয় এইটো কাৰণতেই মই মাফ খুজিব লগা হৈছিল। যি কি নহওক, তেওঁলোক এনেকৈ কোৱা মই শুনিছিলো, “আমি তোমাক ঈছা মছীহৰ নামত মাফ কৰি দিলো।”

সেই কথাখিনি কোৱাৰ পাছতেই পোহৰৰ সেই দেৱালখন অদৃশ্য হৈ পৰিল। আকৌ এবাৰ মোৰ সন্মুখত তেওঁলোক শান্ত আৰু ধীৰভাৱে থিয় হৈ থকা দেখিলো, তেওঁলোকে যেন মোৰ কোনো হুকুম মানিবলৈকে সাজু হৈ আছিল। আমি তাত আৰু বেছি পৰ থাকিব নোৱাৰিলো। আমাৰ হাতত হিন্দু মানুহবোৰে এৰি থৈ যোৱা ঘৰবোৰৰ পৰা চুৰি কৰা কিছুমান সোণৰ গহনা-পাতি আছিল। তাৰে কিছুমান আমি তেওঁলোকলৈ দলিয়াই দিছিলো, এই ভাবি যে আমি সিহঁতক আমনি দি কিছু সময় কষ্ট দিছিলো।

মোৰ কোৱাৰ্টাৰলৈ ঘূৰি অহাৰ পাছত মই শুব পৰা নাছিলো। ঈছা মছীহৰ নামটোৱে মোৰ কাণত বাৰে বাৰে বাজি আছিল আৰু মোৰ মনত বাৰে বাৰে আক্ৰমণ কৰিছিল। মোৰ মনলৈ ঈছা মছীহৰ নামটো শক্তিশালী ভাবে আনি দিয়াৰ পাছত মই পূৰ্বৰ অভিজ্ঞতাবোৰ মনত পেলাবলৈ ধৰিলো। বাক্সটাৰৰো “খোদাবন্দ ঈছা” আছিল, যি জনাই



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

**আৰু ভক্তিক জয় কৰি ললেহেঁতেন।**

মানুহে নিজৰ স্বাধীন ইছাৰ অপব্যৱহাৰ কৰাৰ কাৰণে আল্লাহ বোধহয় দায়ী নহয়। মানুহৰ জান লোৱা কথাবোৰত তেওঁ হয়তো অসন্তুষ্টও হ'ব পাৰে। কিন্তু চাবলৈ গ'লে খোদাইহে চূড়ান্তভাৱে নিজেই দায়ী হ'ব, কিয়নো তেৱেঁই প্ৰথমে মানুহক স্বাধীন ইচ্ছা দান কৰিছিল। মই যেতিয়া কাফেৰসকলক হত্যা কৰিছিলো, মই অনুভৱ কৰিছিলো যে এইদৰে কৰিবলৈ মই এক বেহেস্তী হুকুম পাইছিলো। আল্লাহ যদিহে অসন্তুষ্ট হ'লহেতেন, তেন্তে তেওঁ নিজৰ দৰেই ঘটনাবোৰৰ শেষ সমাপ্তি দিবলৈ অতি সহজেই মোৰ ইচ্ছাৰ ওপৰত শাসন চলাব পাৰিলেহেঁতেন। এজন ভক্তপ্ৰাণ মুছলমান হিচাবে বিশ্বাস কৰিছিলো যে জেহাদৰ কামত জড়িত হ'বলৈ মছজিদৰ পৰা জনোৱা আহ্বানৰ প্ৰতি ইতিবাচকভাৱে সঁহাৰি দি মই শুদ্ধ কামকেই কৰি গৈছিলো। মই সমৰ্পণ কৰিছিলো, কাৰণ ইছলাম শব্দটোৰ অৰ্থই হৈছে "সমৰ্পণ কৰা"। সেয়েহে মই কৰা কামবোৰৰ নিমিত্তে মোক দোষী কৰিব পৰা নাযায় আৰু মই যদি দোষী নহওঁ, তেন্তে মই নিজকে দোষী দোষী অনুভৱ কৰাৰ বা দোজখলৈহে যাম বুলি ভবাৰ কোনো কাৰণ নাথাকে। মই যদি দোষী নহওঁৱেই, তেন্তে তৌবাহ কৰাৰো কোনো কাৰণ নাই। এনেকুৱাও হ'ব পাৰে যে ময়েই হয়তো সম্পূৰ্ণ ভুল কৰি আছো, মই বোধহয় মোৰ স্বাধীন মনটোক এনেকৈহে অনুশীলন কৰোৱাব লাগিছিল যাতে মোৰ বিবেকে গৰিহণা দিয়া বা নিন্দা কৰা কামবিলাক মই নকৰাকৈ থাকিব পাৰিলোহেঁতেন। মোৰ বিবেকে যদিহে মোক দোষী কৰিছিল আৰু আল্লাহ সঁচাকৈয়ে যদি আছে, তেন্তে মোৰ বিবেকতকৈও নিশ্চয় মহান জনা হ'ব লাগিব।

মই এইবোৰ কথা যিমানেই চিন্তা কৰিবলৈ ধৰিলো সিমানেই মই নিৰাশ আৰু দোধোৰ-মোধোৰ অৱস্থাত পৰিলো। মোৰ জীৱনত যেন এচমকা নূৰও নাছিল। মোৰ মনবোৰ যাতনাদায়ক চিন্তা-ভাৱনাৰে ফালি-ছিৰি গৈছে আৰু মোক যেন আছাৰিহে পেলাইছে। মোক যেন সম্পূৰ্ণ বিপথে চলাই নিয়া হৈছিল। কিন্তু এনেধৰণৰ প্ৰশ্নৰ মুখামুখি





নোহোৱাকৈ আৰু মইনো কি কৰিবলৈ ওলাইছো তাক নভবাকৈ সিহঁতক মাৰি পেলোৱা হ'লে কথাটো বেলেগ আছিল! কিন্তু সিহঁতৰ উপস্থিতিত সেইদৰে পোনপটীয়াকৈ মুখামুখি হোৱাটো আৰু মোক মোৰ কাম কৰিবলৈ এইদৰে প্ৰত্যাহ্বান জনোৱাটো মই সহিব পৰা নাছিলো। মোৰ দোধোৰ-মোধোৰ অৱস্থাটোলৈ মন কৰি তিৰোতাগৰাকীয়ে সাহ পাই আৰু আগুৱাই আহি মোৰ চকুলৈ পোনে পোনে চাই মোক নিৰ্ভিক ভাৱে সুধিছিল, "বোপা, তোমাৰ কোনো ল'ৰা-ছোৱালী আছে নে?"

"নাই, মা। কিন্তু মোৰ ককাইহঁতৰ আছে।" (মই অৱশ্যে বয়সীয়ালৰ প্ৰতি আদৰ দেখুওৱাৰ অনুভূতিটো হেৰুৱাই পেলোৱা নাছিলো, সেয়ে মই তাইক "মা" বুলি মাতিছিলো।)

"তেন্তে তুমি বাৰিষাকালত সেই ল'ৰা-ছোৱালীবোৰক বোকাৰে ঘৰ বনোৱাটো ভালদৰে মন কৰিছিলা নে?"

"হয় মা, মই নিজেও সৰুতে বোকাৰে ঘোঁৰা, বলধ আৰু বহুতো ঘৰ বহুতবাৰ বনাইছিলো।"

কথোপকথনবোৰে লাহে লাহে মোক অস্ত্ৰবিহীন কৰি পেলাইছিল। মোক কথাৰে ব্যস্ত ৰাখিব পৰাকৈ তাই কিমান চতুৰ আছিল। তাই আকৌ কবলৈ ধৰিলে, "আৰু যেতিয়া কোনোবাই তুমি বনোৱা সেই ঘৰবোৰ আৰু পুতুলাবোৰ ভাঙি পেলায়, তেতিয়া তোমাৰ কেনে লাগিছিল?"

"মই তেতিয়া বৰ বিৰক্ত হৈছিলো, "মই বৰ সাধাৰণভাৱেই উত্তৰটো দিছিলো।

"বাৰু তেন্তে, মোৰ বোপা, কল্পনা কৰাচোন যে ভগৱানে কেনেকৈ এই কণমাণি শিশুটিকো নিজৰ হাতেৰে নিৰ্মাণ কৰি তেওঁৰ মহানতা প্ৰকাশ কৰিছে। তুমি তৈয়াৰ কৰা কিবা এটা কোনোবাই ভাঙি দিলে তুমি যদিহে বিৰক্ত হোৱা, তেন্তে তুমি কেনেকৈ ভাবিব পাৰা যে তুমি কৰা এই সকলো কামবোৰ ভগবানে ভাল পাব? ভগবানক তুমি



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

ইমানেই দুৰ্বল বুলি ভাবা নে যে এই বিধৰ্মীবোৰক হত্যা কৰিবলৈ তেওঁক তোমাৰ সহায়ৰ আৱশ্যক হ'ব? ভগবানে কোনো ব্যক্তি বা কিবা বস্তুক পছন্দ নকৰিলে তেওঁ নিজে অকলেই দেখোন তাক শেষ কৰি দিব পাৰে।"

এই কথাবোৰে মোৰ মনত আৰু দিলত হাতুৰীৰে কোবোৱাৰ নিচিনা লাগি গৈছিল আৰু মই চিঞৰি কৈ উঠিছিলো, **"যথেষ্ট হ'ল, মা! আজিৰে পৰাই আৰু ধৰ্মৰ নামত এই হাত দুখনি কাৰো বিৰুদ্ধে নুঠিব! আপুনি মোক উপলব্ধি কৰোৱাই দিলে যে মই কিমান নিকৃষ্ট আৰু হতভগীয়া। মই ইয়াৰ সমাপ্তি ঘটাম। প্ৰিয় মা, মোৰ কাৰণে প্ৰাৰ্থনা কৰিব। মই জানো যে মই অধঃপতে গৈছো।"**

মই মোৰ দিলৰ ভিতৰত বুজি উঠিছিলো যে মানুহগৰাকীয়ে যি কৈছিল, ঠিকেই কৈছিল। মই জড়িত হৈ থকা কাৰ্যকলাপবোৰৰ বিষয়ে আৰম্ভণিৰে পৰাই মোৰ মনত যি সন্দেহ দোলা দি আছিল, তাত যেন তাই অলপ পোহৰ পেলাইহে দিলে। এই যুদ্ধ চলাই নিয়াৰ মোৰ যি সংকল্প আছিল, সেয়া ইতিমধ্যেই দুৰ্বল হৈ পৰিছিল। এতিয়া অৱশেষত মই আৰু চলাই নিব নোৱাৰা হৈ পৰিছো। মই সম্পূৰ্ণৰূপে ভাগি পৰিছিলো। মই মোৰ বাহিনীটোক উঠাই নিয়াৰ উদ্দেশ্যে পাছ হোহকি ওলাই আহিবলৈ হুকুম দিছিলো। মানুহবিলাকে ভাবিছিল মই নিশ্চয়ে মূৰ্খ নাইবা পাগল আৰু তেওঁলোকে মুখেৰে ভোৰভোৰাই আছিল। এনে আচৰণ মোৰ ক্ষেত্ৰত তেওঁলোকৰ বাবে অস্বাভাৱিক আছিল। তেওঁলোকৰ সকলো আঁচনি পণ্ড হৈ পৰিছিল। যি কি নহওঁক, সিহঁতে মোৰ হুকুম মানিলে।

সেই ৰাতি মই মোৰ হিংসুক আৰু ভয়ঙ্কৰ আক্ৰমণাত্মক পথবোৰৰ কথা ভাবি আছিলো। মনৰ দাপোনত দেখা মোৰ অতীতৰ ঘটনাবোৰ মোক এই অনুভৱ কৰোৱাই দিছিল যে মোৰ দৰে মানুহ এজনৰ বাবে যাবলৈ মাত্ৰ এখন ঠাইহে বাকী আছে, সেয়ে হৈছে দোজখত পাব লগা অনন্তকলীয়া শাস্তি; কিয়নো যিবোৰ বস্তুৰ গৰাকী একমাত্ৰ খোদা সেইবোৰক মই মোৰ আপোন হাতেৰেই বধ কৰিছিলো। সৰ্বশক্তিমান আল্লাহ তা'আলাই গোটেই দুনিয়াখনকে পয়দা কৰিছিল। তাৰে ভিতৰত





বন্দী হ'লো— সেই ভয় হ'ল মোৰ কৰ্মফলটো মই ভোগ কৰিবই লাগিব। মই নিজকে নিজে দোজখৰ উপযোগী হোৱা যেনহে পাইছিলো।

সন্দেহে মোক জুমুৰি দি ধৰিছিলহি আৰু মই ভয়-দোমোজাৰ এক ডাঙৰ চাকনৈয়াত আহি পৰিছিলো। আল্লাহ যদি সঁচাকৈয়ে নাই, তেন্তে কি হ'ব বাৰু? তেতিয়াতো মই যি আছিলো আৰু যি যি কৰিছিলো তাৰ কাৰণে আজাব নাপাম! দোজখৰ কাৰণেতো আৰু ভয় কৰি থকাৰ আৱশ্যক নাই। মই মোৰ চাৰিওফালে মানুহৰ জীৱনৰ ধ্বংসলীলা আৰু মওতৰ সাক্ষী আছিলো। এই সকলোতে সম্ভৱতঃ খোদাৰ উপস্থিতি নাছিল! কিন্তু মোৰ বিবেকৰ মাতটোৱে মনে মনে থাকিবলৈ অস্বীকাৰ কৰিছিল। ই যেন কতৃত্বপূৰ্ণভাৱে আৰু পতিয়ন যোগ্যতাৰে চিঞৰি চিঞৰি কৈছিল, "বাস্তৱিকতে এজনা খোদা আছে।" এই দুনিয়াখনৰ অস্তিত্বই মোলৈ প্ৰমাণ জাহিৰ কৰিছে আৰু ইয়াৰ উৎপত্তিৰ উৎসৰ আঁৰত কোনোবা এজন যে আছে, তাকে জানিবলৈ সেয়ে মোৰ বাবে যথেষ্ট। এইদৰে যদি নহ'লহেঁতেন, তেন্তে খোদাবন্দে ইমান নিবিড়ভাৱে পয়দাৰ কামত জড়িত নহ'লহেঁতেন, এই দুনিয়াখনত কোনো নাথাকিলহেঁতেন আৰু ই মনোৰম বা আকৰ্ষণীয় হৈও ধৰা নিদিলহেঁতেন! কিন্তু মই জানিছিলো যে কথাবোৰ এনেকুৱা নহয়, প্ৰকৃতিৰ সৌন্দৰ্যবোৰেই এক অস্বীকাৰ কৰিব নোৱাৰা সাক্ষী হৈ জিলিকি আছে।

মই যদিওৱা সৈমান আছিলো যে আল্লাহ এজনা আছে, যি জনাই এই দুনিয়াখনক আৰু ইয়াত চকুত লগা দৃশ্যবোৰক সৃষ্টি কৰিছিল তথাপিও মই ভাবি আচৰিত হৈছিলো যে তেওঁ নিজে পয়দা কৰা এই দুনীয়াখনক কেনেকৈনো এনেকৈ ধ্বংস হ'বলৈ এৰি দিছে! **মই সেই ধৰ্মীয় আলেমসকলৰ দ্বাৰা তালিম পাই বিশ্বাস কৰিছিলো আৰু উৎসাহিত হৈছিলো যে আল্লাহ তা'আলাই কাফেৰ আৰু অবিশ্বাসীসকলক খুন কৰিলে খুচি হয়। কিন্তু এইটো কেনেকৈনো হ'ব, যদিহে তেৱেঁই সকলোকে স্ৰজন কৰিছে? নিশ্চয়ে এইটোৱেই ভাল হ'লহেঁতেন, যদিহে তেওঁ তাৰ পৰিৱৰ্তে সকলোৰে পৰা নিষ্ঠা**



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

# শলঠেকত পৰিলো আৰু বিজয়ী হ'লো

সেই দুৰ্ভগীয়া ৰাতি এগৰাকী মধ্যবয়সীয়া তিৰোতাৰে সৈতে মুখামুখি হোৱাৰ পাছত মই কচম খাইছিলো যে মই আৰু কেতিয়াও মানুহৰ প্ৰাণ কাঢ়ি নলওঁ। মোৰ সেই কচমটো ৰাখি চলিবলৈ সংকল্প কৰি মই স্বাধীনতা আন্দোলনটোৰ পৰাও অৱসৰ লৈছিলো। RAF এৰাৰ পাছত আল্লাহক সন্তুষ্ট কৰিবলৈ মই আজাদ কাশ্মীৰ পাবৰ আন্দোলনত চামিল হৈ যুদ্ধত নামিছিলো। তেতিয়া মোৰ জীৱনটো এক অৰ্থপূৰ্ণ আৰু উদ্দেশ্যপূৰ্ণ যেন নিজকে লাগিছিল। কিন্তু এতিয়া কোনো ধৰ্মীয় উৎসাহেই হওঁক নাইবা কোনো ৰাজনৈতিক আকাংক্ষাই হওঁক, মোৰ মনোজগতত আৰু জুই জ্বলাব পৰা নাই। তাৰ পৰিবৰ্তে যুদ্ধৰ অত্যাচাৰ আৰু নিষ্ঠুৰতাইহে মোক শংকিত কৰি তুলিছে, সেয়া লাগিলে যি ধৰণৰেই নহওঁক নাইবা যি উদ্দেশ্যৰেই নহওঁক। আকৌ এবাৰ মই মোৰ পথত যেনেকৈ আছিলো তেনেকৈ আহি থমকি ৰলো। মই এক আলিদোমোজাত আহি ৰৈছিলো আৰু কোনফালেনো ঘূৰিম তাক জনা নাছিলো।

মোৰ মনৰ এই শূণ্যতা স্বত্বেও মোৰ মনটো ভয় আৰু সন্দেহৰে ভৰি পৰিছিল। এটা বিশেষ ভয়ে অৱশ্যে মোৰ লগ এৰা নাছিল— সেয়া হ'ল ইন্তেকাল হোৱা আৰু তাৰ পাছত দোজখলৈ যোৱা। ইয়াৰ বাহিৰে মোৰ যেন আৰু কোনো শেষ পৰিণতি নাছিল। মওত যেন মোৰ কাৰণে অতি বাস্তৱ হৈ ধৰা দিছিল। মই মৰিলে মোৰ যে কি দশা হ'ব মই ভাবি নাপাওঁ। মই মোৰ ন বছৰ বয়সৰ পৰাই ভয়নো কি তাক কেতিয়াবা কাচিৎহে গম পাইছিলো আৰু কেতিয়াও ভয়ংকৰ অভিযানবোৰ চলাবলৈ ভয় কৰা নাছিলো। মই বাৰে বাৰে মওতৰ মুখৰ পৰা সাৰি আহিছিলো। এতিয়া মই নিজেই ভয়ৰ লৌহ শিকলিত





তেওঁৰ আটাইতকৈ শ্ৰেষ্ঠ সৃষ্টিবোৰকেই মই ধ্বংস কৰি গৈছিলো। কিন্তু এই সকলো কাম-কাজৰ বাবে ময়েই অকলে দায়ী বুলি মই কেতিয়াও মানি নলম। নিশ্চিতভাৱেই মই মোৰ ধৰ্মীয় আলিমসকলৰ তালিমবোৰতেই আত্মসমৰ্পণ কৰিছিলো। কিন্তু মই যদিহে এই সকলো ৰক্তপাতৰ খেলবোৰৰ বাবে দায়ী নহয়, তেন্তে কোন দায়ী হ'ব? পৰোৱাৰ দিগাৰ খোদাইহে দায়ী হ'ব নে?

এই সকলো চিন্তা-ভাবনাৰ দ্বাৰাই তাড়না পাই থাকি মই এই সিদ্ধান্তলৈ আহিলো যে মই মোৰ বৰ্তমানৰ জীৱনটোক লৈ আৰু আগুৱাই গৈ থাকিব নোৱাৰো। নোৱাৰো। বিধৰ্মীবোৰক হত্যা কৰাৰ দ্বাৰাই মই মোৰ মাবুদক সন্তুষ্ট কৰিব পাৰিছো বুলি মই আৰু অনুভৱ কৰিব নোৱাৰো হ'লো। মই ইয়াৰ পৰা ওলাই যাব লাগিব। এটা পথহে মোৰ বাবে খোলা আছে, সেয়ে হৈছে পদত্যাগ কৰা। কিন্তু তাৰ পৰিণাম কি হ'ব, সেই বিষয়ে মোৰ ভাবিবলৈকে ভয় লাগে। মই মাত্ৰ এইটোৱেই জানিছিলো যে মই এইটো কৰিবই লাগিব। মই কমাণ্ডিং বিষয়াজনৰ ওচৰলৈ গৈছিলো আৰু এই স্বাধীনতা সংগ্ৰামৰ পৰা মই অৱসৰ ল'ব পাৰিম নে নাই সুধিছিলো। তেওঁৰ গোটেই মুখমণ্ডলতে আশ্চৰ্যৰ আৰু অবিশ্বাসৰ চিন ফুটি ওলাইছিল। "তুমিনো কিয় অৱসৰ লব বিচাৰিছা?" তেওঁ জানিব বিচাৰিলে। গোটেই ঘটনাবোৰ তেওঁক বৰ্ণনা কৰিবলৈ মই সাজু হ'ব পৰা নাছিলো। তেওঁ এইবোৰ কথা মোৰ পাগলামি বুলিয়েই ধৰি লব। যিকোনো কাৰণতেই নহওঁক কিয়, এই সময়ছোৱাত মই প্ৰকৃততেই ভবা কথাবোৰ কাৰো আগতেই মই ব্যাখ্যা কৰিব নোৱাৰিম। সেই কথাবোৰ মোৰ মনত জুকিয়াই লবলৈকো মোৰ সময় নাছিল; গতিকে মই মাত্ৰ ইয়াকেই কৈছিলো যে মই এই সংগ্ৰামটোৰ প্ৰতি দায়বদ্ধ নহয়। মই কোনো দৰমহা পোৱা নাছিলো আৰু সেয়ে মোৰ ওপৰত সিহঁতৰ কোনো দাবী নাছিল। মই মোৰ নিজৰ ইচ্ছাতেই যোগদান কৰিছিলো আৰু এতিয়াও নিজৰ ইচ্ছাতেই এৰি যাব বিচাৰিছো। তেওঁ বুজি পাইছিল যে মোৰ লগত তৰ্ক কৰি থকাটো আৰু মোক ৰাখিবলৈ চেষ্টা কৰাটো নিৰৰ্থক হ'ব। তেওঁ মোক লিখিতভাৱে পদত্যাগ কৰিবলৈ ক'লে। এইটোৱে মোৰ ভাৰ-চিন্তাবোৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

সজাই-পৰাই লিখিবলৈ মোক এটা সুযোগ দিলে। মই প্ৰায় চাৰি পৃষ্ঠা লিখিছিলো আৰু মোৰ অৱসৰ লোৱা কাৰণবোৰ মই পৰা ধৰণে ব্যাখ্যা কৰিবলৈ চেষ্টা কৰিছিলো। তেওঁ বৰ ধৈৰ্য্যৰে আৰু সাৱধানেৰে সেয়া পঢ়ি চাইছিল। মোৰ বিষয়ে তেওঁ কি ভাবিছিল তাক তেওঁ খোলাখুলিকৈ কৈছিল। তেওঁ কৈছিল যে মই বলিয়া হৈছো। তেওঁৰ মন্তব্যৰ কাৰণে মই তেওঁক ধন্যবাদ দিছিলো আৰু কৈছিলো যে বলিয়া হোৱা কাৰণে মই সুখী। মোৰ মগজুৰ দুৰ্বলতাৰ মাজেদিয়েই মোলৈ প্ৰকৃত নূৰ আহি আছিল। অৱশেষত অন্ততঃ মই মোৰ চেতনালৈ আহিছিলো। কামাণ্ডিং বিষয়াজন বিমোৰত পৰিছিল, কিন্তু তেওঁ মোক আন এটা কাম দিছিল, যিটো গ্ৰহণ কৰিছিলো; সেয়ে হৈছে ভাৰতলৈ গুছি যোৱা। হিন্দু মানুহবোৰৰ মাটিৰ বাহিৰে আন সম্পত্তিবোৰ এঠাইত আনি গোটাই থোৱা। মোৰ সৈতে মুছলমান জাতীয় বাহিনীৰ আৰু এটা ধৰ্মীয় গোটৰ কিছু স্বেচ্ছাসেৱকক একেটা কামকে কৰিবলৈ দিলে।

এই কামটোৰে মোক মোৰ পৰিয়ালটোৰ ওচৰলৈ পুনৰ চপাই আনিলে। এদিনাখন যেতিয়া মই আহাৰ খাবলৈ ঘৰলৈ আহিছিলো, মোৰ ককাই হাজী খোদা বক্‌ছে মোৰ ওচৰত এটা ধুনীয়া স্কাৰ্ফ দেখি সেইটো মই ক'ত পাইছিলো সুধিছিল। মই ব্যাখ্যা কৰি কৈছিলো যে মই সেইটো হিন্দু মানুহে এৰি থৈ যোৱা এটা ঘৰৰ জব্দ কৰা সম্পত্তিৰ পৰা পাইছিলো। তাকে শুনি মোৰ ককায়ে মোৰ পৰা সেইখন কাঢ়ি লৈ তাক জুইলৈ দলিয়াই দিলে। "তুমি এই স্কাৰ্ফখন আনি নিজৰে বদনাম কৰিছা আৰু আমাৰো অপমান কৰিছা," তেওঁ খঙতে জ্বলি-পকি উঠিছিল। "তুমি এতিয়াৰে পৰা ঘৰতে থাকিবা আৰু সম্পত্তি বাজেয়াপ্ত কৰা এই চাকৰিটো আৰু কৰিব নালাগে! মোৰ কথা তোমাৰ কাণত সোমাইছে নে?"

মই আচৰিত হৈছিলো। মইতো অসাধাৰণ একোকেই কৰা নাই। এনেকি আমাৰ ধৰ্মীয় আলেমসকলেওতো এৰি থৈ যোৱা সম্পত্তিবোৰক লোৱা বা ব্যৱহাৰ কৰাটো মৰ্যদা লঘূকৰ বা অনৈতিক বুলি নাভাবে। মোৰ মনত পৰে যে এজন মৌলবীয়ে এটা মাটিৰ ৰন্ধা পাত্ৰ নি





নিজৰ ঘৰত ৰাখিছিল, যিটো কোনো এজন হিন্দু লোকৰহে আছিল। সেই ব্যক্তিজন আমাৰ পৰিয়ালৰো ভাল চিনাকি আছিল। তেওঁ যেতিয়া উত্তৰ ভাৰতত থকা মুছলমানসকলৰ ধৰ্মীয় নেতাক প্ৰশিক্ষণ দিয়া দেওবন্দ আৰু বলন্দচহৰত থকা দুখন মহাবিদ্যালয়লৈ পঢ়িবলৈ গৈছিল, তেতিয়া আমাৰ আব্বাজনে তেওঁক আৰ্থিকভাৱে সহায় কৰিছিল। তেওঁ এনেকি ওচৰৰে হিন্দু গাওঁ এখনৰ মাটি-বাৰীৰে সৈতে পৰিত্যক্ত এটা বিশাল ঘৰ দখল কৰি লবলৈ সমৰ্থ হৈছিল। এদিনাখন মই তেওঁক এজন জিলা অধিকাৰীৰ সন্মুখত নিজকে ভাৰতৰ পৰা অহা এজন ভগনীয়া বুলি দাবী কৰি থকা শুনিছিলো। তেওঁ এনেকি ভাৰতৰ কোন ঠাইত থকা বিশাল পৰিমাণৰ কৃষিভূমি এৰি থৈ আহিছিল, তাকো দাবী কৰা ফৰ্মখনত পূৰাই ক্ষতিপূৰণ হিচাবে ইয়াক পাবলৈ বিচাৰিছিল। এই কথাফাঁকি কিমান যে সঁচা হে আমাৰ চকুৰ আগতে ধৰা দিছিল!

নেতাৰ পোছাকত অহা কিমান যে ডকাইতক মই লগ পালো, মই নিজকে নে মোৰ সন্মানকহে ৰক্ষা কৰিম?

অথচ মোৰ এই ককাইজনলৈ চাওক। মই লৈ অহা সাধাৰণ এটা স্কাৰ্ফৰ কাৰণেই কেনেকৈ খঙত উতলা হৈছে! কাৰ উদাহৰণটোনো মই বিশ্বাসত ল'ম? এতিয়া মই আকৌ নিবনুৱা হৈ হতাশাত আৰু বিবুধিত পৰিলোঁ। মই মোৰ এই জীৱনটোক লৈ কিনো কৰিম বাৰু?

ºººººººººººº



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

মোক দেখুৱাই দিবলৈ আৰজ কৰিছিলো। মই এদিনাখন কাহিলি পুৱাতেই বিছনা ত্যাগ কৰিছিলো আৰু মোক সত্য পথটোলৈ পৰিচালনা কৰি নিবলৈ আন্তৰিকতাৰে সৈতে কাকুতি-মিনতি কৰিছিলো। মোৰ দিলৰ অটল তলিৰ পৰা ৰূহানী সহায় পাবৰ বাবে মোৰ কান্দোন ওপৰলৈ উঠিছিলঃ

**“হে সৰ্বশক্তিমান খোদা! তোমাৰ অস্তিত্বক অস্বীকাৰ কৰা অসম্ভৱ। মোৰ প্ৰতিটো সিৰা-উপসিৰাই তোমাৰেই মহিমা প্ৰকাশ কৰিছে। গোটেই সৃষ্টিখনৰ কেন্দ্ৰবিন্দুয়েই হৈছা তুমি। মই তোমাৰ অস্তিত্বটোক স্বীকাৰ কৰোঁ। মোৰ ৰূহেও তোমাৰ উপস্থিতিৰ নিশ্চয়তা দিয়ে। মই এইটোও মানি লওঁ যে তুমিয়েই মোক আৰু আটাই মানুহবোৰক পয়দা কৰিছা। ধৰ্মীয় আলেমসকলক বেহুদা অনুকৰণ কৰি আৰু তেওঁলোকৰ ধ্বংসকামী পৰামৰ্শবোৰ অনুসৰণ কৰি তুমি পয়দা কৰা সেই মানুহবোৰক মই যাতনা দিছিলো। মোৰ কৰ্মবোৰে মোক পতিয়ন নিয়াইছে যে দোজখেই হ'ল মোৰ একমাত্ৰ ভাগ; কিয়নো হে মোৰ মাবুদ, তুমিয়েই গুনাগাৰবিলাকৰ বিচাৰ কৰোতা। এই দুনিয়াত মই কোনো ধৰ্ম আৰু মতবাদবোৰক বিশ্বাস আৰু ভৰষা নকৰোঁ। আয় মোৰ মালিক, ৰহমানুৰ ৰহিম, মোক তুমি সৰল আৰু পোন বাট দেখুউৱা। মই দোজখলৈ যাব নিবিচাৰোঁ। মোক শুদ্ধ আৰু সত্য পথ দেখুৱাই দিয়া, যাতে মই তোমাৰ হ'ব পাৰো। মই দুঃখত পৰি কষ্টভোগ কৰি আছো, ইয়া মালিকুল কুদ্দুছ। মই মোৰ দিলত ছালামত পাবলৈ বিচাৰিছোঁ, কিন্তু তাকে বিচাৰি পোৱা নাই। মোক সহায় কৰা, হে মোৰ আহাদুছ্ ছামাদ। গুনাহ সম্বন্ধে অহা সচেতনতাই মোৰ দিলটো টুকুৰা-টুকুৰ কৰি পেলাইছে। হে মোৰ খোদা, মোলৈ ৰহম কৰা, মোক তোমাৰ দয়া দেখুউৱা। আমিন!”**

তাৰিখটো মোৰ মনত নাই, কিন্তু সময়টো আছিল পুৱা ফজৰৰ ৰক্তৰ আগৰ তিনি বা চাৰি বজামানত মই গতুনুগতিকভাৱে মোনাজাত কৰি আছিলোঁ। মই বৰ বেয়াকৈ উচুপি উচুপি কান্দিছিলো আৰু চৰমভাৱে অনুশোচনাত বিমৰ্ষ হৈ পৰিছিলো। এই বিশেষ মোনাজাতটো





হ'বলৈ মই মানসিকভাৱে ভালদৰে সাজু নাছিলো। মোৰ মনৰ অৱস্থা এনেকুৱা হৈছিলগৈ যে মই ৰাতি শুবও পৰা নাছিলো। কেতিয়াবা মই উজাগৰে পৰি থাকি ভাবিহে আছিলো, মানসিক ভাগৰৰ ফলত শেষ ৰাতিহে মোৰ অলপ টোপনি আহিছিল। কিবা এটা উত্তৰ বিচাৰি পোৱাৰ চেষ্টা কৰাটো মই হয়তো বাদ দিয়াই ভাল হ'ব। সকলো ধৰ্মই বোধহয় মানুহৰ কল্পনাৰ ৰহণেৰে সৃষ্টি কৰা; যিবিলাকে কৰিছিল, তেওঁলোকে হয়তো সাধাৰণ মানুহবোৰক অযোগ্য আৰু অসম্পূৰ্ণ বুলি অনুভৱ কৰোৱাবলৈকে কৰিছিল।

মোৰ অশান্ত মনটোৱে এই ভাৱনাবোৰৰ মাজেদিয়েই গতি কৰিছিল আৰু মই শান্তি বিচাৰি পোৱা নাছিলো। এইবিলাকৰ এটা উত্তৰ নিশ্চয়ে হয়তো আছে। মই তাক বিচাৰি পাব লাগিব। প্ৰশ্নবোৰে উত্তৰ বিচাৰি ফুৰিছে আৰু মই বিচাৰি পোৱা নাই। আহাৰ আৰু নিদ্ৰা মোৰ বাবে অনৰ্থ হৈ পৰিছিল। মই এবাৰ সোতৰ দিন আৰু ৰাতিলৈকে একো নোখোৱাকৈ আছিলো। মোৰ নিজৰ ব্যৱহাৰ আৰু আচৰণৰ দ্বাৰাই মোৰ মনৰ ভিতৰত হোৱা আন্দোলনটো আৰু অধিক বেয়াৰ ফালে গতি কৰিছিল। মোৰ চাৰিওফালে থকা লোকসকলৰ আচৰণো ইয়াৰ বাবে দায়ী আছিল। মই তেওঁলোকৰ সৈতে মিলিবলৈ টান পাইছিলো আৰু বিৰক্ত হৈ উঠিছিলো। মোৰ বন্ধুবোৰে মোৰ সংগ লাহে লাহে নিবিচৰা হৈছিলগৈ। মই আটাই ধৰ্মবোৰকে সমালোচনা কৰিবলৈ ধৰিছিলো আৰু সেইবোৰৰ মূল্যবোৰক নিন্দা কৰি তুচ্ছ কৰিছিলো। মই আমাৰ মুছলমান ধৰ্মৰ আলেমসকলৰ পৰামৰ্শক সম্পূৰ্ণৰূপে অগ্ৰাহ্য কৰিছিলো। মানুহে কবলৈ ধৰিছিল যে মই বোধহয় পগলা হ'লো। তেওঁলোকে এই মতামত দিবলৈ লৈছিল যে মই জড়িত হৈ পৰা হত্যাকাণ্ডবোৰেহে মোৰ মনটোক তেনেকৈ বলিয়া কৰি পেলাইছে। মই ধৰিব পৰা নাছিলো যে মইহে মানুহবোৰক পছন্দ নকৰা হ'লো নে মানুহবোৰেহে মোক ভাল নোপোৱা হ'ল! বোধহয় দুয়োটাই সঁচা।

মই এনেকি আমাৰ পৰিয়ালটোৰো বিৰোধী হৈ পৰিছিলো। মই জানিছিলো যে মই মোৰ ঘৰতেই এজন অচিনাকী আলহীৰ দৰে হৈ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

পৰিছো আৰু আমাৰ পৰিয়ালৰ কোনোৱে মোৰে সৈতে কথা পাতিবলৈ ভাল নাপায়। কিনো হৈছে তেওঁলোকে বুজি পোৱা নাছিল আৰু বৰ অসহায় অনুভৱ কৰিছিল। এনেকুৱা ধৰণৰ হতাশাই প্ৰায়েই বিদ্ৰোহ ভাৱো জগাই তুলিছিল। এই সকলো কথাৰ কাৰণে বেচেৰী মোৰ আম্মাজানে বৰকৈ ভাগি পৰিছিল। “কোৱাচোন মোৰ বোপা, তোমাৰনো কি সমস্যা হৈছে? মই তোমাক সহায় কৰিম,” তেওঁ যেন কাকূতি-মিনতিহে কৰিবলৈ ধৰিছিল। কিন্তু কোনোৱেই মোক সহায় কৰিব নোৱাৰিছিল। মই কৰা কামবোৰৰ নিমিত্তে মই দুৰ্ভগীয়া হৈ দুৰ্দশাত ভুগিছিলো আৰু মই এই বিষয়ে একোকেই কৰিব পৰা নাছিলো। মই যেন এক অন্তহীন যাতনাক্লিষ্ট চিন্তা ভাৱনাত বন্দী হৈ পৰিছিলো আৰু প্ৰশ্নবোৰৰ উত্তৰ বিচাৰি ফুৰিছিলো।

ঘটনাক্ৰমে কিন্তু কেৱল চকামকা ধৰণে সেই চিন্তাবোৰৰ মাজতে এটা সৰু ক্ষীণ পোহৰে আন্ধাৰৰ মাজতো যেন এক নূৰ পেলাইছিলহি যে জীৱনৰ গোটেইখিনি শূন্য আৰু অৰ্থহীন নহয়। খোদা এজনা আছে। দুনিয়াখনৰ শৃংখলিত নিয়মবোৰেই পতিয়ন যাব পৰাকৈ নিয়ন্ত্ৰণত থকা এক শক্তিৰ কথা কয়। এই শক্তিটোৰ প্ৰতি গোটেই দুনিয়াখন, মানুহবোৰ আৰু সমূদায় সৃষ্ট বস্তুবোৰ কিবা নহয় কিবা ধৰণে দায়বদ্ধ হৈ আছে। পৰিণামবোৰৰ কথা চিন্তা নকৰাকৈ বা নজনাকৈ মানুহে নিজ ইচ্ছাৰে যি মন যায় তাকে কৰি যাব নোৱাৰে; নাইবা সিহঁতক দুনিয়াৰ কোনো শক্তিৰ ওচৰত গতাই দিয়া নহয়, য'ত সিহঁতৰ ভাগ্যইহে সিহঁতক কোনো গন্তব্য স্থানলৈ লৈ যাব। মই লাহে লাহে অতি বেছিকৈ এই শক্তিটোক নাইবা আল্লাহক বিচাৰি উলিয়াবলৈ আৰু শান্তি পাবলৈ দৃঢ় হৈ পৰিছিলো। মই মোৰ নিজৰ বলিয়ালিবোৰৰ কাৰণেও ভয় খাব ধৰিছিলো। মই বুজি পাইছিলো যে মই য'ত আছো তাতে থাকি ইয়াক বিচাৰি নাপাম। মই যিবিলাকক মহব্বত কৰিছিলো আৰু যিবিলাকে মোক মহব্বত কৰিছিল, সিহঁতৰ পৰা মই আতঁৰ হৈ অকলশৰীয়া হৈ পৰিছিলো।

১৯৪৯ **চনৰ মে' মাহৰ প্ৰথমছোৱাত মই মনে মনে ঘৰ এৰি**





পুনৰ ব্যথিত হওঁ। তেওঁলোকৰ খেতি-পথাৰত কাম কৰা হালোৱাবিলাকে যেতিয়া ভোকতে থাকে, তেতিয়া তেওঁলোকে ৰাছিয়াৰ পৰা পোৱালি জগোৱাৰ উদ্দেশ্যে কুকুৰ আমদানি কৰি লঘূ আৰু আৰামদায়ক জীৱন কটোৱাত ব্যস্ত হৈ পৰিছিল। তেওঁলোকৰ পথাৰত কাম কৰা বনুৱাবোৰে নিজৰ সন্তানবোৰক ভালদৰে এসাঁজ খোৱাব পৰা নাছিল, অথচ এই পীৰসকলৰ মূল্যৱান কুকুৰবিলাকে দিনে দুবাৰকৈ টাত্কা গোস্ত পেট ভৰাই খাবলৈ পাইছিল। এনে পতনমুখী অৱস্থাটোৱে মোৰ মানসিক অৱস্থাটোক আৰু জঠৰ কৰি পেলাইছিল।

যি কি নহওঁক, ময়ো সহজে এৰি দিয়া নাছিলো। মই এনেকি মনৰ ৰহস্যময় অৱস্থা এটাত উপস্থিত হৈ আল্লাহৰ সান্নিধ্য বিচাৰি নিচাযুক্ত দৰৱ, সংগীত আৰু নাচত ব্যস্ত হৈ পৰা মুছলমান ছাত্ৰসকলৰ এটা দলত যোগদান কৰিছিলো; তথাপিও ইয়ো অসাৰ হৈছিল আৰু মোৰ একো লাভ নহ'ল, বৰং মই আৰু বেছিকৈহে আমনি পাই তিক্ত হৈ উঠিছিলো। শান্তিৰ সন্ধানত কৰা মোৰ যাত্ৰাটো সম্পূৰ্ণ ভ্ৰান্তিতহে আহি সামৰণি পৰিছিল। এই নিৰাশজনক অৱস্থাতেই থাকি মই কোৰান শ্বৰীফৰ আৰম্ভণিৰ কালামবিলাক মনত পেলাইছিলোঃ

**“আমাক সৰল পথলৈ চলাই নিয়া, তুমি অনুগ্ৰহ দেখুউৱা সেইসকলৰ সৎপথলৈ; পথভ্ৰষ্ট আৰু তোমাৰ ক্ৰোধত পৰাসকলৰ, পথলৈ নহয়।”**

এই “সৎ পথ” (ছিৰাত)টো সাধাৰণতে মুছলমানসকলৰ ঈমানটোক বুজায়। ই সেই অতি ঠেক সেতুখনৰ কথাকো বুজায়, যিটো দোজখৰ মুখৰ ওপৰত অৱস্থিত বুলি মুছলমানসকলে বিশ্বাস কৰে। ভাল বা নেকবান্দা মুছলমানসকলে নিৰাপদে সেই দলঙখন পাৰ হৈ যাব পাৰিব, কিন্তু আনসকলে সেই জুইৰ ওপৰত গৈ পৰিব।

মানুহে সৃষ্টি কৰা সকলো ধৰ্মমতবোৰত মোৰ বিশ্বাস হেৰাই গৈছিল, মই অনুভৱ কৰিবলৈ লৈছিলো যে মোৰ নিজৰ দোজখখনৰ পৰা উদ্ধাৰ পাবলৈ আৰু পলাই সাৰিবলৈ নিশ্চয়ে কিবা এটা পথ থাকিব লাগিব আৰু মই আল্লাহক সেই পথটো মোৰ এই জীৱনতে



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

দৰে ময়োতো এজন ৰহস্যবাদী হৈ যাব পাৰোঁ। বোধহয় এই পথেৰেই মই বিচাৰি থকা শান্তিটো মই পাই যাম। মই আগতে উল্লেখ কৰি অহাৰ দৰে অষ্টম আৰু নৱম শতিকাৰ ইছলাম বিশ্বাসৰ দুনিয়াখনত ভক্তপ্ৰাণ বান্দাবিলাকে, যিবিলাক দৰ্‌বেশী জীৱনৰ যোগেদি শান্তি পাবলৈ বিচাৰিছিল, তেওঁলোকক চুফিবাদী বা চুফিপন্থী বুলি জনা গৈছিল। বহুতো ক্ষেত্ৰত মছীহী সাধুসকলৰে সৈতে তেওঁলোকৰ মিল দেখা গৈছিল, যিসকলে মধ্য-পূৱ অঞ্চলত আহি সোমাইছিল। চুফিসকলৰ মতে মানুহৰ বাহিৰৰ আচাৰ-আচৰণৰ যোগেদি ইছলাম ধৰ্মই বাধ্যতা দাবী কৰাটো গৌণ কথাহে হয়। মূল কথাটো হৈছে, মহব্বতৰে পূৰ্ণ আল্লাহ তা'আলাৰ প্ৰতি মানুহৰ ভক্তিৰ সহাঁৰিটো দিলৰ পৰাহে ওলাব লাগিব। তেওঁলোকে খোদাতা'লাৰ সৈতে পোনপটীয়াভাৱে অভিজ্ঞতা লভা কথাটোত বিশ্বাস কৰিছিল। নিশ্চয়ে মই যি ভাৱিছিলো, আন সকলো কথাতকৈ মোকো যেন ইয়াকেই লাগে।

মোক কাৰোবাৰ সহায়ৰ প্ৰয়োজনটো ক্ৰমান্বয়ে জৰুৰী হৈ পৰিছিল। অকলশৰীয়াকৈ মই নিজে বিচাৰি ফুৰিলে মই ক'লৈকো গৈ নাপাম। এতেকে মই বহুতো শূন্য স্থানলৈ গৈ উজাগৰী নিশা কটাইছিলো আৰু "পৱিত্ৰ লোকবিলাকৰ" সংগত থাকি আলোচনা আৰু চৰ্চা কৰিছিলো। তথাপিও যিমানেই অধিককৈ মই "পবিত্ৰ" বা "ধাৰ্মিক" ব্যক্তিসকলৰ লগত আছিলো, সিমানেই অধিককৈ মই নিৰাশহে হৈছিলো। বোধহয় মোৰ সামৰিক প্ৰশিক্ষণটোৱেই ইয়াৰ বাবে দায়ী আছিল, যিটোৱে মোক সন্দেহবাদী কৰি তুলিছিল। মই যেতিয়াই সেইসকল মানুহৰ জীৱনটোক ভালদৰে পৰ্যবেক্ষণ কৰিছিলো, মই দেখিবলৈ পাইছিলো যে তেওঁলোকে যদিওবা বেহেস্তী সত্যৰ সন্ধান পাওঁতা বা বিচাৰোঁতা বুলি নিজকে দাবী কৰে, তথাপিতো তেওঁলোকে যেন দুঃখ লগাকৈ বিপথে পৰিচালিত হৈছে, এনে লাগে। মই তেওঁলোকক এনে কিছুমান ভয়ংকৰ কামত জড়িত থকা পাইছিলো, যিবোৰ বৰ্ণনা কৰিবলৈ মোৰ লাজ লাগে। আনহাতে মই যেতিয়া পীৰসকলৰ নাইবা মুৰ্ছিদসলৰ (চুফিসকলৰ ৰুহানী পৰিচালক) জীৱন-ধাৰণবোৰ বিবেচনা কৰি চাওঁ, তেতিয়া মই





**ওলাই আহিছিলো। মইনো ক'লৈ যাম তাৰ কোনো ধাৰণা মোৰ নাছিল। মোৰ মনত এটাই জ্বলি থকা আকাংক্ষা আছিল, সেয়ে হৈছে শান্তিক বিচাৰি পোৱা। মই এনেকি ঘৰতো মাত লগাই নাহিলো।**

হেঁপাহেৰে আৰু আন্তৰিকতাৰে মোৰ অনুসন্ধান আৰম্ভ হৈছিল, কিন্তু মই মছীহী ঈমানলৈ ঘূৰা নাছিলো। মই বিচাৰি ফুৰা শান্তিটো যি যি মানুহৰ ওচৰত দৃশ্যৰূপে উপস্থিত আছিল, তেনে মানুহবোৰকো মই লগ পাইছিলোঁ; তথাপিও মই সেই দিশলৈ চাবলৈ কোনো যত্ন কৰা নাছিলো। মই এতিয়াও মুছলমান হৈয়েই আছো আৰু ইয়াক ত্যাগ কৰাৰ আগেয়ে ইছলাম ধৰ্মটোক ভালদৰে পৰীক্ষা কৰি চাবলৈ দৃঢ় হৈছিলো। **"মানুহ এজনে জীৱনত বহুতো বস্তু এৰি পেলাব পাৰে, কিন্তু কোনো শক্তিশালী কাৰণ অবিহনে নিজৰ ধৰ্ম ত্যাগ কৰাটো মোৰ দৃষ্টিত মূৰ্খামিৰ দৰে আছিলচ আৰু তাতে যদি সেইটো ইছলাম ধৰ্ম হয়, তেন্তে ই আৰু টান হৈ পৰে, কিয়নো ইছলাম ধৰ্মই সকলো দিশকে সামৰি লৈ মানুহ এজনৰ জীৱনটোক আল্লাহৰ ওচৰত সমৰ্পন কৰোৱায়। ইছলাম ধৰ্মৰ ভিত্তিমূল প্ৰথম কলিমাটো গ্ৰহণ কৰাত মোৰ কোনো সন্দেহ নাইবা সংকোচ নাই, সেই কলিমাটো হৈছে, "আল্লাহৰ বাহিৰে আন কোনো মাবুদ নাই।"** ইছলামৰ ঈমানে গৌৰৱেৰে এলান কৰাৰ দৰে ময়ো খোদা মাত্ৰ এজনা বুলিহে বিশ্বাস কৰোঁ। ই ওলাই অহা ধৰ্মীয় পটভূমিতো কোনোবাই লক্ষ্য কৰিলে এই ঈমানৰ ভেঁটিটো কিমান যে মজবুত তাক দেখা পাব। আৰবসকল আদিতে বহু ঈশ্বৰ বা বহু দেৱ-দেৱীৰ উপাসক আছিল, মক্কাত থকা কাবা শ্বৰীফত তেতিয়া ৩৬০ টা দেৱ-দেৱীৰ মূৰ্ত্তি আছিল, সেইবোৰক আৰববাসীয়ে ভক্তি কৰিছিল; কিয়নো ইয়াৰ এটা দেৱালত সৰি পৰা উল্কাৰ কলা বৰণীয়া পাথৰেৰে খোদাই কৰা হৈছিল। লাট, মানাত আৰু উজ্জা নামৰ দেৱীসকলৰ ধৰ্মমততো এই সত্যতা সুদৃঢ়ভাৱে প্ৰতিষ্ঠা হোৱা এটা অংশ আছিল। এই দেৱীসকলক আল্লাহৰ জীয়েক বুলি মানুহে জানিছিল। আল্লাহ হ'ল এক সৰ্বশ্ৰেষ্ঠ সত্ত্বা। মহম্মদে আল্লাহক একমাত্ৰ খোদা বুলি এলান কৰি দেৱ-দেৱীবোৰক ত্যাগ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

কৰিছিল আৰু কৰোৱাইছিল। এই ঈমানটোক আঁকোৱালি লোৱা মানেই হ'ল এটা মহৎ সত্যক আঁকোৱালি লোৱা; তথাপিতো ইছলাম ধৰ্মই মোৰ দৃষ্টিত নিন্দনীয় যেন হে উঠিছিল। মই যি বিচাৰিছো, তাক বাৰু ই দিব পাৰিবনে?

আমাৰ ধৰ্মীয় নেতাসকলৰ মতে আল্লাহে তেঁওৰ অনুগামীসকলক কাফেৰসকলৰ বিৰুদ্ধে পৱিত্ৰ যুদ্ধ বা জিহাদত জড়িত হ'বলৈ হুকুম দিছে। তেনে জিহাদত অংশ লোৱাৰ ফলতহে মই এতিয়া এটা হতাশাজনক অৱস্থাত আহি পৰিছো। **মই গভীৰলৈ সোমাই গৈ আৱিস্কাৰ কৰিছিলো যে ইছলামে এই শিক্ষাকে দিয়ে যে মই মোৰ মওতৰ পাছতহে মাগফেৰাতৰ আশা কৰিব পাৰো, যদিহে মই এই দুনিয়াত থাকোতে ভাল কাম কৰো। কিন্তু মই এতিয়াই এই জীৱনতে শান্তি, ক্ষমা আৰু খোদাৰে সৈতে মিলন হোৱাটো বিচাৰো।** মোৰ ইন্তেকালৰ পাছত এইবোৰ পালে বৰ পলম হৈ যাব। মাত্ৰ মওতৰ পাছতহে মাফ পোৱাৰ আশা কৰি মোৰ বাকী জীৱনটো কটাই দিয়াতেই ই মোক সন্তুষ্ট কৰাৰ জোখাৰে যথেষ্ট নহয় আৰু এই আশাটোৱে মোৰ বৰ্তমানৰ দুৰ্দশাৰ পৰা মোক উদ্ধাৰো কৰিব নোৱাৰে। ইয়াৰোপৰি মই মৌলবীসকলৰ কথা শুনিবলৈ আৰু তেওঁলোকক আদব কৰিবলৈ টান পোৱা হ'লো। মোৰ আব্বাজানে মোক কোৱা কথা এটা মোৰ মনত পৰি গৈছিল ঃ **"শুনা মোৰ বোপা, মৌলবীসকলৰ সৰহভাগেই অনৈতিক চৰিত্ৰৰ ব্যক্তি হয়। তেঁওলোকৰ নছিয়তবোৰ লবা, কিন্তু খাছিয়তবোৰ নলবা। তেঁওলোকে ৰহস্যবাদী মনছুৰক বধ কৰাৰ দৰেই সাধাৰণ মানুহবোৰকো ফাঁচিকাঠৰ ফালেহে লৈ যায়। তেঁওলোকক নিশ্চয়ে আদব কৰিবা, কিন্তু তেঁওলোকৰ ওপৰত বিশ্বাস বা ভৰসা নকৰিবা আৰু যদি সম্ভৱ হয়, তেন্তে তোমাৰ ঘৰৰ পৰা সিহঁতক দূৰৈতে ৰাখিবা।"**

মোৰ আব্বাজানে এই কথাটো সম্ভৱতঃ এনে এটা সময়তেই কৈছিল, যেতিয়া সন্দেহজনক পৰিৱেশ এটাৰ পৰা এগৰাকী মহিলাক এগৰাকী হাফিজৰ ঘৰৰ পৰা উলিয়াই অনা হৈছিল, যিজনে গোটেই





আৰবী কোৰানখনকেই মুখস্থ মাতিব পাৰিছিল। সকলো ধাৰ্মিক মুছলমানৰ এইটো এটা লক্ষ্য হৈ পৰে যে তেঁওলোকৰ ল'ৰাবিলাকে যেন বাৰ বছৰ বয়সতেই গোটেই আৰবী কোৰানখন মুখস্থ মাতিব পাৰে আৰু এইদৰে কোৰাণৰ ৰক্ষাকাৰী হৈ এজন হাফিজ আল-কোৰান হয়গৈ। কিন্তু কথাটো হ'ল এই যে এই হাফিজ আল-কোৰান হোৱা মৌলৱীজনে নিজকে এই অনৈতিক কামবোৰত সোমাই পৰাৰ পৰা নিজকে বচাই ৰাখিব নোৱাৰিছিল। ধৰ্মীয় আলেমসকলৰ নাপাক জীৱনৰ পোনপটীয়া পৰিণাম এয়েই হৈছিলগৈ যে মোৰ আব্বাজানে সমূহীয়া পৰিচয় ৰক্ষাৰ উদ্দেশ্যে জুম্মাবাৰে দুপৰীয়া মুছলমানসকলে পঢ়া জুম্মা নামাজত যোগ দিবলৈ মছজিদলৈ নোযোৱা হ'ল।

মোৰ আব্বাজানে কোৱা আৰু বৰকৈ প্ৰশংসা কৰা ৰহস্যবাদী মনছুৰ দশম শতিকাৰ লোক আছিল। তেওঁক বাগ্দাদত বৰ নিষ্ঠুৰভাৱে হত্যা কৰা হৈছিল। গোড়াপন্থী মুছলমানসকলৰ দৃষ্টিত তেওঁ এজন খোদাৰ নিন্দাকাৰী পাষণ্ড কাফেৰ আছিল। তেওঁ এই কথা কৈছিল, "আনা হক" অৰ্থাৎ "মই সত্য"। ই আছিল বক্তি সত্ত্বাৰ এক ধৰ্মীয় মতবাদ। তেওঁ অতীন্দ্ৰিয়ৰ এক চৰম অৱস্থা পাইছিল, যিটো হৈছে আল্লাহৰ সৈতে সম্পূৰ্ণ শুদ্ধভাৱে এক হৈ যোৱা বা মিলন হোৱা। কিন্তু সৰ্বশ্ৰেষ্ঠ সত্ত্বা আল্লাহৰ সৈতে তেৰেঁই পয়দা কৰা মানুহৰ দাগ লগা সম্পৰ্কটোক গোড়াপন্থী মুছলমানসকলে মানি লব নোখোজে। মোৰ আব্বাজান, যিজনে নিজকো ৰহস্যবাদী বুলি গণ্য কৰে, তেওঁ বোধহয় এনেধৰণৰ জটিলতা বা সমস্যা কেতিয়াও পোৱা নাছিল। তেওঁৰ বাবে পাৰ্চী ভাষাৰ কথা এফাঁকিয়ে মানুহৰ আৰু আল্লাহৰ মাজৰ সম্বন্ধটোৰ বিষয়ে তেওঁ যি বুজিছিল, তাক প্ৰকৃতভাৱে প্ৰকাশ কৰেঃ

> **"খোদাৰ বান্দাবিলাকে সম্পূৰ্ণৰূপে কেতিয়াও
> খোদা হ'ব নোৱাৰে, কিন্তু তেওঁলোকক
> কেতিয়াও খোদাৰ পৰা পৃথক কৰিবও নোৱাৰি।"**

মই মোৰ আব্বাজানৰ কথাবোৰ আৰু ধাৰণাবোৰ মনত পেলাই চিন্তা কৰি থাকোতে মোৰ মনত এনে প্ৰতিক্ৰিয়া হৈছিল যে তেওঁৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

আছিল আৰু তেখেত ঘূৰি অহাৰ পাছত মোৰ আন্ধাৰ কোঠালিটোত সোমাই আহি সুধিছিল, "ভাইজান, আপোনাৰ কিবা অসুখ হৈছে নেকি?"

"নাই, মোৰ একো অসুখ হোৱা নাই," মই দুৰ্বলভাৱে উত্তৰ দিছিলো।

"তেন্তে আপুনিনো ইমান দুৰ্বল কিয় হৈছে? আপুনি কিবা খাবলৈ পাইছে নে?"

মই মূৰটো লৰালো আৰু তেখেতে সুধিছিল, "কেতিয়াৰ পৰা?" মোৰ শৰীৰত বৰ বেছি শক্তি নাছিল। তথাপিও মই মোৰ চকুৰ পানী ওলাই অহাত বাধা দিব পৰা নাছিলো। মই মোৰ আঙুলিৰে ইংগিত কৰি বুজাইছিলো যে তিনিদিন ধৰি মই একো খাবলৈ পোৱা নাই। তেওঁ এই খবৰটো পাই মনত বৰ দুঃখ পাইছিল আৰু মোক শান্ত্বনা দিছিল।

"আমি যে কি ধৰণৰ মানুহ!" তেওঁ আচৰিত হৈ কৈছিল। "কিমান নীচ আৰু নিষ্ঠুৰ! মই যেতিয়া আঁতৰত আছিলো, তেতিয়া আপোনাৰ বিষয়ে সুধিবলৈ নাইবা চিন্তা কৰিবলৈ ইয়াত এজনো মানুহ নাছিল নে?"

"একো নহয়, মহাশয়। মই ভাৱিছিলো যে এইটোও মোৰ পৰীক্ষাৰে এটা অংশ আৰু সেয়ে মই এই কথাটো কাকো কোৱা নাছিলো। মই এনেকি এই কোঠাটোৰ পৰাও ওলাই যোৱা নাছিলো, কিয়নো মানুহবিলাকে মোৰ বিষয়ে ভাল নলগা কিছুমান কথা নিজৰ ভিতৰতে কোৱাকুই কৰিছিল। এজনে কৈছিল যে মই মাত্ৰ বিয়া কৰাবৰ বাবে কোনো এজনী ছোৱালী পাবলৈহে মছীহী হ'বলৈ বিচাৰিছো। আন এজনে কৈছিল যে মিছনত কিবা চাকৰি পাবলৈহে মই বিচাৰিছো আৰু আন এজনে কৈছিল যে মই মাত্ৰ টকা-পইচাহে বিচাৰো। মই এই সকলোবোৰ কথা শুনিছো যদিও মই একো নোকোৱাকৈ থাকিলো।"

চৌহদৰ ভিতৰৰ মানুহবোৰ প্ৰথম অৱস্থাৰ পৰায়ে মোৰ প্ৰতি





উচ্চাৰণ কৰি থাকোতে মই ৰেলৰে ষ্টেচন এটাৰ জিৰণি কোঠাত আছিলো। হঠাতে মোৰ এনে লাগিছিল যেন কোনোবা এজনে আহি মোৰ পাছফালে ৰৈছে আৰু তেওঁৰ মহৰৱতৰে ভৰা হাতখনি মোৰ কান্ধত থৈ কৈছে,

**"মোৰ অনুগ্ৰহেই তোমালৈ জুৰিব!"**

বাক্যটো তিনিবাৰ কোৱা হৈছিল আৰু তেতিয়া মই অনুভৱ কৰিছিলো যেন মোৰ শৰীৰৰ মাজেদি এক বিদ্যুৎ প্ৰৱাহিত হৈ গ'ল। মোৰ দিলত থকা বোজাবোৰ সেই তেতিয়াই উঠাই নিয়া হৈছিল। ই এনে এক শক্তিদায়ক স্পৰ্শ আছিল যে মই আশা নকৰাকৈয়ে এক অদ্ভুত আনন্দই মোক আবৰি পেলাইছিল। মোক ওপৰলৈ তুলি নিয়া যেন অনুভৱ কৰিছিলো আৰু যি অভিজ্ঞতাটো পাইছিলো তাক এনেকৈহে বৰ্ণনা কৰিব পাৰি যে সেয়া আছিল আল্লাহৰে সৈতে এক হৈ যোৱা বা মিলন হোৱা। একোৱে যেন আৰু আমাক বিচ্ছিন্ন কৰিব নোৱাৰিব। ক্ষমা পোৱা আৰু পুনৰ মিলন হোৱা অনুভূতিটো অতি বাস্তৱিক আছিল। খোদাৰ পৰা শুনা সেই কালামটো মই বাৰে বাৰে মহা উলাহেৰে কবলৈ ধৰিছিলো। মই ইয়াৰ আগতে কাহানিও ইমান গভীৰ সুখ আৰু আনন্দৰ অভিজ্ঞতা পোৱা নাছিলো। ই সঁচাকৈয়ে "আছমানী" বা "বেহেস্তী" ধৰণৰ আছিল।

ৰেলৰ কৰ্মচাৰী এজনে মই বাগৰি পৰি থকা বেঞ্চখনৰ কাষতে সৰা-মোচা কাম কৰি আছিল আৰু তেওঁ যেতিয়া মোৰ আনন্দটোক লক্ষ্য কৰিছিল, তেতিয়া তেওঁ খন্তেক থমকি ৰৈ মোক সুধিছিল মই এজন মছীহী নে? তেতিয়া মই মূৰটো ল'ৰাই নহয় বুলি বুজালো আৰু তেওঁ আঁচৰিত হৈ মোক কৈছিল, "তেন্তে আপুনি কিয় '**মোৰ অনুগ্ৰহেই তোমালৈ জুৰিব**" বুলি বাৰে বাৰে কৈ আছে?" মই উত্তৰ দিছিলো, "ময়ো নাজানো মইনো কিয় এই কথাষাৰি বাৰে বাৰে কৈ আছো। মই কেৱল ইয়াকে জানো যে কোনোবা এজনে আহি এই কথাষাৰি মোক কৈছিল আৰু মোক এখন ফলি দেখুৱাইছিল, য'ত মোৰ সকলো অপকৰ্মবোৰ লিখা আছিল। কিন্তু তেওঁৰ হাতত এটা বাঢ়নি আছিল, যাৰে তেওঁ সেই ফলিত লিখা আটাইখিনি মচি সম্পূৰ্ণ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

পৰিস্কাৰ কৰি পেলাইছিল। সেই মূহূৰ্তৰে পৰাই মই যেন এজন নতুন মানুহ হৈ পৰিলো এনে অনুভৱ মোৰ হৈছে। মোৰ ৰূহৰ পৰা আটাই বোজাবোৰ তুলি নিয়া হ'ল। মোৰ অন্তৰে উচ্চস্বৰে গান গাবলৈ বিচাৰিছে।"

"সেই জনেই খোদাবন্দ হয়, যিজনক আপুনি এই ধৰণৰ উদ্ধাৰৰ কাৰণে ধন্যবাদ দিয়া উচিত," তেওঁ মোক কৈছিল। "যিজনা আপোনাৰ ওচৰলৈ আহিছিল, সেইজনাই হ'ল স্বয়ং ঈছা মছীহ। তেওঁ এই কথাবোৰকে ৰছুল পৌলকো কৈছিল। মই নাজানো ঠিক কোনখিনিত এনেকৈ লিখা আছে, কিন্তু মই জানো যে এই কথাফাঁকি পাক ইঞ্জিল শ্বৰীফত আছে। এতিয়া সেই খোদাবন্দ ঈছা মছীহই আপোনাকো তেওঁৰ খেদ্‌মতকাৰী উম্মত হোৱাটো বিচাৰিছে?"

"কেনেকৈ ভাইজান? মইনো কি দৰে তেওঁৰ গোলাম হ'ব পাৰিম?"

"খোদাবন্দ ঈছা মছীহৰ নামত তৰিকাবন্দী লওক আৰু সোনকালেই তেওঁৰ পাছত চলিবলৈ আৰম্ভ কৰক।"

"মই প্ৰকৃততে কি কৰা উচিত হ'ব, তাক ভালদৰে কওক, ভাইজান। মই মোৰ জীৱনৰ এটা ঘূৰিবলগা আলিমূৰত আহি পাইছোহি।"

"ভাইজান, মই ইয়াতকৈ বেছি একো নাজানো। মই মাত্ৰ ইমানকে জানো যে আপুনি যদিহে ইয়াৰ পৰা টাঙিলানৱালালৈ যায় আৰু তাৰ পৰা ঈছানগৰীলৈ যায়, তেন্তে তাত এজন মছীহী ইমামক লগ পাব, তেওঁৰ নাম হ'ল ইনায়ত ৰুমাল শ্বাহ। তেৱেঁই আপোনাক সহায় কৰিব।"

সেই বুঢ়া মানুহজনে এতিয়া বাঢ়নীডাল থলে আৰু মোৰ আৰু ওচৰ চাপি আহিল। তেওঁৰ চকুত চকুপানী দেখিছিলো। মই তেওঁক সাৱটি ধৰিলো, মোৰ বাহু দুখনিত তেওঁক জোৰকৈ আনিলো। আমি দুয়োৱেই আনন্দৰ খোলা খুলিকৈ কান্দিলো আৰু আমাৰ গভীৰ অনুভূতিবোৰ বিদাই দিলো। খন্তেকৰ বাবে মোৰ মনত এনে ভাৱে খেলিমেলি লগাইছিল যে তেৱেঁই বোধহয় সেই সৰু ছোৱালীজনীৰ বাপেক হয়, যাৰ গোটেই পৰিয়ালটোক মই আৰু মোৰ বাহিনীটোৱে





কৰা আৰু সমাজৰ পৰা বিচ্ছিন্ন হোৱাৰ দৰে হয়। কিছুমানৰ বাবে এনে অভিজ্ঞতাবোৰ দুঃখদায়ক হয়। তৰিকাবন্দী কথাটো কেতিয়াও পাতল ধৰণে লব নালাগে। ইছলামধৰ্মী দেশ এখনত মছীহী হোৱাৰ অৰ্থই হ'ল ৰাজদ্ৰোহ কৰা। এনে দেশবোৰত মুছলমান এজনে মছীহী হ'লে "এজন মুছলমানে ইছলামধৰ্মী দেশ এখনত জীৱন-ধাৰণৰ যি যি সুবিধা পায়, তাৰ পৰা বঞ্চিত হ'ব লাগিব।" কিছুমান মুছলমান দেশত ধৰ্মান্তৰিতসকলক এনেকি আইনৰ সুৰক্ষাৰ পৰাও বাদ দি ৰখা হয়। এনে মানুহে তেওঁলোকৰ সম্পত্তিবোৰ কোনোবাই নষ্ট কৰিলে নাইবা তেওঁলোকৰ পৰিয়ালৰ কোনো সদস্যক কোনোবাই অত্যাচাৰ কৰিলে ন্যায় পাবৰ বাবে আদালতত আবেদন কৰিব নোৱাৰে। মুছলমানৰ পশ্চাদভূমিৰ পৰা মছীহী ঈমানলৈ অহাসকলে কেতিয়াবা তেওঁলোকৰ প্ৰাণকো হেৰুৱাব লগা হোৱাটো এক সাধাৰণ কথা হৈ পৰে। কিন্তু মই এনে ধৰণৰ পৰীক্ষাবোৰৰ মাজেদি পাৰ হ'বলৈ আনন্দিত হৈছিলো। এই প্ৰতিক্ৰিয়াৰ মাজেদি মই আৰু তেওঁলোকে উভয়েই মোৰ ঈমানৰ সত্যতা নিৰূপণৰ প্ৰকৃত সুযোগ লাভ কৰিব পাৰিম।

ইমাম ৰাটোনে মোৰ বাবে দৰ্শনাৰ্থীৰ কোঠা এটাত থাকিবলৈ ঠিক কৰি দিলে। তাত এটাহে মাত্ৰ ঢলং পলং কৰা পুৰণি বিছনা আছিল, তাত দুখন লেপ আছিল। মই যদি নিহালীখন ওপৰত লওঁ, তেন্তে গৰমে আমনি কৰে আৰু যদিহে নলওঁ, তেন্তে ম'হবোৰে মোৰ তেজ শুহিবলৈ উৰি ফুৰে। আহাৰৰ বাবেও কোনো উপযুক্ত ব্যৱস্থা কৰা হোৱা নাছিল। মোক কিবা খাবলৈ দিয়া হ'লে মই খাইছিলো আৰু মোৰ কথা কাৰো মনত নাথাকিলে, মই ভোকতে আছিলো। এবাৰতো এনে হৈছিল যে তিনিদিন ধৰি মোক আহাৰ যোগাবলৈ কাৰোৱেই মনত পৰা নাছিল। প্ৰথম দুদিন মই কোনোমতেহে জীয়াই আছিলো আৰু দুদিন ধৰি সৰহভাগ সময় মই মোনাজাত কৰি কটাইছিলো। কিন্তু তৃতীয় দিনাখন মই ইমানেই দুৰ্বল হৈ পৰিছিলো যে মই বিছনাতে পৰি আছিলো। মিছন চৌহদৰ পৰা ইমাম ৰাটোনে কিবা কামত আঁতৰি



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

সহায়হীন বুলি আৰু মোক একো দিব নোৱাৰে বুলি নক'ব। তেওঁ ইতিমধ্যেই মোক সকলো দিছে। তেওঁ মোক এজন নতুন মানুহ কৰিলে আৰু মোৰ অন্তৰত শান্তি দিলে।"

"বৰ ভাল কথা" তেওঁ কৈছিল। "মই মাত্ৰ আপোনাৰ কাৰণে এটাই কাম কৰিব পাৰিম। সেয়ে হৈছে গজ্ৰাত থকা মোৰ এজন মিছনাৰী বন্ধুৰ ওচৰলৈ আপোনাক পঠিয়াম। তেওঁ আপোনাক সহায় কৰিব।"

মোক অতি সহজে গ্ৰহণ কৰা হোৱা নাছিল আৰু ময়ো সেইটো আশা কৰিব পৰা নাছিলো। সমুখত থকা পথটো বৰ দীঘল আছিল। কেইমিনিটমান পাছত ইমাম শ্বাহে মোৰ হাতত চিঠি এখন দিছিল আৰু বাছেৰে গজ্ৰালৈকে যাবলৈ কিছু পইচাও দিছিল। মোৰ হজ যাত্ৰাৰ কি এক দুৰ্ভাগ্যজনক আৰম্ভণি; তথাপিও মই কোনো ধৰণে হতাশা বা কমজোৰ হোৱা নাছিলো। মোৰ নতুন ঈমানটোৱেই মোৰ কাৰণে যথেষ্ট আছিল। মই অৱশেষত এক ডাঙৰ গুপ্তধন বিচাৰি পাইছিলো আৰু মোৰ পৰা ইয়াক কোনোৱে কাঢ়ি নিব নোৱাৰিছিল।

মই আবেলি সময়ত গজ্ৰা গৈ পালো আৰু ঈমাম আৰ. ডব্লিউ. এফ. ৰাটোনক লগ কৰিলোগৈ। এতিয়ালৈকে মই বুজিছো যে আগলৈ যোৱা পথটো বৰ সহজ নহয়। ইমাম ৰাটোনে মোক কৈছিল যে তেওঁলোকে পোনতে মোৰ মছীহী হোৱাৰ বাসনাটোৰ সত্যতাৰ পৰীক্ষা লব আৰু তাৰ পাছত মোক তৃৰীকা দিয়াৰ বিষয়ে সিদ্ধান্ত লব। মই আনন্দেৰে সন্মতি দিছিলো। তৃৰিকাবন্দীটো হৈছে মছীহী হোৱাৰ চিনস্বৰূপে প্ৰথম পদক্ষেপ। এইটো মানুহ এজনলৈ স্বাভাৱিক ধৰণেৰে ঘটা কোনো ঘটনা নহয়। **ইয়াৰ অৰ্থ হৈছে মছীহৰ প্ৰতি, খোদাৰ ৰাজ্যৰ প্ৰতি আৰু তেওঁৰ পাক কিতাব ইঞ্জিলৰ আহকামৰ প্ৰতি স্বাধীন মন এটাৰে সৈতে কৰা সমৰ্পণ**। মন সলনি কৰা বা তৌবাহ কৰা নতুন ঈমানদাৰ এজনৰ সন্মুখত এটা সম্পূৰ্ণ নতুন জীৱন-ধাৰণ আৰু মূল্যবোধৰ দিশটো মুকলি কৰি দিয়া। অখ্ৰীষ্টিয়ানসকলৰ ইতিহাস থকা দেশ এখনত ধৰ্মান্তৰৰ ঘটনাই সাংস্কৃতিক সীমা পাৰ





মাৰি পেলাব বিচাৰিছিলো। সেই স্মৃতিটো মই সহিব পৰা নাছিলো। মোৰ মন কিমান গভীৰভাৱে আন্দোলিত হৈছিল যে, মেতৰ কাম কৰা আটাইতকৈ অৱহেলিত আৰু নিম্ন শ্ৰেণীৰ লোক এজনে মোৰ পাছৰ খোজটো দেখুৱাবলৈকে ইয়াত আছিল। তেওঁলোকৰ শ্ৰেণীটোৰ সৰহভাগেই ঈছা মছীহৰ ইঞ্জিলটো কিয় পাইছে, তাক বুজিবলৈ টান নহয়। তেওঁতেই তেওঁলোকে প্ৰকৃত পৰিচয় বিচাৰি পাইছে। তেওঁলোককো যে খোদাৰ প্ৰতিমূৰ্তিৰেই পয়দা কৰা হৈছিল আৰু তেওঁলোকো যে তেওঁৰেই সন্তান হয়, তাকে উপলব্ধি কৰি তেওঁলোকে এতিয়া এক নতুন মৰ্যদা আৰু মূল্য বিচাৰি পাইছে। মই তেওঁলোকৰে সৈতে একাত্ম হৈ পৰিচয় দিবলৈ পাই আনন্দিত হৈছো।

**"মোৰ অনুগ্ৰহেই তোমালৈ জুৰিব"** কথাফাঁকিয়ে মোৰ কাণত বাৰে বাৰে প্ৰতিধ্বনিত হৈ থকাত আৰু মোৰ অন্তৰ আনন্দেৰে ওপচি পৰাত মই ঈছানগৰীলৈ যাবলৈ ৰেলত উঠিলো। অৱশেষত মনৰ ভিতৰত হৈ থকা অশান্তি আৰু দুঃচিন্তাবোৰ অন্ততঃ দূৰ হৈ গৈছিল এতিয়া মোৰ দিলত ছালামতে ৰাজত্ব কৰিছে। ই যে কেৱল এক আচৰিত ৰহম আৰু মোবাৰক আছিল! ই মোৰ সমগ্ৰ সত্তাটোকেই ছাঁ দি ধৰিছে। মোৰ মনে ইয়াকে আৰু বিদায় দিব নোৱাৰে। যিজনা ঈছা মছীহই মোক আগতে মোৰ শাৰীৰিক মওতৰ পৰা ৰক্ষা কৰিছিল, বিপদগ্ৰস্ত হৈ নৰিয়াত পৰি থাকোতে মোৰ যতন লৈছিল, তেওঁ কৰা কোৰবাণী মোক দেখুৱাইছিল আৰু তেওঁৰ জোৰাওকৈ থকা অনুগ্ৰহ বা ৰহম মোৰ আগত প্ৰকাশ কৰিছিল, এতিয়া সেইজনায়েই মোৰ অন্তৰখিনিকো জয় কৰি ললে। তেৰেঁই জয়জুক্ত হ'ল। মই আৰু লক্ষ্যবিহীনভাবে এই দুনিয়াখনত জীয়াই থকাৰ অৰ্থ আৰু উদ্দেশ্য বিচাৰি ঘূৰ্মুটিয়াই ফুৰিব নালাগে, যিবোৰে মোক ফাঁকি-ফুকা দি প্ৰৱঞ্চনা কৰি আঁতৰাই লৈ গৈছিল। মই এতিয়া জীৱনৰ প্ৰকৃত অৰ্থ আৰু উদ্দেশ্য বিচাৰি পালো। মই তেওঁক বিচাৰি পালো, যিজনাই তেওঁৰ শান্তি আমাক দিলে আৰু তেওঁৰে সৈতে আমাৰ পুনৰ মিলন কৰোৱালে। তেওঁ এতিয়া মোৰ হ'ল আৰু মই তেওঁৰ হ'লো।

ঃঃঃঃঃঃঃঃঃঃঃঃঃ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

# মোৰ অন্য এক হজযাত্ৰা

মোৰ ঋহে আচৰিত ধৰণে নিৰাশা আৰু হতাশাজনক অৱস্থাৰ পৰা মুক্ত হৈছিল, যিবোৰে ইয়াক আন্ধাৰ কৰি ৰাখিছিল। মই যেতিয়া ৰেলৰ পৰা নামি ফৈজলাবাদ জিলাত থকা ঈছানগৰী গাঁৱলৈ গৈ ইমাম ইণায়ত ৰোমাল শ্বাহক লগ পালোগৈ, তেতিয়া মোৰ মনটো আনন্দৰে ভৰি পৰিছিল। তেওঁ মোক আন্তৰিকতাৰে অভিনন্দন জনালে আৰু অতিথি সেৱা কৰিলে। আমি আহাৰ খোৱাৰ পাছত তেওঁ মিচিকিয়াই হাঁহি মোক সুধিছিল, "বাৰু ভাইজান, আপুনিনো কিয় মছীহী হ'বলৈ বিচাৰিছে?" মোৰ অতীতৰ কথা একো নজনাকৈ নাইবা শান্তিৰ বাবে গভীৰভাৱে আশা কৰি থকাৰ পাছত অলপতে যে মই আজগায়েবীভাবে তৃপ্ত হৈছিলো তাকো নজনাকৈ তেওঁ প্ৰায় গতানুগতিকভাৱেই কথাবোৰ সুধিছিল। কিন্তু মই নিজেই মছীহক বা মছীহী ঈমানক বিচাৰি যোৱা নাছিলো নাইবা পছন্দ কৰিও লোৱা নাছিলো। প্ৰশ্নটো মই মছীহী হ'বলৈ খোজা ধৰণৰ কথা নাছিল। ঈছা মছীহই নিজেই মোক মনোনীত কৰি লৈছিল। ইমামজনৰ মনত দুঃখ দিবলৈ নিবিচাৰি মই সাধাৰণভাৱে কৈছিলো, "কোনোবাই মোক তেনেকৈ কৈছিল। আজি পুৰা তিনি কি চাৰি বজামানত মছীহই নিজেই মোক লগ কৰিছিল আৰু এনেকৈ কৈছিল, "**মোৰ অনুগ্ৰহেই তোমালৈ জুৰিব**"। তেওঁৰ ঘৰৰ দেৱালত ছলীবত ওলমি থকা ঈছা মছীহৰ ছবি এখন আছিল। ঈমাম শ্বাহে এখন হাতেৰে মোৰ হাতখনিত ধৰিলে আৰু আনখনি হাতেৰে ছবিখনলৈ আঙুলিয়াই দি সুধিলে, মোৰ লগত কথা পতাজনা এইজনা ঈছা মছীহই আছিল নে? ইমাম শ্বাহে কোৱা শুনিলো, "মানুহবোৰে মছীহক লুটি নিছিল, এনেকি তেওঁৰ কাপোৰ-কানিবোৰকো কাঢ়ি লৈছিল। তেওঁক চাবুকেৰে কোবোৱা হৈছিল, লাঠিৰে কোবাইছিল আৰু





শেষত সলীবত গজালেৰে বিন্ধি ওলমাই দিছিল! তেন্তে তেওঁনো আপোনাক কি দিব পাৰিব?" প্ৰশ্নটোৰ ধৰণটোৱে মোৰ মনত হয়তো আঘাট হানিলেহেঁতেন, যদিহে মই মনৰ বেলেগ এটা অৱস্থাত থাকিলোহেঁতেন। মই হ'লে তেওঁৰ শান্তিৰ বাহিৰে আন একোকেই বিচৰা নাছিলো। মই কেৱল নাজাতহে পাবলৈ বিচাৰিছিলো আৰু তাকে পাইছিলো। মই যদি অহংকাৰী ভাৱৰ মানুহ হ'লোহেঁতেন, তেন্তে মোৰ নিশ্চয়ে খং উঠিলহেঁতেন আৰু মনতে বেজাৰো পালোহেঁতেন। মই নিশ্চয়ে এনেকৈহে চিন্তা কৰিলোহেঁতেন যে মোক দুখন হাত মেলি স্বাগতম জনোৱা হওঁক। কিন্তু গোটেই পৰিস্থিতিটো মোৰ কাৰণে বৰ নতুন আৰু আচহুৱা ধৰণৰ আছিল। এইদৰেই এই ধৰণৰ ভাৱ-অনুভুতিবোৰে মোৰ মনত একো প্ৰতিক্ৰিয়া কৰিব পৰা নাছিল; কিয়নো সেই সময়ত মোৰ অন্তৰ শান্তি আৰু আনন্দেৰে ভৰি আছিল।

মই তেতিয়া একো জনা নাছিলো, কিন্তু অতি সোনকালেই মই জানিব পাৰিলো যে যিবিলাকে মছীহী ঈমানৰ কথাবোৰ অনুসন্ধান কৰে নাইবা মছীহী হ'বলৈ বিচাৰে, তেওঁলোকক সাধাৰণতে সন্দেহৰ চকুৰে চোৱা হয়। কাৰণ এনেকুৱাও দেখা যায় যে বহুতেই মিছনাৰীসকলৰ দ্বাৰা আগবঢ়োৱা উপকাৰসমূহৰ প্ৰতিও আকৰ্ষিত হৈ এজন মছীহী হ'ব বিচাৰে, যেনে ঃ- ভাল ধৰণৰ শিক্ষা, আহাৰ, পোছাক আৰু আশ্ৰয়। আচৰিত কথা নহয় যে মছীহী ধৰ্মলৈ অহাসকলৰ সৰহ সংখ্যকেই দৰিদ্ৰতকৈও অতি দৰিদ্ৰ হিন্দু ধৰ্মৰ মেতৰ শ্ৰেণীটোৰ পৰাহে আহিছে। কিন্তু আমি এইটো নিশ্চিতভাৱে ধৰি লব নালাগে যে ধৰ্মান্তৰিত হৈ অহা সকলোৱেই এই দুনিয়াৰ লাভৰ কাৰণেই হৈছে। মোৰ দৰে বহুতেই নিশ্চয় মছীহী ঈমানত অন্তৰৰ গভীৰ আকাংক্ষাবোৰ তৃপ্ত হৈহে আহিছে। তেওঁলোকৰ বাবে তলৰ কথাফাঁকিয়েই সত্য।

**"হাতত একো নাই সম্বল, আশ্ৰয় মোৰ**
**ছলীবেই কেৱল। ধোৱা মোক যেন নমৰোঁ।"**

সেই প্ৰশ্নটোৰ উত্তৰত মই কেৱল ইয়াকেই কৈছিলো, 'মছীহ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

(ছাঃ) হ'ল তেওঁৰ ৰছুল। এই কথাটোকে প্ৰতিঘৰ মুছলমান ল'ৰা-ছোৱালীক সিহঁতৰ ল'ৰালি কালৰে পৰাই কাণত শুনুৱাই থকা হয়। কিন্তু এনে ক্ষেত্ৰত মই এলান কৰিছো যে ঈছা মছীহে আন নবীসকলৰ দৰে এজন সাধাৰণ নবী মাথো নহয়, বৰং তেওঁ হৈছে আল্লাহৰ একমাত্ৰ ৰূহানী পুত্ৰ। এই কথাটো আমাৰ পৰিয়ালৰ পক্ষে আল্লাহৰ নিন্দা কৰাৰ নিচিনা হৈছে, কিয়নো তেওঁলোকে দাবী কৰে যে আল্লাহৰ কোনো পুত্ৰ বা সন্তান থাকিব নোৱাৰে। পুত্ৰ সম্বন্ধে থকা মুছলমানসকলৰ ধাৰণাটো কেৱল শাৰীৰিক। সেয়ে এই ধৰণৰ স্বীকাৰোক্তিটো সম্পূৰ্ণৰূপে নাপাক; তথাপিও ইছলামৰ পৰম্পৰা অনুসৰি প্ৰতীক অৰ্থত বুজোৱা ধাৰণাবোৰ আচহুৱা নহয়। তেনে এটা উদাহৰণ হৈছে, আবু হাৰেৰা নামৰ হজৰত মহম্মদ (ছাঃ)ৰ এজন বন্ধু আছিল, যিজনক 'মেকুৰীবোৰৰ বাপেক' বুলিও কোৱা হৈছিল; কিয়নো তেওঁ মেকুৰীক বৰ মৰম কৰিছিল। হজৰত মহম্মদ (ছাঃ)ৰ এজন খুড়াকক আবু জিহাল বুলি মতা হৈছিল, ইয়াৰ অৰ্থ হৈছে 'অজ্ঞতাৰ বাপেক'; কিয়নো তেওঁ মহম্মদক এজনা নবী বা পয়গম্বৰ বুলি মানি লোৱা নাছিল। এইদৰে শাৰিৰীক সম্বন্ধৰ সম্পূৰ্ণ বাহিৰতো 'পিতৃত্ব' কথাটোৰ বৰ্ণনা দিয়া দেখা যায়। সেই একেদৰেই মছীহৰ ক্ষেত্ৰতো ৰূহানী 'পুত্ৰত্বৰ' কথাটো খাটে।

কেতিয়াবা মানুহবিলাকে নুবুজা কিবা কথাবোৰ মূৰ্খামি বুলি নাকচ কৰি দিয়ে, কাৰণ প্ৰত্যাহ্বানটো বৰ ডাঙৰ যেন দেখা যায়। মুছলমান এজনে যদিহে ঈছা মছীহক খোদাৰ পুত্ৰ বুলি মানি লব লগা হয়, তেন্তে আল্লাহৰ এজনা পয়গম্বৰ থকা হজৰত মহম্মদ(ছাঃ)ৰ গুৰুত্বটো আৰু কোৰাণৰ প্ৰকাশিত কালামবোৰ খোদাৰ পুত্ৰজনাৰ পাছতহে দ্বিতীয় স্থানত থাকিবগৈ; কাৰণ ঈছা মছীহইহে সমগ্ৰ মানব জাতিলৈ খোদাৰ সম্পূৰ্ণতা প্ৰকাশ কৰিছে।

মুছলমানসকলে বিশ্বাস কৰে যে এই জীৱনত তেওঁলোকে ভাল কৰ্ম কৰিলে, পাছৰ জীৱনত তেওঁলোকে গুনাহৰ ক্ষমা পোৱাৰ উপৰিও সুখ আৰু আনন্দ লাভ কৰিব পাৰিব। কিন্তু মই মোৰ গুনাহৰ ক্ষমা





বেৰহম আছিল। তেওঁলোকৰ ধাৰণামতে মই এজন অনাধিকাৰভাৱে প্ৰৱেশ কৰোতা। মিছনাৰীসকলৰ প্ৰতিহে খেদ্‌মত আগবঢ়াবলৈ যেন তেওঁলোক সৌভাগ্যশালী সুযোগপ্ৰাপ্ত লোক। মোৰ কাৰণে চিন্তা কৰিবলৈ তেওঁলোকৰ সময় নাছিল।

এই মছীহীসকলৰ প্ৰতি মোৰ খং উঠাতকৈ নাইবা মই মনতে আঘাত পোৱাতকৈ তেওঁলোকৰ প্ৰতি মোৰ পুতৌহে জাগিছিল। তেওঁলোকেই বোধহয় অতি হতভগীয়া লোক আছিল। মিছন চৌহদত থকাৰ বাবে তেওঁলোক নিজৰ মানুহবোৰৰ পৰা বিচ্ছিন্ন হৈ পৰিছিল। মিছনাৰীসকলৰ প্ৰশংসা আৰু গ্ৰহণযোগ্যতা লাভ কৰিবলৈ তেওঁলোকে ইজনে-সিজনক ঈৰ্ষা কৰিছিল আৰু এই অভিপ্ৰায়টোৱে তেওঁলোকৰ সততা বা সাধুতা আনি দিয়াতকৈ বৰং ভণ্ডামি আৰু কপটীয়া ভাৱৰহে জন্ম দিছিল। যিবিলাকে জীৱনৰ প্ৰতি উচ্চ লক্ষ্য আৰু গভীৰ অৰ্থ লৈ জীয়াই থকাৰ সম্বল বিচাৰিছে, তেওঁলোকৰ অনুসন্ধানটোক আদৰণি জনোৱাৰ পৰিৱৰ্তে তেওঁলোকে তেওঁলোকক আঁতৰাইহে পঠিয়াব বিচাৰিছিল আৰু তেওঁলোকক প্ৰতিদ্বন্দীৰ নিচিনা আচৰণ দেখুৱাইছিল। অনুসন্ধানকাৰীসকলে কৰি অহা ত্যাগৰ বিষয়ে জানিবলৈ তেওঁলোক আগ্ৰহী নাছিল বৰং তেওঁলোকে জীৱনটো সঁপি দিয়া ওপৰৱালাতকৈ মিছনাৰীসকলকহে সন্তুষ্ট ৰাখিব বিচাৰিছিল। মই মাথোন এই অনুভৱ আৰু আচৰণটোৰ এজন ভুক্তভোগীহে আছিলো।

ইমাম ৱাটোনে অৱশ্যে মোক যথেষ্ট মৰম-চেনেহ কৰিছিল। তেওঁ মোক নিজৰ ঘৰলৈ লৈ আহিছিল আৰু তেওঁৰ ৰান্ধনিক এই নিৰ্দেশ দিছিল যে তেওঁ ঘৰত থাকক বা নাথাকক মোৰ কাৰণে যেন সদায় ৰান্ধে আৰু যোগান ধৰে। তাৰ পাছত মই আৰু কেতিয়াও অনাহাৰে থাকিবলগা হোৱা নাছিলো, কিন্তু মিছন চৌহদৰ পৰিৱেশটো হ'লে সলনি হোৱা নাছিল। আচৰণবোৰ অসহনীয় হৈ উঠিছিল। ফলস্বৰূপে মই ইমাম ৱাটোনক মোক মিছন হোষ্টেলত থকাৰ ব্যৱস্থা কৰি দিবলৈ অনুনয়-বিনয় কৰিব ধৰিলো।

এই সময়ছোৱালৈকে মই ইমাম ৱাটোনক মোৰ বিষয়ে একোকে



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

কোৰা নাছিলো। অতীতটোক জনাৰ বা জনোৱাৰ ইমান আৱশ্যক নাই বুলি মই ভাৱিছিলো। মই কোনো প্ৰকাৰে মোৰ ওপৰত তেওঁৰ ভাল প্ৰভাৱ পেলাবলৈ মই আমাৰ ধন-সম্পত্তিৰ নাইবা চহকী অৱস্থাটোৰ কথা তেওঁক জনোৱা নাছিলো নাইবা মই যে এজন RAF বিষয়া আছিলো তাকো কোৱা নাছিলো। তেওঁ যেতিয়া মোক ৰাতিৰ চকীদাৰ নাইবা নিৰাপত্তাৰক্ষী হিচাবে মোক কাম কৰিবলৈ পৰামৰ্শ দিছিল, তেতিয়া মই আনন্দেৰে সন্মতি দিছিলো, কিয়নো মই কাৰো ওপৰত বোজা হৈ থাকিবলৈ বিচৰা নাছিলো। গজ্ৰাজত থকা বিদ্যালয় আৰু ইয়াৰ হোষ্টেলখন জুন মাহত বন্ধ ৰাখিছিল। তাৰ পাছত চৌহদত থকা এজন ধাৰ্মিক স্বভাৱৰ মছীহী মানুহ এজনৰ হাতত মোৰ দায়িত্বভাৰ গতাই দিয়া হৈছিল। তেওঁৰ নাম আছিল সেৱক বুটা মছীহ। মই এনে এজন মানুহৰ লগত কাম কৰিবলৈ পাই নিজকে বৰ ভাগ্যৱান যেন ভাবিছিলো। তেওঁ বালিকা বিদ্যালয় আৰু হোষ্টেলখনৰ এজন পিয়ন আছিল। তেওঁৰ দৰমহা অতি কম পৰিমাণৰ আছিল; তথাপিও তেওঁ মোৰ নিচিনা মানুহবোৰক সহায় কৰিছিল।

বুটা মছীহই কেৱল গুৰুমুখী ভাষাহে পঢ়িব পাৰিছিল (শিখ ধৰ্মীসকলৰ লিখিত পাঞ্জাবী ভাষা)। তেওঁৰ বন্ধুত্বই মোৰ ৰূহানী জীৱনৰ ভিত্তিমূলটো গঢ় দিছিল। মই তেওঁৰ পৰাহে মছীহী ঈমানৰ প্ৰকৃত স্বভাৱটো শিকিছিলো আৰু ব্যৱহাৰিক মছীহী জীৱনটো কেনেকুৱা হ'ব লাগে জানিছিলো। মোনাজাতে তেওঁৰ জীৱনত এক উল্লেখযোগ্য অৰিহণা যোগাইছিল। মানুহে প্ৰায়েই কয় যে তেওঁৰ গোটেই জীৱনটোৱেই মোনাজাতৰ সমষ্টি আছিল। আমি প্ৰায়েই ওৰে নিশা মোনাজাত কৰি পাৰ কৰিছিলো। এদিনাখন ৰাতি কামলৈ ওলাই যোৱাৰ আগমূহূৰ্তৰ কথা মোৰ মনত পৰে। আমি মোনাজাতত ইমানেই মগ্ন আছিলো যে সময়বোৰ আমি মন নকৰাকৈয়ে পাৰ হৈ গৈছিল। পাছদিনাখন মোক আচৰিত কৰি মানুহবিলাকে কৈছিল যে আগৰাতি তেওঁলোকে মোক হেনো চাৰিবাৰ দেখিছিল। তেওঁলোকে আঁচৰিত হৈছিল যে মইনো কেনেকৈ ইমান কৰ্তব্যপৰায়ণ হ'ব পাৰিছো! মই



# অলৌকিকভাৱে ৰক্ষা পোৱা

মোৰ ধৰ্মীয় ঈমান সলনি কৰাৰ পাছত মই মোৰ অন্তৰত শান্তি পাইছিলো। মই জীয়াই থাকিবলৈ এটা অৰ্থ আৰু উদ্দেশ্য বিচাৰি পাইছিলো। ইয়াৰ আগৰবাৰ মই মোৰ পৰিয়ালৰ সৈতে থাকোতে যি অৱস্থাত আছিলো, তাতকৈ এতিয়াৰ অৱস্থাটো কিমান যে বেলেগ! দুৰ্ভাগ্যক্ৰমে এই কথাটো তেওঁলোকৰ নিমিত্তে একোৱেই নহয়। তেওঁলোকৰ মাথো এটাই চিন্তা আছিল, সেয়ে হৈছে, মোক মোৰ মছীহী ঈমানটো ত্যাগ কৰোৱা আৰু পুনৰায় এজন 'ভাল মুছলমান' কৰোৱা। মোৰ ধৰ্মান্তৰটো তেওঁলোকৰ বাবে অপমানজনক আৰু সেয়েহে তেওঁলোকে এইটোক গ্ৰহণ কৰিব নোৱাৰে। তেওঁলোকৰ শ্ৰেণীৰ লোকসমূহে আমাৰ পৰিয়ালটোত মছীহী এজন থকাটো সহ্য নকৰিব। কেৱল দৰিদ্ৰতকৈও দৰিদ্ৰবিলাকেহে মছীহী ঈমানলৈ ধৰ্মান্তৰিত হয় আৰু তেওঁলোকে জানিছিল যে মছীহী হোৱাৰ পাছত মই নিশ্চয় তেনে শ্ৰেণীৰ মানুহবিলাকৰ সৈতেই মিলামিছা কৰিম। এইটো তেওঁলোকৰ বাবে লজ্জাজনক আৰু অসহনীয়। আমাৰ পৰিয়ালটোৰ বদনাম বাৰুকৈয়ে হৈছিল। পাছত মই মোৰ ভতিজী এজনীৰ পৰা জানিব পাৰিছিলো যে তাইক চাবলৈ অহা বহুতো বিবাহপ্ৰাৰ্থী উলটি গৈছিল। তাৰ একমাত্ৰ কাৰণ আছিলো মই আৰু মোৰ নতুন ধৰ্মটো। মই যি হৈছিলো, সিয়ে আমাৰ পৰিয়ালটোলৈ দুৰ্নাম, নিন্দা আৰু হতাশা কঢ়িয়াই আনিছিল। তেওঁলোকে বিচৰা দৰে মোৰ ভুলটো এতিয়া মই বুজি পাব লাগে আৰু স্বীকাৰ কৰিব লাগে।

তেওঁলোকৰ মতে ইছলাম ধৰ্মটো হৈছে এটা অতি উচ্চ পৰ্যায়ৰ মহৎ ধৰ্ম। মছীহী ঈমানৰ কাৰণেই মই তাক কেনেকৈ সলনি কৰিব পাৰো? কেৱল এজনাহে প্ৰকৃত আল্লাহ আছে আৰু হজৰত মহম্মদ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

ইহুদিয়াত, তাৰ পাছত চমৰীয়াত আৰু তাৰ পাছত গোটেই দুনিয়াখনত। কেনে আচঁৰিত কথা যে আমল পুস্তকখনত লিখাৰ দৰে মছীহই যেনেকৈ তেওঁৰ উম্মতসকলক নিযুক্ত কৰি পঠিয়াইছিল, ঠিক তেনেকৈ মোকো আজি পঠিয়াইছে!

মই তেতিয়া ওলাই আহি মামাক আৰু ককাইক কৈছিলো যে মই তেওঁলোকৰ লগত যাবলৈ সাজু আছো। মই নিজকে তেওঁলোকৰ হাতত সমৰ্পণ কৰি দিবলৈ ভয় কৰা নাছিলো, কিয়নো মই জানিছিলো কাৰ পৰামৰ্শত মই তেনেকৈ কৰিবলৈ ওলাইছো আৰু কাৰ দুখনি হাতে মোক তুলি ধৰিছে। গতিকে মই তেওঁলোকৰ লগত লায়লাপুৰলৈ যাবলৈ ওলালো, যিখন ঠাইক আজিকালি ফৈজলাবাদ বুলি কয়।

০০০০০০০০০০০০০
০০০০০০০০০০০০০





তেতিয়া বুজি পাইছিলো যে আচৰিত কিবা এটা হৈছিল। আমি যেতিয়া মোনাজাত কৰি আছিলো, ঈছাই তেতিয়া নিজেই মোৰ কৰ্তব্যটো সমাপন কৰিছিল! মোৰ দিলে মোৰ নাজাতদাতাত আনন্দ কৰিছে, কিয়নো মোৰ বাবে তেওঁ অতি বাস্তৱ হৈ ধৰা দিছে।

১৯৪৯ চনৰ চেপ্তেম্বৰ মাহৰ শেষভাগত মোক কোৱা হৈছিল যে অক্টোবৰ মাহৰ ২ তাৰিখে গজৰা সম্মিলনীৰ প্ৰথম সভাতেই মোক তৰিকাবন্দী (বাপ্তিষ্ম) দিয়া হ'ব। মই খোজ দিয়া পথটোৰ কথা মইনো কিমান গভীৰভাবে বুজি পাইছো, তাকে নিশ্চিত কৰিবলৈ মোক কিছুমান প্ৰশ্ন দিয়া হৈছিল। তাৰে এটা আছিল যে মই এতিয়ালৈকে কিমান খ্ৰীষ্টীয় সাহিত্য পঢ়িছো। মই আনন্দেৰে কৈছিলো যে মই ইমাম ৱাটোনে লিখা প্ৰায়বোৰ উৰ্দূ কিতাপেই পঢ়ি শেষ কৰিলো আৰু লগতে ভালেখিনি ইংৰাজী কিতাপো পঢ়িছো।

চেপ্তেম্বৰ মাহৰ ৩০ তাৰিখে ৰাতি মই মোনাজাত কৰি থাকোতে খোদাবন্দে মোৰ বিবেকক জগাই তুলি এই বুলি আঙুলিয়াই দিছিল যে মই ইমাম ৱাটোনৰ প্ৰতি সম্পূৰ্ণৰূপে সাধুতা অৱলম্বন কৰা নাই। কথাটো হ'ল যে মই তেওঁৰ আগত কিবা লুকুৱাব বিচাৰি তেওঁৰ আগত তেতিয়ালৈকে মোৰ অতীতৰ কথাবোৰ কোৱা নাছিলো। ই এক প্ৰকাৰ কাপুৰুষালি আৰু প্ৰৱঞ্চনামূলক আৰু ইয়ে মোৰ ৰূহানী জীৱনৰ বৃদ্ধিত আৰু প্ৰগতিত বাধাস্বৰূপ হৈ আছে। এই সত্যটো জাহিৰ হোৱাৰ পাছত মোৰ পক্ষে আৰু মনে মনে থকাটো অসম্ভৱ হৈ পৰিছিল। মই তেতিয়াই মাজনিশা উঠিলো আৰু ইমাম ৱাটোনৰ ঘৰলৈ গ'লো। মই তেওঁৰ আগত মোৰ বোজা পাতল কৰি মোৰ অতীতৰ সকলো কথা তেওঁক বিৱৰি কৈছিলো। তেওঁ মোৰ সৰলতা আৰু সাধুতাত সন্তুষ্ট হৈছিল আৰু আমি একেলগে কিছু সময় মোনাজাত কৰি পাৰ কৰিছিলো।

অক্টোবৰ মাহৰ ২ তাৰিখে মোক ত্বৰিকাবন্দী দিয়া হৈছিল। ত্বৰিকাবন্দী লোৱাৰ দ্বাৰাই মই আমাৰ খোদাবন্দৰ উদাহৰণটো অনুসৰণ কৰা কাৰণে মোৰ দিলত বৰ আনন্দ হৈছিল। মই এতিয়া দৃশ্যৰূপে



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

মছীহী ভাতৃত্বৰ এটা অংশ হৈ পৰিলো। মই মোৰ নম্ৰ বন্ধুজনৰ প্ৰতি ঋণ স্বীকাৰ কৰাৰ চিন হিচাবে আৰু তেওঁৰ বন্ধুত্বই মোলৈ কি বুজায়, তাৰ শলাগ লবলৈ মই মোৰ ত্বাৰিকাবন্দীৰ নামটো গোলাম ৰাখি তাৰ লগত মছীহ শব্দটো যোগ দিলো, যাতে ই মোৰ নতুন আত্মোৎসৰ্গৰ কথাটো ভালদৰে ফুটাই তোলে; অৰ্থাৎ **ঈছা মছীহৰ গোলাম**।

পাছৰ দুই সপ্তাহ ধৰি মই বৰ আনন্দত আছিলো। মছীহৰ আৰু মছীহী জামাতৰ হৈ পৰা অনুভৱটোৱে মোক যেন আন এখন উৰা জাহাজত উৰুৱাই নিছিল! মোৰ খোদাবন্দ মোৰ কাৰণে অতি সঁচা হৈ পৰিছিল! মোৰ বাকী জীৱনছোৱাত তেওঁৰেই খেদ্মত কৰি যাম বুলি লোৱা সিদ্ধান্তটো প্ৰতিদিনে দৃঢ়ভাৱে আৰু গভীৰভাৱে বাঢ়ি আহিছিল। মই সঁচাসচিকৈয়ে মোৰ ওপৰত খোদাৰ ৰহমে জিৰণি লোৱাটো মই অনুভৱ কৰিছিলো আৰু মোৰ সৃষ্টিকৰ্তাৰ মহব্বতৰ পাত্ৰ হোৱাটো আৰু মোৰ অযোগ্যতা স্বত্বেও মোৰ দিলত এক সঁহাৰিজনক মহব্বত জাগি উঠা কথাটো কেনেকুৱা আছিল, তাক মই জানিছিলো। যি কি নহওঁক, এক পৰিশোধিত জুইত পেলোৱাটো কেনে ধৰণৰ কথা আছিল, সেই তালিমটো মই অতি সোনকালেই পাইছিলো। মোৰ বাহিৰৰ পৰিৱেশটো অতি সোনকালেই হঠাতে সলনি হৈ গৈছিল। এদিনাখন হঠাতে গোটেই চৌহদটো খালী হৈ যোৱা যেন লাগিছিল। ইমাম ৰাটোন বা ল'ৰা হোষ্টেলৰ মুৰব্বী চৰণ দাস নাইবা মোক ত্বাৰিকাবন্দী দিওঁতা বি. এম. আগষ্টাইনো চৌহদত নাছিল। মই পাছত জানিব পাৰিলো যে তেওঁলোকে লাহোৰত হ'ব লগা সভা এখনৰ উদ্দেশ্যে তালৈ গৈছিল। মই অকলে থাকোতে সেই দিনাখন মোক বিচাৰি আহি উপস্থিত হোৱা মোৰ ডাঙৰ ককাই আৰু খঙাল মামাৰ মই মুখামুখি হ'ব লগা হৈছিল।

পূবৰ দেশসমূহত পৰিয়াল বুলি ক'লে কেৱল মাক, বাপেক, বায়েক, ভনীয়েক আৰু ককায়েক, ভায়েককো নুবুজায়, কিন্তু মাক আৰু বাপেকৰ দুয়োফালৰে খুৰা-খুৰী, মামা-মামী, ভাগিন-ভতিজা আদি সকলোকে বুজায়। প্ৰত্যেকৰে প্ৰত্যেকৰ প্ৰতি দায়িত্ব আৰু কৰ্তব্য থাকে।





কাৰোবাৰ জীৱনটোক গঢ় দিবলৈ বা লক্ষ্যটো স্থিৰ কৰিবলৈ সকলোৰে সৈতে ভাল সম্বন্ধ ৰখাটো অতি প্ৰয়োজন। মোৰ তেওঁলোকৰে সৈতে থকা সম্বন্ধটোক অৱহেলা কৰিব নোৱাৰো। তেওঁলোকক বাদ দি মই স্বাধীন বুলি ঘোষণা কৰাটোও মোৰ পক্ষে প্ৰায় অসম্ভৱ। তেওঁলোকৰ ধন-সম্পত্তি, ক্ষমতা আৰু প্ৰভাৱো আছে। মোৰ মামাই মোৰ কাৰণে দুটা বিকল্প দিছিল। **প্ৰথমটো** হৈছে কোনেও নজনাকৈ মই তেতিয়াই তেওঁলোকৰ লগত ওলাই যাব লাগে। **দ্বিতীয়টো** আছিল এটা ভাবুকি। মই যদিহে তেওঁলোকৰ সৈতে ওলাই যাবলৈ মান্তি নহওঁ, তেন্তে তেওঁলোকে নগৰলৈ গৈ মোৰ ধৰ্মান্তৰৰ কথাটো ৰাজহুৱা কৰি দিব। সেই খবৰটোৱে মানুহবিলাকক ইমান খঙাল কৰি তুলিব যে সিহঁতে আহি মোক আৰু মোৰ লগতে গজ্‌ৰাৰ আটাই মছীহলোককে দয়াহীনভাৱে মাৰপিট কৰিব। তেওঁলোকে কোৱা দৰে মই যদিহে নকৰো, তেন্তে মোৰ এই নতুন মছীহী পৰিয়ালবিলাকো বিপদত পৰিব। মই মোৰ লগৰ মছীহীবিলাকৰ জীৱনত একো অনিষ্ট আহিবলৈ দিব নোৱাৰো। গভীৰভাৱে দুঃখিত হৈ আৰু মোৰ এই প্ৰথম মছীহী হজ যাত্ৰাৰ নতুন সংকটত মই কি কৰা উচিত হ'ব, সেই বিষয়ে মই অনিশ্চিত হৈ যিজনাক মই জীৱনটো দিছিলো, তেওঁকেই সোঁৱৰণ কৰিলো। মোৰ গৰাকীৰ বাধ্য হ'বলৈ আৰু আন কাৰোবাৰ অনুগামী নোহোৱাটো মোৰ এটা সংকল্প আছিল। মোৰ জীৱনত তেওঁৰ ইচ্ছাইহে এক পৰিচালিকা শক্তি হ'ব লাগিব। সেয়ে মই মোৰ মামাক কৈছিলো "মই মোৰ গৰাকীক সুধিম।"

মই মোৰ কোঠাৰ দুৱাৰ জপাই সোমালো আৰু মই কি কৰা উচিত হ'ব বুলি মোৰ নাজাতদাতাক সুধিলো। মোক কোনো সন্দেহত ৰখা নহ'ল। তেওঁ মোক কৈছিল, "তুমি মোৰ পাছে পাছে আহোঁতে এনেকুৱা আৰু বহু কাঁইটিয়া পথ অতিক্ৰম কৰিব লাগিব। তেওঁলোকৰ লগত যোৱা, কিয়নো ঘৰখনেই তোমাৰ প্ৰথম ঠাই হ'ব, য'ত তুমি মোৰ বিষয়ে সাক্ষ্য দিয়া আৰম্ভ কৰিব লাগিব। তুমি মোৰ বিষয়ে সাক্ষ্য দিবলৈ থিয় হ'ব লাগিব। 'প্ৰথমে জেৰুজালেমত, তাৰ পাছত



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

**আশ্বাস দিয়া। হে খোদাবন্দ, মোৰ মালিক, আগতে আন মানুহক বধ কৰিবলৈ মোৰ জিভাৰ পৰা হুকুম ওলোৱাৰ দৰে আজি ৰাতিৰ পৰাই মোৰ সেই একেই জিভাই যেন তোমাৰ কালামহে ঘোষণা কৰে, যিহে মানুহক জীৱন দান কৰিব। মোৰ চকুৱে তোমাৰ কুদৰতক দেখিছে। এতিয়া যদি তুমি আনন্দ পোৱা, তেন্তে মোক ইয়াৰ পৰা উদ্ধাৰ কৰা, যাতে কাইলৈৰ পুৱাটো মোৰ জীৱনৰ কাৰণে এক নতুন পুৱা হ'ব পাৰে। মোক এই মৃত্যুৰ বন্দীশালৰ পৰা উদ্ধাৰ কৰিলেই মোৰ কাৰণে প্ৰমাণ হ'ব যে তুমি মোক তোমাৰ সাক্ষী হ'বৰ কাৰণে জীয়াই ৰাখিব বিচৰা। হে মোৰ আল্লাহ, আজি ৰাতিয়েই মোক মোৰ স্বাৰ্থপৰতা আৰু নিজৰ জীৱনৰ কাৰণে থকা চিন্তাৰ পৰা পৰিস্কাৰ কৰা। তুমি যদিহে মোক জীয়াই ৰাখা,ময়ো নিজকে কচমত বান্ধিছো যে মই ওৰে জীৱন তোমাৰেই খেদমত কৰিম আৰু তোমাৰ নামৰেই জালাল অনাটো মোৰ একমাত্ৰ উদ্দেশ্য হ'ব। হে ৰহমানুৰ ৰহিম, তোমাক মোৰ খেদমতৰ আৰু সহায়ৰ আৱশ্যক নাই, কিন্তু তোমাক খেদ্মত কৰাৰ সুযোগ এটা পালেই মই আনন্দিত হ'ব পাৰিম। যেনেকৈ তুমি পয়দা কৰা মানুহবিলাকক মাৰি নাইকিয়া কৰিবলৈ মই এটা সময়ত উদ্যোগী আছিলো, তেনেকৈ এতিয়া যাতে মই মানুহবিলাকক তোমাৰ ওচৰলৈ আনিবলৈ উদ্যোগী হওঁ। যদি তোমাৰ অনুগ্ৰহপূৰ্ণ ইচ্ছা হয়, তেন্তে আজি ৰাতিয়েই মোক এই ঠাইৰ পৰা উদ্ধাৰ কৰি নিয়া। আমেন।"**

এই মোনাজাত কৰাৰ পাছত মই গম পাইছিলো যে মই শীতত কাতৰ হোৱাৰ পৰিৱৰ্তে মোৰ কপালত দেখোন ঘামহে ওলাইছে। তেনেতে কোনোবাই বাহিৰৰ পৰা তলা খোলাৰ শব্দ শুনিলো, মই ধৈৰ্যৰে বাট চালো, খোজবোৰলৈ কাণ পাতিলো আৰু কোনোবা সোমাই অহালৈ বাট চালো। কিন্তু কোনোবাই যেতিয়া নাহিল, মই সতৰ্ক হৈ বাহিৰলৈ চালো আৰু দেখিলো যে আলিবাটত কোনো মানুহেই নাই। তেতিয়াই মোৰ কাণত খোদাবন্দে ফুচফুচাই কোৱা শুনিলো, "দৌৰি পলাই যোৱা, কিয়নো ময়েই তোমাৰ বাবে দুৱাৰখন





এতিয়াই পাবলৈ বিচাৰিছো, যাতে মই এতিয়াই মোৰ জীৱনটো মোৰ মাবুদক দিব পাৰো আৰু তেৱেঁই মোৰ জীৱনৰ গতি পথটো এতিয়াৰে পৰাই ঠিক কৰি দিব।

মোৰ পৰিয়ালৰ চকুত মই এজন কাফেৰ হৈছিলো আৰু তেওঁলোকে মোক তেনেকৈয়ে ব্যৱহাৰ কৰিবলৈ সংকোচ কৰা নাছিল। ঘৰলৈ ঘূৰি অহাৰ পাছত তেওঁলোকে মোক আলিৰ ওপৰতহে আহাৰ খাবলৈ বাধ্য কৰিছিল। যি কি নহওক, মই খোদাক ধন্যবাদ দি; একো ভোৰভোৰাই নাথাকি আহাৰ খাইছিলো। আমাৰ পৰিয়ালৰ পৰা অহা তাড়নাই মোক মোৰ প্ৰভুৰ বিষয়ে ৰাজহুৱাকৈ সাক্ষ্য দিবলৈ এটা সুযোগ আনি দিছিল।

তেওঁলোকৰ ঈমানলৈ মোক ঘূৰাই নিবলৈ কোনো চেষ্টাই বাকী নাথাকিল। মোৰ মামাই মোক শেইখোপুৰা জিলাত থকা তেওঁৰ গাঁৱলৈ লৈ গৈছিল। ধৰ্মীয় আলেমসকলক বিচৰা হৈছিল আৰু মোৰ লগত যুক্তি-তৰ্ক কৰিবলৈ ঘৰলৈ অনা হৈছিল। এজন নতুনকৈ প্ৰশিক্ষিত মৌলবাদীয়ে কিছু সময় চেষ্টা কৰাৰ পাছত আশা বাদ দিলে আৰু নিৰাশ হৈ যোৱাৰ আগে আগে মোক বলিয়া হোৱাৰ প্ৰমাণ-পত্ৰ এখন দিলে।

ভিন্ ভিন্ মৌলবীৰে সৈতে চলা আলোচনাবোৰ অসাৰ প্ৰমাণিত হৈছিল। তেতিয়াই মই সেই সময়ছোৱাত শেইখোপুৰা জিলাত ভ্ৰমণ কৰিবলৈ অহা চৈয়দ আতা-উল্লা শ্বাহ বুখাৰি চাহাবক লগ কৰিবলৈ সিদ্ধান্ত লৈছিলো। তেওঁ পয়গম্বৰ মহম্মদৰ বংশধৰ আছিল। এটা নিৰ্দ্দিষ্ট সময়ত মই এই ব্যক্তিজনৰ আগত উপস্থিত হৈছিলো। যি কি নহওঁক, তেওঁ মোক মছীহী ধৰ্মটো ত্যাগ কৰোৱাই পুনৰ আগৰ ঈমানলৈ ঘূৰাই অনাৰ যত্ন কৰাৰ পৰিৱৰ্তে তেওঁ উচ্চস্বৰে হাঁহি কৈছিল, "তেন্তে তুমি হ'বলা এজন মছীহী হ'লা?"

"হয়," মই উত্তৰ দিছিলো। তেতিয়া এক অস্বাভাৱিক নিৰৱতাই পৰিৱেশটো ছানি ধৰিছিল। "অনুগ্ৰহ কৰি আৰু প্ৰশ্ন থাকিলে সোধক আৰু কিবাকিবি কওক," মই কৈছিলো, মোৰ কণ্ঠত আদব আৰু বিৰক্তি



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

দুয়োটাই প্ৰকাশ পাইছিল।

"মইনো আৰু কি ক'ম?" শ্বাহে এক হেয় ভাৱেৰে কথাখিনি কৈছিল।

"আপুনি আৰু অলপ উপদেশ নাইবা দিহা-পৰামৰ্শ বোধহয় দিব পাৰিব," মই উত্তৰ দিছিলো। যথেষ্ট শক্তিশালীভাবে লাগি-যুঁজি থাকিলে নিজৰ নতুন ধৰ্মটো ত্যাগ কৰিবলৈ সাজু হৈ তেওঁৰ সন্মুখত বহি থকা মানুহ এজনক তেওঁনো কি ক'ব, তাকে জানিবলৈ মোৰ মনটো কৌতুহলী হৈ পৰিছিল।

"তুমিনো কি ধৰণৰ পথ-নিৰ্দেশ পাবলৈ ইচ্ছা কৰা? তোমাৰ নিচিনা মানুহ এজনে মছীহী হোৱাৰ কেৱল মাত্ৰ এটা কাৰণেই থাকিব পাৰে" তেওঁ সঁহাৰি দিছিল।

তেওঁনো কি ভাৱি কথাখিনি কৈছিল, তাক মই বুজি পাইছিলো। মোৰ ধৰ্মান্তৰৰ আঁৰত মছীহী ঈমানৰ ছোৱালী এজনী বিয়া কৰোৱাৰ মোৰ আকাংক্ষা আছে বুলি তেওঁ ইংগিত দিছিল। মই আৰু অধিক সময় মোৰ খঙটোক বশত ৰাখিব পৰা নাছিলো আৰু কথা কবলৈ অনুমতি বিচাৰিছিলো ঃ "প্ৰিয় শ্বাহ, আপুনি মোক এটা 'সত্য পথলৈ বাট দেখুৱাই নিব বুলি আমাৰ পৰিয়ালটোৱে বৰ আশা আৰু হেপাঁহ কৰাৰ কাৰণেহে মই আপোনাৰ কথা শুনিবলৈ আহিছো; কিন্তু আপুনি মোৰ বিষয়ে এনেকুৱা মুল্যহীন অপবাদ দিব বুলি আশা কৰা নাছিলো। তাতোকৈ অধিক মই আপোনাক কবলৈ বিচাৰো যে যৌনতা আৰু ধৰ্ম দুটা বেলেগ বেলেগ বস্তু আৰু যি কোনোৱে যৌনতাৰ কাৰণেহে ধৰ্ম এটা ত্যাগ কৰে নাইবা গ্ৰহণ কৰে, তেন্তে সেইজন মূৰ্খ। মই আপোনাক আৰু এটা কথা মনত পেলাই দিব খোজো যে এজন মুছলমান হিচাবে মই চাৰিজনীকৈ ঘৈণী ৰাখিব পাৰো যদিহে চম্ভালিব পাৰো! মোৰ ইন্তেকালৰ পাছত জান্নাতত বাসত্তৰ গৰাকী ৰূপহী গাভৰু ঘৈণী হিচাবে পাবলৈ আশা কৰিব পাৰো। কিন্তু ধৰ্ম আৰু ঈমানে এনেকুৱা দুনিয়াদাৰী চিন্তা-ভাৱনাবোৰক নেওচি ওপৰলৈ গতি কৰে। কেৱল যৌনতাৰ উদ্দেশ্যেই এইবোৰৰ আপোচ কেতিয়াও নহয়। আপুনি মোক মোৰ যৌন-জীৱন আৰু বিবাহেই মোৰ নতুন ঈমানৰ





তেওঁৰ কাৰণেই জীৱন কটোৱা নাইবা এতিয়াই এবাৰতেই তেওঁৰ নিমিত্তে প্ৰাণ ত্যাগ কৰা—এই দুটা চিন্তাৰ মাজতেই মোৰ অন্তৰ্দ্বন্দ চলি থাকিল। মই বুজিছিলো যে মই যদিওবা এদিনত হাজাৰবাৰো তেওঁৰ কাৰণে মৰো, তথাপিও তেওঁ মোৰ কাৰণে ছলীবত মৰাটো ইমানেই গভীৰ আৰু মূল্যৱান আছিল যে মোৰ বাবে বোৱাই দিয়া তেওঁৰ প্ৰতিটোপাল অমূল্য তেজৰ এটোপালৰ সৈতেও মোৰ কোৰবানীটোক তুলনা কৰিব পৰা নাযাব। মই পতিয়ন গৈছিলো যে মই মোৰ মুক্তিৰ কাৰণে আন্তৰিকতাৰে আৰু অধিক মোনাজাত কৰা উচিত হ'ব— এতিয়া হ'ব লগা মোৰ শাৰীৰিক মওতৰ ভয়ত নাইবা আন একোৰেই ভয়ত নহয়; কিন্তু তেওঁ মোক মহব্বত কৰাৰ কাৰণে আৰু মোৰ কাৰণে তেওঁ নিজৰ জানকো কোৰবাণী দিয়া কাৰণেহে মই জীয়াই থাকিব বিচাৰো আৰু প্ৰতিদিনে মৰাৰ তুল্য হৈ তেওঁৰ তব্লিগ কৰিব বিচাৰো। গতিকে মোৰ মোনাজাত এইদৰে ওপৰলৈ উঠিল ঃ-

**"হে মোৰ মাবুদ আৰু মোৰ নাজাতদাতা, মোৰ ৰূহে এতিয়া শান্তি পাইছে, কাৰণ মই জানো যে মোৰ ইন্তেকালৰ পাছত মই তোমাৰ গুৰিলৈকে আহিম। এতিয়া তোমাৰ আৰু মোৰ মাজত কোনো দেৱাল নাথাকিব। কিন্তু এই মানুহবিলাকে, যিবিলাকে হত্যাৰ খেল খেলিবলৈ যুগুত হৈছে, তেওঁলোকে এইবুলি গৰ্ব কৰিব যে তেওঁলোকে মোৰ জান লবলৈ সক্ষম হ'ল। মোৰ কাৰণে মওতেই হ'ল জীৱনৰ দুৱাৰমুখ। মোৰ মনৰ এটা ভাগে বিদায় লবলৈ হাবিয়াহ কৰিছে, কিন্তু মোৰ মওতে তোমাৰ নামত আমাৰ এই দেশখখনত মোক সাক্ষ্য দিয়াৰ পৰা বঞ্চিতহে কৰিব। গতিকে তোমাৰ কাৰণে যদিহে সন্তোষ দায়ক হয়, তেন্তে মোক আজি ৰাতিয়েই এই ঠাইৰ পৰা উলিয়াই নিয়া আৰু মানুহবিলাকৰ মাজত তোমাৰ মহৎ কৰ্মবিলাকৰ তব্লিগ কৰিবলৈ মোক এটা সুযোগ দিয়া। তেতিয়া মই তেওঁলোকক কব পাৰিম তুমি যে কেনেকৈ মানুহৰ ৰূহক সজীৱ কৰিব পাৰা আৰু গুনাহগাৰবিলাকক অনন্তকলীয়া জীৱন দিবলৈ**



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

*শৰীৰত জীয়াই থকাই অধিক প্ৰয়োজন"* (ফিলিপীয়া ১:২৩,২৪)। ইন্তেকাল হোৱাটো মই আকৰ্ষণীয় যেন পাইছিলো, কিয়নো মওতৰ পাছত মই যি গৌৰৱময় জীৱন পাম, তাক জানিছিলো; কিন্তু মোৰ মনটো আন এটা দিশে গতি কৰিছিল, সেয়ে হৈছে মই মোৰ মছীহী ভাই ভনীসকলৰ নিমিত্তে জীয়াই থাকিব লাগিব। মোৰ মনত এনে এটা বোজা আহিছিল যে যিবিলাকে এতিয়াও অন্ধকাৰত আৰু অজ্ঞতাত জীৱন কটাইছে, তেওঁলোকৰ কাৰণেই মই জীয়াই থাকিব লাগিব। যিবিলাকৰ প্ৰয়োজন আছে, মোৰ দেশৰ তেনে মানুহবিলাকলৈ মই ইঞ্জিলৰ পোহৰটো লৈ যাব লাগিব। সেই ইঞ্জিল বা শুভবাৰ্তাটো হৈছে আল্লাহতা'আলাই ঈছা মছীহৰ মওত আৰু পুনৰুত্থানৰ দ্বাৰাই সমগ্ৰ মানুহ জাতিলৈ যি কৰিলে তাক জনোৱা। সাধু সুন্দৰ সিঙৰ (এজন ধৰ্মান্তৰিত শিখ) কথা এফাঁকি মনত পৰোতে মোৰ এই নতুন প্ৰত্যয়ত অধিক বল পাইছিলো। কথাফাঁকি আছিল, **"মছীহৰ নিমিত্তে মৰিবলৈ সহজ, কিন্তু জীয়াই থাকিবলৈহে টান; কিয়নো মৰিবলৈ বৰ বেছি এঘণ্টা বা দুঘণ্টা সময়হে লাগে, কিন্তু জীয়াই থাকিবলৈ প্ৰতিদিনেই মৰাৰ নিচিনা থাকিব লগা হয়।"** লাহে লাহে কিন্তু নিশ্চিতৰূপে এই ধাৰণাটোৱে মোক গ্ৰাস কৰিলে আৰু এক উচ্চ ধৰণৰ আচৰিত আকাংক্ষাই মোৰ মন ভৰাই তুলিলে। কি সুন্দৰ আৰু আচৰিত দৰ্শন এটা মোৰ চকুৰ আগত ভাহি আহিল, মাবুদৰ বাবে এতিয়া এবাৰ মাথো মৰিবলৈ নহয়, কিন্তু প্ৰতিদিনে মৰাৰ দৰে জীয়াই থাকিবলৈহে মোৰ মন গ'ল। এই দৰ্শনটোৱে মোৰ সমগ্ৰ সত্তাটোক আবৰি ধৰাৰ পাছত মই মোৰ ৰূহত অতিকৈ উল্লাসিত হৈছিলো। মই মৰিলে একমাত্ৰ মোৰ পৰিয়ালৰহে লাভ হ'ব, কিন্তু তেওঁলোকে কেতিয়াও খোদাবন্দ ঈছা মছীহত থকা মোৰ ঈমানটোক আকোৱালি লব নোৱাৰিব। তেওঁলোকে এনেকি তেওঁলোকৰ স্মৃতিৰ পৰাও মোক মচি পেলাবলৈ যত্ন কৰিব, কাৰণ মোৰ সোঁৱৰণীয়ে তেওঁলোকক মাথো তিক্ততাহে আনি দিব।

মোৰ সমগ্ৰ জীৱনত সম্পূৰ্ণ ত্যাগ আৰু উৎসৰ্গাৰে প্ৰতিদিনে





ভিত্তিমূল বুলি দোষাৰূপ কৰিছে, তথাপিও এই সকলো চেকা নিজৰ গাত লৈও মই যদিহে পুনৰ মুছলমান হওঁ, তেন্তে দেখোন এই দুয়োবিধ সুবিধাকে মই আৰু অধিকভাৱে অতি ভাল ধৰণেহে উপভোগ কৰিব পাৰিম। গতিকে আপোনাৰ যুক্তিবোৰ গভীৰ আৰু সাৰুৱা নহয়।"

মোৰ খং দেখি শ্বাহে সংযম হেৰুৱাইছিল আৰু ক্ৰোধত গৰজি উঠি কৈছিল, "চুপ থাকা, তুমি অভদ্ৰ আচৰণ কৰোঁতা এজন অসভ্য মানুহ!"

মই বিনয়েৰে কৈছিলো, "প্ৰিয় শ্বাহ, খং কৰাৰ আৱশ্যক নাই; আহক আমি যুক্তি-তৰ্কেৰেহে সত্যটোক বিচাৰি চাওঁ।"

"ইয়াক এই ওপৰৰ চিৰিৰ পৰা দলিয়াই পেলাই দিয়া!" তেওঁ চিঞঁৰি কৈছিল। সেই সময়তে মোৰ ককাইৰ অনুভূতিটো অৱশেষত প্ৰবল হৈ পৰিছিল। তেওঁ প্ৰতিৰোধ কৰি কৈছিল, "ইয়াৰ ওপৰত এটা আঙুলিও দিবলৈ মই আপোনাক নিষেধ কৰিছো। যদি ইয়াক মাৰপিট কৰিলেই আমাৰ উদ্দেশ্য সফল হ'লহেতেন, তেন্তে আপোনাক মাতি অনাৰ পৰিৱৰ্তে আমাৰ পৰিয়ালটোৱেই তাকে কৰিলেহেঁতেন!"

এই সকলোবোৰ বিফল চেষ্টাৰ পাছত মোৰ ককাই আৰু মামাই উপলব্ধি কৰিছিল যে মোক অতি সহজে মোৰ নতুন ঈমানটোক ত্যাগ কৰোৱাব নোৱাৰিব। তেওঁলোকে মোক লাহোৰলৈ পঠিয়াবলৈ সিদ্ধান্ত লৈছিল। তাত হুছেইন আলি নামৰ সম্পৰ্কীয় চাচাজান আছিল, তেৱেঁই বোধহয় এই সমস্যাটোক লৈ কিবা এটা কৰিব পাৰিব। মোৰ চাচাজানৰ লগত থাকোতে তেওঁ এদিন আৱিস্কাৰ কৰিলে যে মই ৰাতি ওচৰৰ গাওঁ এখনত চালভেছন আৰ্মি নামৰ মছীহী জামাত এটাত মোনাজাত কৰিবলৈ তেওঁলোকৰ ইমাম কেপ্টেইন ইচ্হাকক লগ ধৰোঁ। তেনেদৰে যাবলৈ মোক আৰু অনুমতি দিয়া নহৈছিল।

মই লাহোৰত থাকোতে আমাৰ পৰিয়ালটোৱে ৰাজহুৱাভাৱে একোৱেই কোৱা নাছিল নাইবা কৰাও নাছিল যাতে দূৰৈত থকা আমাৰ অঙহী-বঙহীবোৰে মোৰ ধৰ্মান্তৰৰ কথাটো জানিব নোৱাৰে। এইখিনি সময়তে মই ডাকযোগে ইমাম ৱাটোনৰ সৈতে যোগাযোগ কৰিবলৈ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

সমৰ্থ হৈছিলো আৰু এদিনাখন ডুগ্‌লাছ নামৰ মিছনাৰী এজনে মোক বিচাৰি আহি পাইছিল। তেওঁ আহি মোৰ মছীহি নাম গোলাম মছীহ নামেৰে মানুহক সোধা-পোছা কৰি মোৰ অনুসন্ধান কৰিছিল আৰু ইয়াত মোৰ সেই নামটো কোনেও নাজানিছিল। মই যেতিয়া তেওঁক বজাৰত থিয় হৈ থকা দেখিছিলো, মই তেওঁৰ ওচৰ চাপি কৈছিলো, “ময়েই গোলাম মছীহ।” তেওঁ সুধিছিল, মই কেনে আছো আৰু কিয় তেনেকৈ গুচি আহিছিলো। কিন্তু এই বাতৰিটো সোনকালেই মোৰ ককাইৰ কাণত পৰিছিল। তেওঁ আৰু তেওঁৰ বন্ধুবিলাকে এইটোৰেই কঠোৰ ব্যৱস্থা লোৱাৰ উত্তম সময় বুলি ঠিক কৰিছিল। তেওঁলোকে এই লজ্জাজনক কাৰবাৰটো এবাৰতেই চিৰদিনলৈ সমাপ্ত কৰিবলৈ স্থিৰ কৰিছিল। লাহোৰেই উপযুক্ত ঠাই বুলি তেওঁলোকে বিবেচনা কৰিলে, কিয়নো ৰবি নদীখন এইফালেই বৈ গৈছে। এই নদীখনে মানুহক ইয়াৰ সোঁতত উটুৱাই নি এই দুনিয়াৰ জীৱনটোৰ অন্ত পেলাব পাৰে বুলি ইয়াৰ এটা নাম আছিল। জাৰৰ-জোঁথৰ যিবোৰ ইয়াত দমাই দমাই পেলাই দিয়া হয়, সেইবোৰ ই বহু দূৰলৈ উটুৱাই লৈ যায়। ৰবি নদীখনিয়ে এই কামটোক যুগ যুগ ধৰি কৰি আহিছে, কিন্তু ১৯৪৭ চনতহে ই চৰম পৰ্যায় পাইছিলহি, যেতিয়া ভাৰতৰ গুৰদাসপুৰ আৰু পাঠানকোট জিলাৰ পৰা শ শ মুছলমানৰ লাছবোৰ এই নদীয়েদি ওপঙি আহিছিল। সেই ৰাতি ৰবিয়ে তাইৰ পৰম্পৰাগত নিয়মহে পালন কৰিছিল। মোৰ ককাইবিলাকে সিদ্ধান্ত লৈছিল যে মোকো মাৰি সেই নদীতেই উটুৱাই দিয়া হওঁক।

৬ ডিচেম্বৰ ৰাতিটো বৰ শীতৰ ৰাতি আছিল। লাহোৰত শীতৰ ৰাতিবোৰ বৰ অসহনীয় হৈ উঠে। সেই দিনা গধুলি আহাৰ খোৱাৰ পাছত মোৰ তলৰ লজ্জা নিবাৰণৰ কাপোৰ টুকুৰাৰ বাহিৰে মোক সম্পূৰ্ণ উদং কৰি দিয়া হৈছিল। তাৰ পাছত মোক এটা চেঁচা আৰু শূণ্য কোঠাত তলা মাৰি সুমুৱাই দিয়া হৈছিল। উদ্দেশ্যটো আছিল যাতে মই *ঠেৰেঙা* লাগি প্ৰতিৰোধ কৰিব নোৱাৰা হৈ পৰোঁ।

তেওঁলোকে মোক কোঠাটোত বন্ধ কৰি দিয়াৰ পাছত মই জানিছিলো ইয়াৰ পাছত মোলৈ কি ঘটিব আৰু মই কৰিব পৰা এটাই কাম আছিল, সেয়া হৈছে মোনাজাত কৰা। মছীহী হোৱা দিনাখনৰে পৰাই মই পাক কিতাপৰ কিছু কিছু আয়াত মুখস্থ কৰাৰ অভ্যাস কৰিছিলো। মই মনত ৰখা সেই আয়াতবোৰ তেতিয়া আওৰাব ধৰিছিলো। “খোদাবন্দ মোৰ ৰক্ষক”— এই আয়াতটোৱে মোক বৰ শান্ত্বনা দিছিল। কোনো সময়ত মই কান্দিছিলো, কোনো সময়ত মই আয়াতবোৰ মুখস্থ মাতিছিলো, কিন্তু সৰহভাগ সময় মই খোদাৰে সৈতে কথা পাতিছিলো। মই জানিছিলো, তেওঁ মোৰ লগতে আছে আৰু মওতৰ পাছত মই তেওঁকেই লগ পাম। মই তেওঁৰ উপস্থিতিত থাকি আনন্দত আত্মহাৰা হৈছিলো আৰু মোৰ যাতনাদায়ক মওতৰ যি অভিজ্ঞতা হ'ব, সেই কথা ভাবি মই অতি দুঃখিত হৈছিলো। কেতিয়াবা মই হাঁহিছিলোও, কিয়নো মই মোৰ মাবুদৰ পৰাক্ৰমৰ কথা জানিছিলো। মোৰ পৰিয়ালৰ মানুহে মোক ভয়ঙ্কৰ নিষ্ঠুৰ ধৰণে মোৰ প্ৰাণ লোৱাৰ কথাটো চিন্তা কৰিছিল; কিন্তু এক মুহূৰ্ত্তৰ কাৰণেও মই মাবুদৰ ৰহম আৰু দয়াৰ প্ৰতি সন্দেহ কৰা নাছিলো। কেতিয়াও মই ভবা নাছিলো যে মই বাচি লোৱা পথটো এটা ভুল পথ আছিল। মই জানিছিলো যে মছীহী ঈমানৰ পথটোৱেই মোৰ বাবে একমাত্ৰ পথ। মোৰ দিলত এক শুদ্ধ আৰু সিদ্ধ আশ্বাস আছিল যে মোৰ ইন্তেকালৰ পাছত মই মোৰ খোদাবন্দৰ সৈতে থাকিবলৈ পাম। কোনোবাই মোৰ এই প্ৰত্যয়টোক লৰচৰ কৰিব নোৱাৰিব। মই জানিছিলো যে মই এটা শুদ্ধ পথকেই মনোনীত কৰি লৈছো, এনেকি মোৰ জীৱনটো এই দুনিয়াত গ্লানিজনকভাৱেও যদিওবা দিব লগা হয়!

পাক কিতাপৰ আয়াতবিলাক বাৰে বাৰে আওৰাই থাকোতে আৰু তাত শান্ত্বনা বিচাৰি পাওঁতে পৌল নামৰ চাহাবাজনে ফিলিপীসকললৈ লিখা কথা এফাঁকিয়ে মোক বৰ শক্তিশালীভাৱে আকৰ্ষণ কৰিছিল। *“ইয়াৰ পৰা গৈ, মছীহৰ লগত থাকিবলৈ মোৰ বৰ ইচ্ছা; কিয়নো সেয়ে অতি অধিক গুণে উত্তম। কিন্তু তোমালোকৰ কাৰণে মই*





PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

পৰা অলপ দূৰত মই মোৰ বন্ধু দুজনক মোক অকলে এৰি থৈ গৈ থাকিবলৈ ক'লো। তেতিয়া ৰাতি দহটা বাজিছিল। মই মোনাজাত কৰিবলৈ ধৰিলো, **"হে আল্লাহ, মই যদিহে আজি ৰাতি মৰি যাওঁ, তেন্তে মানুহে কব যে মছীহী ঈমানটো মিছা। তেতিয়া মোৰ নামৰ নহয়, কিন্তু তোমাৰ নামৰহে অসন্মানি হ'ব।"**

মোৰ মোনাজাত শেষ হোৱাৰ পাছতে দুবাৰকৈ বমি কৰিলো আৰু গোটেই বিহবোৰ মোৰ শৰীৰৰ ভিতৰ ভাগক ত্যাগ কৰি ওলাই আহিল। তেতিয়া মই শান্তিৰে শুব পাৰিলো। পুৱাৰ ভাগত মই মিছন কেন্দ্ৰলৈ গ'লো। মোৰ ককাইহঁতে মোৰনো কি হ'ল তাকে জানিবলৈ উদ্বিগ্ন হৈ আছিল, গতিকে মই যেতিয়া মোৰ গাঁৱৰ কোনোবা এজনক ওচৰে-পাজৰে খোজ কাঢ়ি ফুৰা দেখিলো, মই জানিলো যে তাক সিহঁতেই পঠিয়াইছে। মই তাক সিহঁতৰে এজন চাকৰ বুলি চিনি পাইছিলো আৰু মই জীয়াই আছো বুলি মোৰ পৰিয়ালটোক গৈ কবলৈ তাক কৈছিলো।

মোৰ ঈমানটোৱেই যে মোৰ পৰিয়ালটোক বিৰক্ত কৰিছিল, এনে নহয়; মোৰ ককাইহঁতে এইটোও ভয় কৰিছিল যে মই কিজানি সম্পত্তিৰ অংশও দাবী কৰোঁ। তেওঁলোকে মোৰ জান লবলৈ আৰু এটা চেষ্টা চলাইছিল। মই যেতিয়া নাৰোৱাললৈ গৈছিলো, মোৰ এজন মুছলমান বন্ধুৱে ইমাম আইজাক দাছৰ ঘৰলৈ আহি মোক কৈছিলহি যে কেইজনমান কাশ্মীৰী যুৱকে মোৰ কাৰণে মাচুল লগোৱা দলংখনৰ ওপৰত অপেক্ষা কৰি আছে। **মই সিদ্ধান্ত লৈছিলো যে খোদাবন্দৰ খেদমত কৰিবলৈ যাওঁতে যিবোৰ কথাই মোক বৈয়াকৈ ক্ষতিগ্ৰস্ত কৰিব পাৰে বা বাধা জন্মাব পাৰে, সেইবোৰ সম্বন্ধে মই মোৰ স্থিতিটো স্পষ্ট কৰি দিয়াই ভাল হ'ব। গতিকে মই নিয়ম অনুসাৰে লিখিতভাৱেই এলান কৰিলো যে মই মোৰ ককাইহঁতৰ হিতৰ কাৰণে মোৰ আব্বাজান চৌধুৰী লাল খানৰ সম্পত্তিৰ সকলো অংশৰ দাবী ইয়াৰ দ্বাৰাই নাকচ কৰিলো।** এইদৰে মই মোৰ পৰিয়ালৰ সৈতে থকা সকলো ধৰণৰ সম্বন্ধটোকে ছিঙি পেলালো। মোৰ ফালৰ পৰা এতিয়া আৰু তেওঁলোকৰ ভয় খোৱাৰ কোনো কাৰণ নাই। মোৰ





মুকলি কৰি দিছো!" মই দৌৰিবলৈ ধৰিলো, কিন্তু কোনফালে যাব লাগিব জনা নাছিলো। লাহোৰত মোৰ মাথোন দুজন বন্ধু আছিল আৰু সিহঁত মুছলমান আছিল। তাত কোনো মছীহীলোক আছিল নে নাই মই জনা নাছিলো। মই লাহোৰৰ পৰা ৰাইউইণ্ড দিশলৈ যোৱা ৰেলৰ ছিৰিয়েদি দৌৰি যাবলৈ ধৰিলো। কেণ্টনমেণ্ট ষ্টেচনৰ ওচৰতে এটা গাতত মই পৰি গ'লো। মোৰ খুউব ভাগৰ লাগিছল আৰু ৰাতি তাতেই জিৰণি লৈ পাৰ কৰিবলৈ মই ঠিক কৰিলো। মই টোপনি গৈছিলো আৰু পাছদিনাখন ৰাতিপুৱা বেলিৰ গৰম তাপ মোৰ ওপৰত পৰাতহে এঘাৰমান বজাত সাৰ পাইছিলো। মই উঠিছিলো আৰু মডেল টাউনৰ (লাহোৰৰ এখন চহকী জিলা) দিশে খোজ কাঢ়িলো। ধুনীয়া ধুনীয়া পকা ঘৰবোৰলৈ চাই মই হঠাতে নিজৰ পোছাক সম্বন্ধে সচেতন হৈছিলো, যিটো মোৰ চাৰিওদিশৰ পৰিৱেশৰ সম্পূৰ্ণ ওলোটা আছিল। মডেল টাউনৰ কিছু আঁতৰত মই গাওঁ এখনি দেখিছিলো আৰু সেই ফালে যাবলৈ ললো।

মই গাওঁখনত সোমাওঁতে চ'ক এটাত কিছুমান ল'ৰা-ছোৱালীক খেলি থকা দেখিছিলো। সিহঁতৰ এটাক মই সুধিলো, "মইনা, ইয়াত কোনোবা মছীহী মানুহ আছে নে?" "হয়", সি উত্তৰ দিছিল। "মোৰ আব্বাজান ইয়াত এজন পৰিচৰ্যাকাৰী হয়। আমি আপোনাক কি সহায় কৰিব পাৰো?" মই কলো, "মোক তোমাৰ আব্বাজানৰ ওচৰলৈ লৈ ব'লা।" ল'ৰাজনক মোক তাৰ ঘৰলৈ নিলে আৰু তাতে মই তাৰ আব্বাক লগ পালো। তেখেত আছিল চাল্‌ভেছন আৰ্মিৰ কেপ্টেইন চমূৰেল। মই বৰ সকাহ পাইছিলো। মই তেখেতক মোৰ ক্ষেত্ৰত কি কি ঘটিছিল, সেইবোৰ বিৱৰি কোৱাৰ পাছত তেওঁ মোৰ প্ৰতি বৰ ৰহম দিলৰ হৈছিল। তেওঁ মোক আশ্বাস দিছিল যে মই এতিয়া সম্পূৰ্ণ নিৰাপদ আৰু কিবা সমস্যা আহিলেও তেওঁ নিজৰ জান দি হ'লেও মোক ৰক্ষা কৰিব। আমি অলপ সময় মোনাজাত কৰিলো আৰু তাৰ পাছত তেওঁ মোক বিছনা এখন দেখুৱাই দিলে। তেতিয়া তেওঁ গাওঁৰে ডাক্তৰ এজনক মাতি পঠিয়ালে আৰু তেখেতে মোক পৰীক্ষা কৰি



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

বেজী এটাৰ লগতে কিছু ঔষধো দিলে। মই কেপ্টেইনজনৰ ঘৰত চাৰিদিন থাকিলো আৰু তাৰ পাছত গজ্ৱাল যাবলৈ তেওঁৰ অনুমতি বিচাৰিলো। এই দয়ালু মানুহজনে মোক চোলা এটা, জোতা এযোৰ, শ্ব'ল এখন আৰু টকা পাঁচটা দিছিল।

১৫ ডিচেম্বৰ তাৰিখে মই গজ্ৱালৈ গৈ পালোঁ। মোৰ আটাই বন্ধুবিলাকে মোক দেখি বৰ আনন্দিত হৈছিল, বিশেষকৈ ইমাম ৰাটোন, ইমাম বি.এম. আগষ্টাইন, বুটা মছীহ আৰু চৰণ দাসে অতিশয় আনন্দিত হৈছিল। মোৰ অলৌকিক উদ্ধাৰৰ কাহিনীটোৱে আনন্দৰ মাত্ৰা বঢ়াইছিল। বৰদিনৰ দিনাখন মই বাবা মছীহৰ লগত তেওঁলোকৰ গাঁৱত ভিতৰুৱা অঞ্চলবোৰৰ পৰা অহা উম্মতবিলাকৰে সৈতে এবাদত-বন্দেগী কৰি কটাইছিলো। বাবা মছীহৰ পিতৃ আৰু তেওঁৰ ভনীয়েক গ্ৰেচ্ মোৰ বৰ ঘনিষ্ঠ হৈছিল। মোৰ কাৰণে আটাইতকৈ উল্লেখযোগ্য কথাটো আছিল যে মই এতিয়া মছীহী সম্প্ৰদায়ৰ এটা অংশ হৈ পৰিছিলো। এই দৰিদ্ৰ আৰু বঞ্চিত মানুহবিলাকক মোৰ আপোন যেন লাগিছিল। পৰস্পৰে পৰস্পৰক মহব্বত কৰাটো পাৰস্পৰিক কথা হৈ পৰিছিল। একতা আৰু ভৰসা ৰাখিব পৰা মছীহী সহভাগিতাই মছীহী পৰিপক্কতাৰ দিশত বৃদ্ধি পাবলৈ সহায় আৰু প্ৰেৰণাৰ এটা আচৰিত উৎস হৈ পৰিছিল। মোক গ্ৰহণ কৰা বন্ধুবিলাকৰ মাজত মই নিৰাপদ আছিলো। আৰু বহুতো কিবাকিবি আছিল, যিহৰ বাবে মই আল্লাহতা'আলাৰ ওচৰত অতিকৈ কৃতজ্ঞ হৈছিলো।

০০০০০০০০০০০০০০
০০০০০০০০০০০০০০





লৈ যোৱা উচিত হ'ব। মই তেওঁৰ উপদেশ মানিলো আৰু মোৰ ককাইহঁতক দেখা কৰিবলৈ গ'লো। আমি বহি কথা পাতি থাকোঁতে মোৰ পাছফালৰ মেজ এখনত তৰোৱাল এখন থকাটো মন কৰিছিলো। ইয়াক ধাৰ দিয়া আছিল আৰু ব্যৱহাৰৰ কাৰণে সাজু ৰখা হৈছিল। মই সন্দেহ কৰিছিলো যে ইয়াৰ লক্ষ্যৰ উদ্দেশ্য মই নিজেই। মই ইয়াক তুলি লওঁতে মনতে ভাবিছিলোঃ- "**এনেকুৱা এখন তৰোৱালেৰে কাৰোবাক হত্যা কৰাৰ আগেয়ে তুমি নিজকে প্ৰথমে বধ কৰা উচিত হ'ব। তোমাৰ হাত দুখনি তোলাৰ আগেয়ে তোমাৰ ভিতৰৰ মানুহজন মৰিব। ই দুৰ্বলতাৰহে এটা লক্ষণ।**" মই ইয়াক পুনৰ ইয়াৰ খাপতে ভৰাই থলো।

বহু সময়জুৰি আলোচনা চলি আছিল। মোৰ ককাইহঁতে মোৰ লগত আলোচনা কৰি আছিল। মোৰ ককাইহঁতে মোৰ লগত কথা পাতিবলৈ এজন মৌলবীকো মাতি আনিছিল। তথাপিও ই নিৰৰ্থক হৈছিল। তাৎপৰ্যপূৰ্ণ কিবা এটা কবলৈ তেওঁৰ একোৱেই নাছিল। অৱশেষত আমাক একোকাপকৈ চাহ দিয়া হৈছিল। মই প্ৰথম চুমুক দিছিলো। ই অসম্ভৱ তিতা আছিল আৰু মই তৎক্ষণাত বুজি পালো যে ইয়াত বিহ মিহলোৱা হৈছে। তথাপিও মই ভয় নাখালো, কিয়নো পুনৰুত্থানৰ পাছত ঈছা মছীহই তেওঁৰ মুৰিদসকলক কোৱা কথাবোৰ মোৰ মনত পৰি গৈছিল যে যিবিলাকে ঈমান আনি তৰিকাবন্দী লয়, তেওঁলোকে বহুতো চিন দেখা পাব। তাৰে এটা হ'ল— "..... *আৰু প্ৰাণনাশক কোনো বস্তু পান কৰিলেও তেওঁবিলাকৰ একো হানি নকৰিব'* (মাৰ্ক ১৬:১৮)। মই বিশ্বাস কৰিছিলো যে ইয়াৰে এটা চিনৰ অভিজ্ঞতা পাবলৈ মই আজি এটা সুযোগহে পাইছো। মই বাকী থকা চাহখিনিও খাই শেষ কৰিলো আৰু মনে মনে মোনাজাত কৰিলো, "হে খোদা, মোক ধৰি ৰাখা।" অতি সোনকালেই মই অস্থিৰতা আৰু বৰকৈ মূৰ ঘূৰোৱা যেন অনুভৱ কৰিছিলো। মই মোৰ বন্ধু দুজনক কৈছিলো যে আমি এতিয়া যোৱা উচিত। মই কেনে অনুভব কৰিছিলো তাক মোৰ ককাইহঁতে জনা নাছিল। চহৰখনৰ বাহিৰত আৰু মিছন ষ্টেচনটোৰ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

সেই ৰাতি খোদাবন্দৰ কথাখিনিয়ে মোক গভীৰভাৱে ডুবাই ৰাখিছিল আৰু মই পতিয়ন গৈছিলো যে মই আমাৰ আব্বাৰ বংশৰ গাওঁ জাফ্‌ফাৰৱালত থকা মুছলমান বন্ধুসকলৰ মাজত তব্‌লিগ্ কৰা উচিত। আমাৰ গাৱত মিছন ষ্টেচন থকা আমেৰিকান মিছনাৰী আৰু তেওঁৰ পত্নীৰ ঘৰলৈ যোৱাৰ কথা মোৰ মনত পৰি গ'ল। তেতিয়া শিশু হিচাবে মই আন কেতবোৰ ল'ৰাৰে সৈতে তেওঁলোকৰ ঘৰলৈ গৈ তেওঁৰ পত্নীয়ে গোৱা গানৰ লগে লগে আমিও গাইছিলো। মোৰ মন পালটনৰ পাছত মই এই অঞ্চললৈ যাবলৈ এৰি দিছিলো। কিন্তু এতিয়া মই মিছনাৰীজনলৈ চিঠি লিখি জনাইছিলো যে মই তেওঁক দেখা কৰিব বিচাৰো, কিয়নো খোদাবন্দই মোক মোৰ এই গাওঁখনত তব্‌লিগ্ আৰম্ভ কৰিবলৈ মোক দেখুৱাইছে। সেইদৰেই মই ১৯৫০ চনৰ মাৰ্চ মাহত জাফ্‌ফাৰৱাললৈ গৈছিলো। মই যোৱাৰ পাছত এটা কথা জানিবলৈ পাই মোৰ মনত বৰ বেজাৰ হৈছিল যে কিছুদিন আগতে মোৰ মাৰ ঈন্তেকাল হ'ল। মই বেলেগ হৈ যোৱাৰ কাৰণে মোৰ আম্মাজানৰ মনত গভীৰ শোক আছিল। মোৰ বৰ অনুশোচনা হৈছিল যে তেওঁৰ মওতৰ আগতে মই এবাৰো আহি চাব নোৱাৰিলো। মোক খুন কৰিবলৈ লোৱা আঁচনিটোৰ কথা তেওঁ জনা নাছিল। তেওঁৰ মতে মোৰ মানসিক বিকাৰ হৈছিল, যাৰ কাৰণে তেওঁ স্বইচ্ছাই মোক সহায় কৰিবলৈ বিচাৰিছিল। কিন্তু এই শোকটোৱে খোদাবন্দৰ তব্‌লিগ্ কৰিবলৈ থকা মোৰ অভিপ্ৰায়টোক বাধা দিবলৈ মই প্ৰশ্ৰয় দিয়া নাছিলো, কাৰণ তেৰেঁই এই গাওঁখনলৈ মোক পুনৰায় লৈ আহিছিল।

মোৰ আম্মাজানাৰ ইন্তেকালৰ পাছত মোৰ প্ৰতি মোৰ ককাইহঁতৰ ঘৃণা আৰু বৈছিকৈ বাঢ়িবলৈ লৈছিল। তেওঁলোকে মোৰ বিৰুদ্ধে আৰু অনেক হত্যাৰ ষড়যন্ত্ৰ কৰিছিল। মই মিছনাৰীজনৰ লগত থাকোঁতে তেওঁলোকে মোক কেইবাবাৰো তেওঁলোকৰ ঘৰলৈ দাৱাত দিবলৈ আহিছিল। প্ৰথমতে মই মান্তি হোৱা নাছিলো, কিন্তু তাৰ পাছত মই মোৰ বন্ধুক তেওঁৰ পৰামৰ্শ বিচাৰিছিলো। তেওঁ পৰামৰ্শ দিছিল যে মই যাব পাৰো কিন্তু অকলে নহয়। মই মোৰ লগত দুজন বন্ধুক



# মছীহৰ বাবে তব্‌লিগ কৰা

মছীহী জামাতত শান্তিৰে আৰু নিৰাপদে থকাৰ পাছত মইনো কি ধৰণৰ পৰিচৰ্যা কৰিম, তাকে চিন্তা কৰিবলৈ ধৰিলো। মই ধৰ্মান্তৰিত হোৱাৰ আগলৈকে মোৰ ব্যক্তিগত আশা-আকাঙ্খাবোৰ পূৰণ কৰাটোৱেই মোৰ লক্ষ্য আছিল, কিন্তু এতিয়া মোৰ চিন্তা-ভাৱনাবোৰ বাহিৰমুখী হ'বলৈ ধৰিছে। গালীব কবিয়ে লিখা কবিতা এফাঁকিলৈ মোৰ মনত পৰি গ'ল—

**"মোনাজাতৰ পৰিশ্ৰমৰ মহব্বতত, কোনো জয় নাহে,**
**স্বাৰ্থৰ অভিলাষৰ পৰা ৰূহটো ধুই চাফা নহ'লে!"**

গজ্‌ৰাজত থকা মোৰ শুভাকাংক্ষীসকলে মোক বহু ধৰণৰ পৰামৰ্শ দিছিল। কোনো কোনোৱে কৈছিল যে মই ব্যৱসায় কৰা উচিত আৰু আন কোনোৱে ভাৱিছিল যে মই পৰিচৰ্যা কৰা উচিত। কিন্তু মই কি কৰিব বিচাৰো, তাক মই জানিছিলো। সেই নিশ্চিত মওতৰ পৰা ৰক্ষা পোৱাৰ ৰাতিত লোৱা প্ৰতিজ্ঞাটোৰ কথা মই পাহৰি যোৱা নাছিলো। তেওঁ মোৰ কাৰণে যি যি কৰিছিল, তাকে লৈ মই মাবুদৰ প্ৰশংসা কৰি আকৌ এই মিনতিৰে মোনাজাত কৰিলোঃ

**"হে খোদা, এই দুনিয়াত তোমাৰ আচৰিত কৰ্মবোৰ এলান কৰিবলৈ মোক অনুগ্ৰহ কৰা। মোক তোমাৰ প্ৰতি এনে ভক্তিভাৱ আনি দিয়া যাতে মই নিজকে এই গুনাহেৰে ভৰা দুনিয়াখনত পাক হৈ থাকিব পাৰো। মোক এনে এক মহব্বত দিয়া যেন মই তাৰ গভীৰলৈ সোমাই যাব পাৰো আৰু এই দুনিয়াখনে যেন মোক কেতিয়াও সিহঁতৰ সংগত বিচাৰি পাব নোৱাৰে। মই এই শিলাময় বাটত খোজ পেলাওঁতে মোৰ বাটটো পোহৰাই দেখুৱাবা যাতে**



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

**মই উজুটি নাখাওঁ আৰু তোমাৰ মহিমাময় নামৰ লজ্জাৰ কাৰণ হ'ব নহওঁ, আমেন।"**

মই পতিয়ন গৈছিলো যে খোদাবন্দৰ কাৰণে তব্লিগ কৰাটোৰেই মোৰ কাম হোৱা উচিত আৰু মই য'তেই আছো, ত'ৰে পৰাই আৰম্ভ কৰিবলৈ সিদ্ধান্ত ললো। হোষ্টেলৰ কেইজনাম ডেকা ল'ৰা লগত লৈ ওচৰে-পাজৰে থকা গাওঁসমূহত ইঞ্জিল প্ৰচাৰ কৰিবলৈ ধৰিলো। মাজে-সময়ে আমাৰ লগত ইমাম ৰাটোনো আহিছিল, কিন্তু মই এই কথা লৈ বৰ উৎসাহী হোৱা নাছিলো। ইয়াৰ ফলত মানুহবিলাকে মোক যেনেকৈ আচৰণ কৰিব বিচাৰিছিল, তেনেকৈ কৰাত বাধা ওপজিছিল। মানুহবিলাকৰ মাজত মোৰ সমৰ্থতা আৰু গ্ৰহণযোগ্যতানো কিমান তাক মই নিজেই খুটিয়াই চাবলৈ বিচাৰিছিলো। মোৰ তব্লিগৰ অঞ্চলসমূহ খৰ গতিত বৃদ্ধি পাইছিল আৰু পাঞ্জাৱ প্ৰদেশৰ সমগ্ৰ গাওঁবোৰত তব্লিগ কৰিবলৈ মোৰ বেছিদিন নালাগিল। প্ৰথম অৱস্থাত মই খোজ কাঢ়িয়েই ফুৰিছিলো। পাছত মোৰ বন্ধু এজনে মোৰ কাৰণে চাইকেল এখন কিনি দিছিল। মানুহবিলাকে মোক এজন সাধু বুলি মাতিছিল। মই য'লৈকে গৈছিলো তাতে কোনো দুখীয়া মানুহৰ ঘৰতহে থাকিবলৈ মই এটা নিয়ম কৰি লৈছিলো। মোৰ সহ মছীহীসকলৰে সৈতে মোৰ চিনাকী দিয়াৰ ই মোৰ এটা উপায় আছিল। প্ৰতিটো ক্ষেত্ৰতেই তেওঁলোকৰ জীৱনৰ পথবোৰৰ মই অংশীদাৰ হ'বলৈ বিচাৰিছিলো। তেওঁলোকে আহাৰ নোখোৱাকৈ থাকিলে, ময়ো খোৱা নাছিলো। মোৰ নিজৰ সম্পত্তিশালী পশ্চাদভূমিটো মোৰ বাবে কেতিয়াও বাধা হৈ পৰা নাছিল।

মই যেতিয়াই কোনো এক নতুন ঠাইলৈ গৈছিলো, সেই অঞ্চলৰ পালকৰ সৈতে চিনাকি হোৱাটো মোৰ এটা নীতি আছিল, যাতে তেওঁৰ অনুমোদন নোলোৱাকৈ মই তেওঁৰ অঞ্চলত একোকেই নকৰো। সেই কামটোৰে মোক মছীহী ভাইহঁতৰ সৈতে কথা পাতিবলৈ, বাক্যৰ শিক্ষা দিবলৈ আৰু তেওঁলোকৰ ঈমানটো মজবুত কৰিবলৈ মোক এটা সুযোগ আনি দিয়ে। মোৰ ঘূৰি ফুৰা পৰিচৰ্য্যাৰ কালত এবাৰ এটা ৰাতি





লাহোৰৰ ওচৰত থকা এটা এংলিকান মিছন ষ্টেচনৰ ওচৰত আহি পাইছিলো। মই কেনন ষ্টেন্লী হাকৰ সৈতে থাকিব লগা হৈছিল আৰু তেওঁ আয়োজন কৰা কেইখনমান সভাত অংশ লৈছিলো। মই যেতিয়া তেওঁৰ কাৰণে তেওঁৰ কাৰ্যালয়ত অপেক্ষা কৰি আছিলো, তেতিয়া খোদাবন্দে মোক স্পষ্টভাৱে কৈছিলঃ- **"তুমি লাহোৰত থকা ককায়েৰাহঁতৰ ওচৰলৈ গৈ তোমাৰ সাক্ষ্য দিয়া উচিত। এই ঠাইৰ পৰাই তুমি আৰম্ভ কৰিব লাগিব।"** তেতিয়া সন্ধিয়া ন'টামান বাজিছিল। মই মোৰ গৰাকীৰ বাধ্য হৈ চলাটোৰেই মোৰ লক্ষ্য আছিল, সেয়ে তেওঁ হুকুম দিয়াৰ দৰে কৰি যাবলৈ মোৰ অকণো সংকোচ নাছিল। মই সেই ৰাতিয়েই যাবলৈ বাধ্য হোৱা যেন অনুভৱ কৰিলো। তাতেই মোৰ চাইকেলখন এৰি থৈ লাহোৰলৈ যাবলৈ ৰেলত উঠিলো। মই গৈ ককাইৰ ঘৰত দুৱাৰ টুকুৰিয়ালো আৰু তেওঁ দুৱাৰ খুলি দিলে। তেওঁ আচৰিত হৈছিল যদিও তেওঁৰ চকুত সামান্য আশাৰ ৰেঙনি দেখা গৈছিল। তেওঁ সুধিছিল, "তুমি ঘূৰি আহিলা নে?" মই বুজি পাইছিলো যে তেওঁ মোক আমাৰ পৰিয়ালটোৰ ওচৰলৈ আগৰ ঈমানটোলৈ ঘূৰি আহিছো নে নাই তাকে জানিব বিচাৰিছিল। মই ক'লো, **"হয়, মই ঘূৰি আহিছো, কিন্তু আপোনালোকৰ লগত থাকিবলৈ নহয়। মই মাত্ৰ ইয়াকেই কবলৈ আহিছো যে খোদাবন্দ ঈছা মছীহই হ'ল নাজাতদাতা। তেওঁ মোক নাজাত দিলে আৰু মই জানো যে তেওঁ আপোনালোককো নাজাত দিব।"** তেওঁৰ মুখৰ ভাৱ-ভংগী ততালিকে সলনি হৈ পৰিল। তেওঁৰ খঙটোক বহু যত্নেৰে সংযম কৰি বলেৰে উত্তৰটো দিছিল, "বহুত ধন্যবাদ, কিন্তু আমি তোমাক পাবলৈ নিবিচাৰো, নাইবা তোমাৰ মছীহকো আমাৰ প্ৰয়োজন নাই। তেওঁ দিয়া নাজাতো আমাক নালাগে। এতিয়া যাব পাৰা।" তাকে কৈ তেওঁ মোৰ মুখৰ আগতে দুৱাৰখন মাৰি দিলে। মই দুঃখ পাইছিলো, কিন্তু আচৰিত হোৱা নাছিলো। মই অন্ততঃ এই সকাহ পাইছিলো যে মই মোৰ কৰ্তব্যটো সম্পূৰ্ণ কৰিলো, যদিওবা ই দেখাত একো ফল ধৰা নাছিল।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

লোৱা নাছিলো, তেতিয়া মোকো দুৰ্বল বুলিহে দোষাৰোপ কৰা হৈছিল। মোৰ মালিকজনতকৈ মোক বেলেগ ধৰণে আচৰণ কৰা হ'ব বুলি মই আশা কৰিব নোৱাৰো।

**তেওঁ মোক যেতিয়া "পুৰণি পোছাক সলাই নতুন পোছাক পিন্ধিবলৈ" আমন্ত্ৰণ জনাইছে, তেতিয়া মই সাজু হৈছো। মই জানিছিলো যে মছীহী এজনৰ নিমিত্তে মওত হোৱাটোৱেই জীৱনৰ শেষ নহয়, বৰং ই এটা নতুন আৰু উত্তম জীৱনৰ আৰম্ভণিহে হয়।** মই এই দুনিয়াখনৰ পৰা বিদায় লোৱাৰ পাছত তেওঁৰ কাৰণে প্ৰতিদিনে মৰিবলৈ কোনো সুযোগ আৰু নাপাম। মই বহুতকে এই দুনিয়াত গভীৰ আস্থা আৰু বিশ্বাসেৰে খোজ দিবলৈ উৎসাহিত কৰিব পাৰো, যাতে মোৰ গৰাকীৰ নাম মহিমান্বিত হয় আৰু তেওঁৰ প্ৰশংসা হয়। মোৰ মালিক আৰু খোদাই ইমান বছৰে মোক বিশ্বস্ততাৰে চলাই নিছে। তেওঁৰ নামৰ প্ৰশংসা হওঁক।

কেইবছৰমানৰ আগতে মই কৰাচীত হোৱা এখন ডায়চেচান সভা (মছীহী ধৰ্মৰ ইমামৰ বিষয়ক)লৈ গৈছিলো আৰু তাত মঞ্জুৰ আৰু দাদুক হলি ট্ৰিনিটি কেথেড্ৰেলত মছীহী ভোজ (একপ্ৰকাৰ ধৰ্মীয় কাৰ্য) পৰিচালনা কৰা দেখিছিলো। ধন্যবাদ আৰু প্ৰশংসা দিবলৈ মই মোৰ মূৰটো আল্লাহৰ উদ্দেশ্যে দোৱাইছিলো। মই যেতিয়া তেওঁলোকৰ হাতেদি মোবাৰকযুক্ত ভোজটো কবুল কৰিছিলো, তেতিয়া এনেকুৱা এটা শিহৰণ মোৰ মাজেদি পাৰ হৈ গৈছিল যে মোৰ প্ৰায় এনে লাগিছিল যেন মোৰ কলিজাটো আনন্দত ফাটিহে যাব! এই মানুহ দুজনক খোদাবন্দৰ ওচৰলৈ অনাত মোৰেই প্ৰধান ভূমিকা আছিল। ইয়াতকৈ বেছি এজন অযোগ্য গোলামে আৰু নো কি বাঞ্চা কৰিব পাৰো?

মই আল্লাহক ধন্যবাদ জনাওঁ যে তেওঁ মোক লগ কৰিছিলহি। এতিয়া মোৰ মোনাজাত এয়ে যে যিবিলাকে এই কিতাপখনত তেওঁৰ বিষয়ে পঢ়িবলৈ পাব, তেওঁলোক যেন সেই অগনণ নেক বান্দা আৰু পৰহেজ্‌গাৰ লোকৰ সৈতেই চামিল হয় যিবিলাকে তেওঁৰ অনন্তকলীয়া নূৰৰ মাজত থাকি এবাদত-বন্দেগী আৰু স্তুতি যিক্‌ৰ কৰি থাকিব।

০০০০০০০০০০০০০





তব্‌লিগ্ কৰা জীৱনটোৱে মোক অকলে জীয়াই থাকিবলৈ তেওঁলোকে এতিয়া বোধহয় এৰি দিব। কিন্তু এই কথা মোলৈ লাহে লাহে স্পষ্ট হৈ পৰিছিল যে পাঞ্জাৱ প্ৰদেশত মোৰ জীৱনটো নিৰাপদ নহয়। মই আগতে কৈ অহাৰ দৰে মই তাতেই মোৰ খেদমতৰ কামবোৰ আৰম্ভ কৰিছিলো, কিন্তু তাত মই কিয় থাকিব লাগে তাৰ কোনো কাৰণ নাছিল। মই এইবোৰ কথাকে চিন্তা কৰি থকা সময়ত ইমাম চান্দু ৰায় নামৰ এজন দয়ালু আৰু মৰমীয়াল বন্ধুক লগ পাইছিলো, যিজন পাছলৈ বিছপ হৈছিলগৈ। মোৰ পৰিচৰ্যা সম্পৰ্কে আমাৰ দীঘলীয়া ধৰণৰ কথা-বাৰ্তা হৈছিল। তেওঁ মোক সিন্ধু প্ৰদেশৰ ছক্কুৰ নামৰ ঠাইলৈ যাবলৈ পৰামৰ্শ দিছিল। পাঞ্জাৱী কবি বুল্‌হে শ্বাহৰ কবিতা ফাঁকিৰে মনত পেলাই মই তেওঁৰ পৰামৰ্শ গ্ৰহণ কৰিছিলো ঃ-

**"বুল্‌হেলৈ যাওঁ ব'লা এনে এখন ঠাইলৈ,**
**য'ত কোনোৱে আমাৰ জাতি কি নাজানে;**
**নাইবা আমালৈ বিশেষ লক্ষ্যও নকৰে।"**

সেই সময়ত ছক্কুৰত থকা মিছনাৰীজন আছিল বয়োবৃদ্ধ শ্ৰদ্ধেয় পাদ্ৰী কাৰছন। কিছু মাহৰ কাৰণে মই বাইবেল ছ'ছাইটিত কাম কৰিছিলো। এই কামবোৰ আছিল প্ৰতিবেদন লিখা আৰু কিছুমান প্ৰশাসনীয় কাম। তথাপিও মই বৰ আমনি পাইছিলো আৰু ব্যাকুল হৈছিলো। এনে ধৰণৰ কামবোৰক মোৰ অন্তৰে বিচৰা নাছিল। তাৰোপৰি মই এনে অনুভৱ কৰিছিলো যে মই এক বাণিজ্যিক দিশতহে সোমাই পৰিছো। মই তাত ভাল পোৱা নাছিলো। মই যেন মোৰ প্ৰথম দৰ্শনটোৰ পৰা আঁতৰি আহিছো, গতিকে মই মোৰ কামটো ইস্তফা দিবলৈ সিদ্ধান্ত লৈছিলো।

মই নিজকে এজন তব্‌লিগকাৰী হিচাবে চিনি পাইছিলো আৰু সেয়েহে মই নিজকে এই কামটোৰ বাবেহে সু-সজ্জিত কৰিব লাগিব। মই কাৰছন পাদ্ৰীৰ সহায়ত সিন্ধি ভাষা শিকিবলৈ আৰম্ভ কৰিলো। অতি সোনকালে আৰু বেছি কষ্ট নকৰাকৈয়ে মই সিন্ধি ভাষা ভালদৰে শিকি পেলালো আৰু ভাল ধৰণে কবলৈ, পঢ়িবলৈ আৰু লিখিবলৈ আৰম্ভ কৰিলো। ভাষাৰ প্ৰাচীৰটো এতিয়া আঁতৰি গ'ল আৰু মই কাৰছন



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

চাহাবৰে সৈতে তব্‌লিগৰ কাৰ্যসমূহত যোগ দিবলৈ সমৰ্থ হৈ পৰিলো।

ছুক্কুৰত চলি থকা মোৰ কামটোত এটা প্ৰতিবন্ধক আহি পৰিল। গৰমকালি আহি পৰিছিল আৰু গৰমৰ প্ৰকোপটো সহিবলৈ মোৰ পক্ষে টান হৈ পৰিছিল। মোৰ খেদমতৰ ক্ষেত্ৰখন সিন্ধু প্ৰদেশেই হওঁক বুলি মই মোৰ মনটো বান্ধি পেলাইছিলো যদিও অলপ দিনৰ নিমিত্তে মই এই ঠাই এৰি যাব লাগিব।

মই পাঞ্জাৱলৈ উলটি গ'লো। তাত থাকোতে লয়লাপুৰত (বৰ্তমানৰ ফৈজলাবাদ) মই লেৰয় ছেল্‌ভি নামৰ আমেৰিকাৰ পালক এজনক লগ পাইছিলো। তেওঁ মোক তেওঁৰ লগতে যুৱকবিলাকৰ মাজত কাম কৰিবলৈ আমন্ত্ৰণ জনাইছিল। লয়লাপুৰ সন্মিলনখন অলপতেহে আৰম্ভ হৈছিল। আৰম্ভণিৰ প্ৰথম দুবছৰৰ বাবে এই সন্মিলনখন কেৱল যুৱকবিলাকৰ নিমিত্তেহে আছিল। মোৰ থাকিবলৈ কতো ঠাই নাছিল আৰু মই মিছনাৰীসকলৰে সৈতে থাকিবলৈকো ভাল পোৱা নাছিলো। সেয়ে মই চৌধুৰী জালাল মছীহ নামৰ এজন মছীহী ঈমানদাৰৰ লগতে থকাৰ ব্যৱস্থাটো কৰিছিলো। তেওঁ এজন ৰহম দিলৰ মানুহ আছিল আৰু মোৰ নিমিত্তে প্ৰায় এজন আব্বাজানৰ দৰেই আছিল। তেওঁলোকৰ পৰিয়ালৰে এজন বুলি মোক তেওঁলোকে গ্ৰহণ কৰি লৈছিল আৰু তেওঁৰ পুতেক আৰু জীয়েকে মোক এজন ভাইৰ দৰেই আচৰণ কৰিছিল। এই সম্বন্ধটোৱে মোৰ কাৰণে সেই সম্প্ৰদায়টোৰ বাবে এখনি দুৱাৰ মুকলি কৰি দিছিল আৰু মই খোদাবন্দৰ খেদ্‌মতত অধিককৈ নিমগ্ন হ'ব পাৰিছিলো। লয়লাপুৰৰ এই ঠাইখনৰ পৰাই মই দেশখনৰ প্ৰায় গোটেই ঠাইবোৰলৈকে চাইকেলেৰে গৈছিলো। মই চাইকেলেৰে কেইবাবাৰো দক্ষিণে কেমাৰীলৈকে (কৰাচী প্ৰদেশত) আৰু উত্তৰে লাণ্ডি কটাললৈকে (আফগান সীমান্তৰ ওচৰৰ পেছোৱাৰৰ ওচৰলৈকে) প্ৰায় বাৰ হাজাৰ মাইল সামৰি লৈছিলো।

ৰিফৰম্‌ড্‌ প্ৰেছবিটেৰিয়ান মিছনাৰী আমেৰিকাৰ বন্ধু এজনে মোক এবাৰ সৰু নগৰ এখনলৈ লৈ গৈছিল। তেওঁ চলাই নিয়া এখন এবাদত সভাত মোক আল্লাহৰ কালামৰ তালিম দিবলৈ কৈছিল। দান তোলাৰ সময় হোৱাত মোৰ এক মানসিক সংগ্ৰাম হৈছিল। মোৰ হাতত মাথো এটা আধলিহে আছিল। মই কিনো কৰিম? সেই আধলিটো মোৰো





বন্ধুজনৰ ৰাইফলটো বিকল হৈ চলাব নোৱাৰা হৈ পৰিছিল। তেওঁ বৰ ভয় খাইছিল। এই কথাটো অস্ত্ৰহীন হোৱাৰ দৰে আছিল। মই তেওঁলৈ চাইছিলো আৰু তেওঁৰ মুখত সহায়হীন অৱস্থাৰ চেহেৰা ফুটি ওলাইছিল। মই মোৰ ৰাইফলটো কাজ্‌মিলৈ দলিয়াই দিছিলো যাতে তেওঁ সেইটো নিজৰ সুৰক্ষাৰ কাৰণে ব্যৱহাৰ কৰিব পাৰে। মই এজন বলৱান ডেকা মানুহ আছিলো আৰু মই বিনা অস্ত্ৰে নিজকে কেনেকৈ ৰক্ষা কৰিব লাগে তাক জানিছিলো। মোৰ এই সহায়ে আমাৰ বন্ধুত্বক চিমেণ্টৰ দৰে মজবুট কৰি তুলিছিল। কিন্তু মোৰ পৰিয়ালৰ মানুহবিলাকে মোক যেতিয়া তাড়না কৰিছিল, তেতিয়া এনেকি কাজ্‌মিৰ দৰে অন্তৰংগ বন্ধু এজনেও মোক কিবা প্ৰকাৰে সহায় কৰিবলৈ অসমৰ্থ হৈছিল। সম্বন্ধীয় মানুহবিলাক আৰু বন্ধুবোৰৰ দ্বাৰাই পৰিত্যজ্য হোৱাৰ পাছত মই মোৰ নিজা ধৰণে জীৱনৰ পথটোক বিচাৰি লব লগা হৈছিল। ই মোৰ কাৰণে এক 'সামাজিক মৃত্যু'ৰ দৰে আছিল। তথাপিও মই মনোনীত কৰি লোৱা বাটেদি মই খোজ কাঢ়িয়েই আছিলো।

খোদাবন্দৰ কাৰণে প্ৰতিদিনে মৰিবলগা ধৰণৰ জীৱনৰ এই পথটো কোনোবাই সহজে গ্ৰহণ কৰি নলব। তাকে কৰি মোৰ অনুশোচনা হোৱা নাছিল। মই যেতিয়া দেখিলো যে মোৰ জীৱনটো সলনি হৈছে আৰু ধন্য হৈছে, তেতিয়া ইয়ে মোলৈ মহা আনন্দ কঢ়িয়াই আনিছিল। কিন্তু মোৰ পৰিশ্ৰমবোৰ বৃথা হোৱা যেন লাগিলে কেতিয়াবা কোনোবা সময়ত মই নিৰাশো হৈছিলো। মই এগৰাকী যুৱতীক শিক্ষা-দীক্ষা দিয়াত আৰু মছীহী ঈমানত বৃদ্ধি হোৱাত সহায় কৰিছিলো, কিন্তু শেষত যেতিয়া দেখিলোঁ যে তাই সেই সকলো ত্যাগ কৰি মুছলমান বান্দা এজনৰ দ্বিতীয় পত্নী হ'বলৈ ওলাই গৈছে, তেতিয়া মই চৰম দুৰ্দশাত পৰি হতাশাত ভূগিছিলো। মোৰ দিলত সোনকালেই সোঁৱৰাই দিয়া হৈছিল যে আমাৰ খোদাবন্দেও সকলোৰে বাবেই নিজৰ জান কোৰবানী দিছিল আৰু অলপ সংখ্যকেহে তেওঁৰ মহব্বতৰ প্ৰতি সঁহাৰি দিছিল। তেতিয়া মই নিজকে সুধিছিলো, "**তেওঁৰ মহব্বতৰ আৰু শ্ৰমৰ লগত তুলনা কৰিলে মোৰটো একোৱেই নহয়।**" ছলীবত কৰা তেওঁৰ আত্ম কোৰবাণীটো দুৰ্বলতা যেন দেখা গৈছিল। মোক বেয়া ব্যৱহাৰ বা অপমান কৰা হোৱাৰ পাছত মই যেতিয়া কোনো পোটক



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

সপ্তাহ ধৰি, এনেকি কেইবা মাহো মই আন মানুহবিলাকৰে সৈতে সংগ লবলৈ নাইবা কথা পাতিবলৈ আনন্দ পোৱা নাছিলো। কিন্তু এনেকুৱা সময়বোৰতেই মই মোৰ খোদাবন্দৰ আৰু মালিকৰ অতি ওচৰ চাপিব পাৰিছিলো। এই জীৱনটোৱেই মছীহৰ বাবে মৰিবলৈকো বিচৰাটোৱে মোক তেওঁৰ পুনৰুত্থানৰ পৰাক্ৰমৰ অভিজ্ঞতাটো পাবলৈ সমৰ্থ কৰিছিল। তেওঁতে থাকি এই জীৱনটো ধাৰণ কৰি থকাতেই মই মওতৰ ওপৰতো জীৱনৰ জয়ৰ অভিজ্ঞতা পাইছিলো। পাকিস্তানৰ এজন মহান কবি চাৰ মহম্মদ ইকবালে জীৱন আৰু মৃত্যুৰ সংজ্ঞা এইদৰে দিছে ঃ-

**"জীৱনটো হ'ল দৃশ্য বস্তুবোৰৰ গতানুগতিকতাৰ এক নাম; এই গতানুগতিকতা নাইবা শৃঙ্খলা যেতিয়া ভাঙি যায় আৰু সিঁচৰিত হৈ পৰে, সেয়ে হ'ল মৃত্যু।"**

মই আমাৰ বিয়াল্লিছজনীয়া ডাঙৰ পৰিয়ালটো এৰি অহাৰ পাছত মই মোৰ নতুন পৰিৱেশত নিজকে খাপ খুৱাই লবলৈ টান পাইছিলো। মোৰ চাৰিগৰাকী মৰমীয়াল খুলশালী ভনী আছিল, যিয়ে মোক বৰ মহব্বত কৰিছিল, এগৰাকী আম্মাজান আছিল যিয়ে কেতিয়াও মোক নাইবা মোৰ উপস্থিতিত আনকো টান কথা কোৱা নাছিল, এজন আব্বাজান আছিল যিজনৰ ৰহমপূৰ্ণ ব্যক্তিত্বই মোৰ কাৰণে উজ্জ্বল আৰ্হি আছিল আৰু যিজনে মোক জ্ঞানীৰ পৰামৰ্শ দিছিল। মোৰ চাৰিজন ককাই আছিল, যিসকলে মোক এজন সুখী ডেকা মানুহৰ নিচিনা চাবলৈ বিচাৰিছিল। দুৰ্ভাগ্যক্ৰমে এতিয়া তেওঁলোক সকলোৱেই মোৰ ঘোৰ দুছমন হৈ পৰিছে। তেওঁলোকৰ অবিহনে মই বৰ বিবুধিত পৰিছিলো। এনেকি মোৰ কিছু উত্তম মুছলমান বন্ধুও মোৰ বাবে অচিনাকী যেন হৈ পৰিছিল, যিবিলাকৰ বন্ধুত্বক আৰু বিশ্বাসযোগ্যতাক মই বৰ মূল্য দিছিলো; যদিওবা এই সম্বন্ধবোৰ বৰ কঠিন পৰিস্থিতিৰ মাজতহে গঢ়ি উঠিছিল। এবাৰৰ এটা কথা মোৰ মনত পৰে, মই যেতিয়া এজন স্বাধীনতা যুঁজাৰু আছিলো, তেতিয়া মই কাশ্মীৰৰ সীমান্তৰ এটা অভিযানৰ দায়িত্বত আছিলো। আমি যুদ্ধৰ মাজত সোমাই পৰিছিলো। দুয়ো ফালৰে পৰাই গুলিয়াগুলি চলিছিল। আকবৰ কাজ্মি নামৰ মোৰ





প্ৰয়োজন আছিল, তথাপিও দান তোলা থালীখনত মই একো নিদিয়াকৈ পাৰ হৈ যোৱাটোও মই বিচৰা নাছিলো। যেতিয়া সেইখন মোৰ ওচৰ পালেহি, তেতিয়া মোৰ আৰু একো বাছনি নাছিল। মই মাত্ৰ মোৰ জেপত হাত ভৰালো, আধলিটো উলিয়ালো আৰু থালখনত থৈ দিলো। মোৰ সংগ্ৰামটোৰ অন্ত পৰিল। এবাদত শেষ হোৱাৰ পাছত চিন্তাত পৰিলো যে হাতত এটিও পইচা নোহোৱাকৈ মই এতিয়া কি কৰিম? মই সমূলি জনা নাছিলো যে অলপ সময়ৰ ভিতৰতেই মই আল্লাহতা'আলাৰ এক আচৰিত ধৰণৰ যোগানৰ অভিজ্ঞতা পাম।

মই এজন পাকিস্থানী বন্ধুৰ ঘৰলৈ গলো। তেওঁৰ পত্নীয়ে মোক সম্ভাষণ জনাই এই বাৰ্তা দিলে, "ভাই চাহাব, কোনোবা দুজনে আপোনাক লগ পাবলৈ আহিছিল।" মই অতিশয় আচৰিত হৈছিলো, কিয়নো মই কাৰোবাক লগ পাম বুলি আশা কৰা নাছিলো। তাই তেতিয়া বুজাই কৈছিল যে দাৱাখানাৰ পৰা দুগৰাকী নাৰ্ছে মোক লগ কৰিবলৈ আহিছে, কাৰণ তেওঁলোকে জানিছিল যে মই পাছদিনাখন গুচি যাম। তেওঁলোক দুঃখিত হৈছিল যে তেওঁলোকে এই এবাদতলৈ যাব নোৱাৰিলে আৰু তেওঁলোকে মোৰ কাৰণে এটা খাম এৰি থৈ গৈছে। যেতিয়া মই মোৰ কোঠালৈ গৈ সেই খামটো খুলি চাইছিলো, তেতিয়া তাৰ ভিতৰত টকাৰ বাণ্ডিল এটাৰে সৈতে সৰু চিঠি এখনো পাইছিলো, **"খোদাই আমাক দেখুৱাই দিছিল যে আপোনাৰ ভ্ৰমণৰ কাৰণে আপোনাৰ টকাৰ আৱশ্যক আছে। গতিকে এইখিনি কবুল কৰক আৰু খোদাৰ প্ৰশংসা কৰক।"** মই বাক্ৰুদ্ধ হৈ পৰিছিলো। খোদা সঁচাকৈ বৰ ভাল আৰু মহৎ!

এই ঘটনাই মোৰ মনত দৃঢ় সাঁচ বহুৱাইছিল। মছীহী ঈমানৰ বিষয়ে কিছু আগ্ৰহ দেখুউৱা মানুহ এজনক লগ কৰিবলৈ মই থিৰাং কৰিছিলো। মই তেওঁৰ নগৰলৈ গৈছিলো, কিন্তু তেওঁক লগ নাপালো। নিৰাশ হৈ আৰু ভাগৰি পৰি মই এখন বাছেৰে ষ্টেচনলৈ উলটি আহিলো। মোৰ কাষতে এজন বৃদ্ধ মুছলমান লোক বহি আছিল আৰু আমি কথা পাতিবলৈ ধৰিছিলো। তেওঁ মোৰ বিষয়ে জানিবলৈ প্ৰশ্ন সুধিছিল আৰু মই যেতিয়া কৈছিলো যে মই এজন প্ৰচাৰক হয়, তেতিয়া তেওঁ



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

বৰ আনন্দিত আৰু উত্তেজিত হৈ পৰিছিল। এনেকুৱা লাগিছিল যেন আল্লাহৰ ওচৰত কৰা তেওঁৰ মোনাজাতৰ ময়েই উত্তৰ আছিলো। মুছলমানসকলে সাধাৰণতে এবাৰ হ'লেও মক্কালৈ যাবলৈ পৰিকল্পনা কৰে আৰু তেওঁ সাতবাৰলৈকে তালৈ গৈছিল; তথাপিও তেওঁ হেনো যি বিচাৰিছিল তাক পোৱা নাছিল। তেওঁ মোক কৈছিল যে কোনোবাই তেওঁৰ ভাষাতে তেওঁক এখন ইঞ্জিল দিছিল আৰু তেওঁ তাকে পঢ়ি আছে। আমল কিতাবৰ মুৰিদজনে ইথিওপিয়া দেশৰ নপুসংকজনক পাক কিতাপখন বুজাই দিয়াৰ দৰে তেওঁকো ইয়াৰ ব্যাখ্যা কৰি দিবলৈ কোনোবা এজনৰ সহায় লাগে। ইয়াত এইখন বাছতে বহি কাৰোবাক পঠিয়াই দিবলৈ তেওঁ হেনো আল্লাহক মোনাজাত কৰিছিল আৰু মই তেওঁৰ কাষতে আহি বহিলো। এই কথা জনাৰ পাছত মোৰ সকলো ক্লান্তি দূৰ হৈ গৈছিল আৰু মই আনন্দমনেৰে ইঞ্জিলখন তেওঁক বুজাই দিয়াৰ সুযোগটো গ্ৰহণ কৰিছিলো। আমি যেতিয়া তেওঁৰ নমা ঠাইখন পালোগৈ, তেওঁ মোক তেওঁৰ ঘৰলৈ দাৱাত দিলে। তেওঁ এজন জমিদাৰ আছিল আৰু তেওঁৰ সাত হাজাৰ একৰ মাটি আছিল। তেওঁৰ সেই মৰমীয়াল ঘৰখনত অনেক পৰ দীঘলীয়া কথা-বাৰ্তা কৰাৰ পাছত তেওঁ মোক তেওঁৰ কাৰণে মোনাজাত কৰিবলৈ কলে। মই তেওঁক নিজেই মোনাজাত কৰিবলৈ কলো। তেওঁ বৰ আচৰিত হৈছিল আৰু সুধিছিল, "মই মোনাজাত কৰিব পাৰিমনে?" মই উত্তৰ দিছিলো, "হয় পাৰিব, মোৰ লগত আপুনি যেনেকৈ কথা পাতিছে, তেনেকৈ খোদাৰ লগতো পাতিব পাৰে।" তেতিয়া তেওঁ এইদৰে মোনাজাত কৰিছিল, **"হে খোদাবন্দ ঈছা, মোক সত্য পথটো দেখুৱাই চলাই নিবলৈ আপোনাৰ গোলামক মোৰ ওচৰলৈ পঠিয়াই দিয়া বাবে আপোনাক ধন্যবাদ জনাওঁ। মোলৈ ৰহম কৰি মোক গ্ৰহণ কৰক। আজিৰে পৰা মই আপোনাক মোৰ নাজাতদাতা হিচাবে গ্ৰহণ কৰিলো।"** মই জানিছিলো যে আল্লাহে তেওঁক গ্ৰহণ কৰি লৈছিল। আল্লাহৰ দয়া আৰু মহানতাৰ কোনো পাৰাপাৰ নাই। যিমান মানুহেই তেওঁক আন্তৰিকতাৰে খোদাবন্দ বুলি মাতে, সেই সকলোৱেই নাজাত লাভ কৰে।

০০০০০০০০০০০০০



# সকলো ঈছাৰেই কাৰণে

মোৰ খোদায়ে মোৰ কাৰণে মনোনীত কৰা পথেৰে মোক চলাই নিছিল আৰু মই সমৰ্পণ কৰিছিলো। কেৱল এই পথেৰেহে তেওঁৰ মহিমাৰ কাৰণে মই মোৰ জীৱনটো কটাই নিব পাৰিম। যি জনাই মোক প্ৰথমে মহব্বত কৰিলে আৰু মোৰ ওপৰত তেওঁৰ মহব্বতেৰে ছাঁ দি ধৰিলে, তেওঁৰ ওচৰতেই এই সকলোৰে কাৰণে মই ধৰোৱা হ'লো। মোৰ শক্তিৰে মই একো কৰিব নোৱাৰিলোহেঁতেন! মই যি হওঁ আৰু মই যি যি কৰিবলৈ সমৰ্থ হৈছো, সেই সকলো তেওঁ মোত থাকি কৰা নিমিত্তেহে সম্ভৱ হৈছে।

"কালবাৰীলৈ" যোৱা মোৰ পথটো হৈছে এটা কাঁইটিয়া পথ। মই আশা কৰাতকৈও ই বৰ কঠিন আছিল। কিন্তু মই জানিছিলো যে এজন বিশেষ ব্যক্তি নাছৰতৰ ঈছা মছীহই মোৰ আগেয়ে এই পথেৰে অকলশৰে গৈছিল। এই ভাৱনাটোৱে মোক শক্তি যোগাইছিল আৰু "ছলীবৰ" বোজাটো মোৰ পক্ষে ক্ৰমান্বয়ে গধূৰ হৈ অহা যেন লাগিলেও আগুৱাই গৈ থাকিবলৈ মোক সহায় কৰিছিল। তেওঁ কোৱা কালামটো মোৰ বাৰেপতি মনত পৰিছিলঃ- **"কোনোৱে যদি মোৰ পাছত আহিবলৈ ইচ্ছা কৰে, তেওঁ নিজকে নিজে দমন কৰক আৰু নিজৰ ছলীব তুলি লৈ মোৰ পাছে পাছে আহক"** (মাৰ্ক ৮:৩৪)। মোৰ পক্ষে মই যাব পৰা এইটোৱেই একমাত্ৰ পথ আছিল আৰু মই আন বহুতকে ছলীবৰ তললৈ আনিবলৈ আৰু তেওঁৰ খেদমত কৰি যাবলৈ এইটোৱেই একমাত্ৰ উপায় আছিল। মোলৈ থকা তেওঁৰ মহান মহব্বতৰ প্ৰতি এইটোৱেই মোৰ সহাঁৰি আছিল।

খেদমতৰ এই পথছোৱা বৰ অকলশৰীয়া আছিল। কেতিয়াবা এই একাকীত্বই ভুল বুজাবুজিও কৰোৱাব পাৰে, যেনেকৈ কেতিয়াবা কেইবা



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

২০। তেওঁৰ জীৱনটো বিপদৰ সন্মুখীন হ'ব বুলি জনাৰ পাছতো গোলামে বাৰু কিয় তেওঁৰ ককায়েক আৰু মোমায়েকৰ লগত নিজৰ ঘৰলৈ গৈছিল?

২১। গোলামৰ পৰিয়ালটোৱে তেওঁক ইছলাম ধৰ্মলৈ ঘূৰাই আনিবলৈ কেনে ধৰণে চেষ্টা চলাইছিল?

২২। লিখকজনৰ ককায়েকবিলাকে তেওঁক কিয় বধ কৰিবলৈ বিচাৰিছিল আৰু তেওঁলোকৰ পদ্ধতিটো কেনেকুৱা আছিল?

২৩। তেওঁৰ কাপোৰ-কানি সোলোকাই হিম-চেঁচা কোঠা এটাত বন্ধ কৰি থোৱাৰ পাছত লিখকজনৰ মোনাজাত কেনেকুৱা আছিল?

২৪। গোলামে তেওঁৰ তব্‌লিগৰ কামবোৰ ক'ত আৰম্ভ কৰিছিল? ফলাফল কি হৈছিল আৰু পাছত তেওঁ ক'লৈ গৈছিল?

২৫। গোলামৰ তব্‌লিগৰ পৰিচৰ্যাবোৰত তেওঁৰ ঈমানৰ উল্লেখযোগ্য নীতিবোৰ কি কি আছিল?

২৬। তেওঁৰ এই সাক্ষ্যটো পঢ়ি আপুনি কি শিকিলে?

পিন কোড নম্বৰৰে সৈতে আপোনাৰ সম্পূৰ্ণ ঠিকনা লিখি আপোনাৰ উত্তৰসমূহ তলত দিয়া আমাৰ ঠিকনালৈ উপযুক্ত ডাক-টিকট লগাই পঠিয়াওক। আপোনাৰ কিবা মন্তব্য বা প্ৰশ্ন থাকিলে বেলেগ কাগজ এখনত লিখি পঠিয়াব। আপোনাৰ সহাঁৰিৰ বাবে আমি অপক্ষা কৰি আছো।

*দ্বাৰ-উজ্জ্বল-মছীহ*
ডাক বাকচ নং-২৩৪
গুৱাহাটী-৭৮১ ০০১
অসম।





# সামৰণি

গোলাম মছীহ নামান এজন তব্‌লিগ্‌কাৰী হিচাবে সাত বছৰ ধৰি খোদাবন্দ ঈছা মছীহৰ খেদমত কৰিছিল। তাৰ পাছত তেওঁ গুজৰানৱালাত থকা থিয়'লজিকেল মহাবিদ্যালয়ত অধ্যয়ন কৰিছিল আৰু তাৰ পাছত এটা এংলিকান জামাতত এজন ঈমাম হিচাবে অভিষিক্ত হৈছিল। তেওঁ ডেইজি নামৰ নাৰ্ছ এগৰাকীক বিয়া কৰাইছিল, যি গৰাকীয়ে তেওঁৰ গোটেই সংগ্ৰামছোৱাত এগৰাকী বিশ্বাসী সংগিনী হৈছিল। তেওঁলোকৰ মিলনৰ ফলত দুটি পুত্ৰ সন্তান আৰু এটি কন্যা সন্তানৰ জন্ম হৈছিল।

স্বাধীনতা যুদ্ধৰ সময় ছোৱাত কাশ্মীৰৰ পৰা উত্তৰ প্ৰদেশৰ প্ৰায়বোৰ ঠাইত গোলাম নামান এজন লেখত লবলগীয়া সৈনিক আছিল। তেওঁৰ পাৰিবাৰিক বা বংশানুক্ৰমিক পৰম্পৰাৰ বাবেই বৃটিছৰ বিৰুদ্ধে মানুহক যুজিবলৈ আনকি নিজেও যুদ্ধ কৰিছিল। কিন্তু ধৰ্মীয় বিষয়ত সহমত থাকিলেও বৃটিছ উচ্চ বিষয়াসকলে তেওঁক ভাল মৰ্য্যদা দিয়া নাছিল। এইজন ব্যক্তিয়ে যেতিয়া মছীহী বিশ্বাসত আহে, তেতিয়া বহুতো মুছলমান নেতাই তেওঁত কিবা ৰহস্যৰ গোন্ধ পাইছিল। অৱশেষত যেতিয়া তেওঁ চাকৰি আৰু নিজ পৰিয়ালৰ সকলো সম্পত্তি নালাগে বুলি লিখিত দিছিল, তেতিয়াহে সিহঁতৰ ভূল ধৰাণাৰ অন্ত পৰিছিল।

মছীহ নামান জীৱিত থাকি যিদৰে মছীহৰ সেৱা কৰিছিল, তেওঁৰ ইন্তেকালৰ পাছত গোটেই পৰিয়ালটোৱে জীৱিত মছীহৰ খেদমত কৰিছিল। এতিয়াও তেওঁৰ বংশৰ কেইবাজন বিশেষ ব্যক্তিয়ে উত্তৰ প্ৰদেশৰ কিছুমান ঠাইত মছীহৰ খেদমত কৰি আছে।



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

# কুইজ
## “মোৰ অনুগ্ৰহেই তোমালৈ জুৰিব”

প্ৰিয় পঢ়ুৱৈ, আপুনি যদিহে ঈমাম ‘**গোলাম মছীহ নামান**’ৰ এই আত্ম-জীৱনীখন পঢ়িছে, তেন্তে আপুনি নিশ্চয়েই তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ দিব পাৰিব। যিসকলে এই প্ৰশ্নাৱলীৰ পৰা অন্ততঃ বিশ (২০)টা প্ৰশ্নৰ উত্তৰ শুদ্ধকৈ দিব পাৰিব, তেওঁলোকলৈ আন এখন কিতাপ উপহাৰ হিচাবে পঠিয়াই দিম।

১। লিখকজনৰ পৰিয়ালটো তেওঁৰ মানত কেনেকুৱা?

২। তেওঁৰ আব্বাজানে কিয় ৰহস্যবাদী ইছলামপন্থী হৈছিল?

৩। চুফিসকলৰ লক্ষ্য বা উদেশ্য কি?

৪। লিখকজনে পঢ়া-শুনা বাদ দি বায়ু-বাহিনীত কিয় যোগ দিছিল?

৫। বাক্সটাৰৰ মোনাজাতে তেওঁৰ সহকৰ্মীসকলক কেনেকৈ প্ৰভাৱিত কৰিছিল?

৬। আম্বেৰ আৰু মেৰী নামৰ দুগৰাকী নাৰ্ছক কোনবোৰ খ্ৰীষ্টিয়ান নীতিয়ে জখমপ্ৰাপ্ত নামানক যত্ন লবলৈ উদগাইছিল?

৭। সন্দেহজনক খ্যাতি থকা ছোৱালী এজনীক বিয়া কৰাবলৈ ফিলিপক কি অভিপ্ৰায়ে আগবঢ়াই নিছিল?

৮। লিখকজনে বায়ু-বাহিনী কিয় ত্যাগ কৰিছিল?

৯। জেহাদ বা পৱিত্ৰ যুদ্ধ ইছলাম ধৰ্মই কেনেকৈ বৈধ কৰি লৈছে?





১০। কেনেকুৱা কঠিন বাস্তৱে স্বাধীনতাৰ যুঁজাৰুজনক তেওঁৰ সেৱাৰ পৰা আঁতৰাই আনিছিল?

১১। সীমান্তৰ ওচৰৰ গাওঁখনত দহ বছৰীয়া সৰু ছোৱালীজনী, তাইৰ মাক-বাপেকৰ সাক্ষ্য আৰু মোনাজাতৰ উত্তৰ ঈছা মছীহই কি দৰে দিছিল?

১২। মণ্ডতৰ পৰা কেঁচুৱা এটিক উদ্ধাৰ কৰিবলৈ বয়সীয়া হিন্দু মহিলা গৰাকীয়ে হত্যাকাৰী ইউনিটটোৰ নেতাজনক কি ব্যাখ্যা কৰিছিল?

১৩। ইছলাম ধৰ্মৰ অধ্যয়নবোৰ পুনৰাই নতুনকৈ কৰাৰ পাছত জেহাদ সম্পৰ্কে লিখকজনৰ মনত কেনে ধৰণৰ চিন্তা-ভাৱনা আহিছিল?

১৪। সৰ্বশক্তিমান আল্লাহৰ উদ্দেশ্যে হতাশাগ্ৰস্ত গোলামৰ মোনাজাতৰ মূল কথাবোৰ কি আছিল?

১৫। ৰেলৰে ষ্টেচন এটাৰ জিৰণি কোঠাত খোদাক বিচৰা ভঙা হৃদয়ৰ মানুহ এজনক উদ্ধাৰ কৰিবলৈ মছীহই কি কথা কৈছিল?

১৬। ৰেলৰে মেতৰ হিচাবে কাম কৰা তল শ্ৰেণীৰ বৃদ্ধ খ্ৰীষ্টিয়ান এজনৰ লগত কথা পাতি থাকোতে ঈছা মছীহই গোলামৰ প্ৰতি কি মঞ্জুৰ কৰিছিল?

১৭। সেৰক বুটা মছীহৰে সৈতে মোনাজাতৰ সহভাগিতা গোলামে কি দৰে শিকিছিল আৰু এইটোৱে তেওঁলৈ কি অৰ্থ কঢ়িয়াই আনিছিল?

১৮। মিছন চৌহদৰ ভিতৰত খ্ৰীষ্টিয়ান কৰ্মচাৰীসকলৰে সৈতে থাকোতে লিখকে কেনে ধৰণৰ কঠিনতা আৰু কষ্ট সহিবলগা হৈছিল?

১৯। এজন নতুন ঈমানদাৰ হিচাবে লিখকজনে তৰিকাবন্দীৰ অৰ্থটো কেনেকৈ বুজিছিল?



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

## কোনে মোক  ঈছা মছীহৰ
## মহববতৰ পৰা পৃথক কৰিব পাৰে?

ক্লেশ বা সঙ্কট, তাড়না বা আকাল,
বস্ত্ৰহীনতা বা প্ৰাণ-সংশয় বা তৰোৱাল-
এইবোৰে পাৰেনে  ? পাক কালামত আছে,
“আমি তোমাৰ বাবে ওৰে দিনটো হত হবই
লাগিছো, কাটিবলৈ নিয়া দুম্বাৰ দৰে
আমি গণিত হ'লো।


**তথাপিও এই সকলোবোৰ বিষয়ত,**

**আমাক মহববত কৰা জনাৰ দ্বাৰাই**
**আমি জয়যুক্ত হৈছো।”**

ৰোমীয়া ৮:৩৫-৩৭

মোৰ অনুগ্ৰহেই তোমালৈ জুৰিব

গোলাম মছীহ নামান



# মোৰ অনুগ্ৰহেই
# তোমালৈ জুৰিব

*গোলাম মছীহ নামান*

PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

## সূচীপত্ৰ


| | |
|---|---|
| ১। মোৰ মুছলমান ঘৰখন | ১ |
| ২। এই ঈচ্ছা মছীহজনানো কোন? | ১৪ |
| ৩। ভিতৰে-বাহিৰে এক যুদ্ধ | ২৫ |
| ৪। স্বাধীনতা যুঁজাৰু | ৩৫ |
| ৫। এক অনাকাংক্ষিত দুছ্‌মন | ৪৮ |
| ৬। শলঠেকত পৰিলো আৰু বিজয়ী হ'লো | ৬২ |
| ৭। মোৰ অন্য এক হজযাত্ৰা | ৭৬ |
| ৮। অলৌকিকভাৱে ৰক্ষা পোৱা | ৮৭ |
| ৯। মছীহৰ বাবে তব্‌লিগ কৰা | ৯৯ |
| ১০। সকলো ঈছাৰেই কাৰণে | ১০৯ |
| ১১। সামৰণি | ১১৩ |
| ১২। কুইজ | ১১৪ |


# মোৰ অনুগ্ৰহেই তোমালৈ জুৰিব


*গোলাম মছীহ নামান*



***দ্বাৰ-উল-মছীহ***

ডাক বাকচ নং ঃ ২৩৪

গুৱাহাটী - ৭৮১০০১



PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com

# ।। মোৰ অনুগ্ৰহেই তোমালৈ জুৰিব।।

Assamese Translation of **"MY GRACE IS SUFFICIENT FOR YOU"**, by Ghulam Masih Naaman. Translated by Mr. Nizamul Haque, edited by Khursheed Alam and Published by *Dar-Ul-Masih*, Guwahati-1, Assam. Price Rs.30/ Only.

Manuscript Published By: The Good Way,
Calcutta, India.

প্ৰথম অসমীয়া প্ৰকাশ ঃ জুন/২০০৬

অনুবাদক ঃ শ্ৰীযুত নিজামুল হক

অসমীয়া সংস্কৰণ ঃ ***দ্বাৰ-উল-মছীহ***
ডাক বাকচ নং ঃ ২৩৪
গুৱাহাটী - ৭৮১০০১

© প্ৰকাশকৰ দ্বাৰা সৰ্বস্বত্ব সংৰক্ষিত।

**মূল্য ঃ** ৩০.০০ টকা মাত্ৰ।

1000 copies.

Printed at: **ComPress**, Ambari, Guwahati-1.

# প্ৰকাশকৰ একাষাৰ

‘**গোলাম মছীহ** নামানে’ নিজে লিখা মছীহী হোৱাৰ সাক্ষ্য পঢ়ি কেবাটাও প্ৰশ্ন উদয় হৈছেঃ প্ৰকৃত শান্তিৰ উৎস কি হ’ব পাৰে? ইছলামৰ এজন বিদগ্ধ পণ্ডিত, মহান শিক্ষক ও প্ৰচাৰক এজন কিয় মছীহী হ’ব লগা হ’ল? ইংৰাজীত থকা কিতাপখন কেতিয়ানো অসমীয়াত প্ৰকাশ কৰি আমাৰ আমাৰ পঢুৱৈসকলক জ্ঞাত কৰিব পাৰো সেই চিন্তা বহু দিনৰ। বিভিন্ন কাৰণত ইমান দিনে হৈ নুঠা কাম খোদায় এইবাৰ সফল দিয়াত মই নিজে সুখী। নামান চাহাবৰ অভিজ্ঞতাৰ পৰা ক’ব খুজিছো, ‘ইছলাম’ শব্দৰ অৰ্থটোহে ‘শান্তি’। ইয়াৰ অৰ্থ এইটো নহয় যে, এই ধৰ্মটো শান্তিৰ, ইয়াৰ ছত্ৰছায়াত মানুহে শান্তি পাব বা ইয়াৰ অনুগামীসকল শান্তিকামী হ’ব। কোনো ধৰ্মই নহয়, কিন্তু খোদাৰ মনোনীত এজন ৰছুল-হজৰত ঈছা মছীয়েহে প্ৰকৃত শান্তি (ইছলাম) প্ৰতীষ্ঠাৰ বাবে সঠিক পদক্ষেপ লৈছিল।

নামান চাহাবৰ সাক্ষ্যই আমাৰ বহুতো মুছলমান ভাই-ভনীসকলৰ উপকাৰত আহিব বুলি আশা ৰাখিছো। আজি আমাৰ উঠি অহা বহুতো ভাই-ভনী ধৰ্মীয় দিশত দিগভ্ৰান্ত। ধৰ্মৰ শিক্ষাৰ লগত বাস্তৱৰ মিল নথকাত নামান চাহাবৰ দৰে বহুতেই আজি ঈছা মছীহত আশ্ৰয় লৈ ব্যক্তিগত জীৱনৰ ‘নাজাত’ সুনিশ্চিত কৰিছে। প্ৰিয় পঢুৱৈ সকলৈ আমাৰ এইটোৱেই বিনম্ৰ অনুৰোধ ঃ আপোনালোকে মুকলিমুৰীয়াকৈ নামান চাহাবৰ সাক্ষ্য পঢ়ক আৰু তেওঁৰ দৰে ঈছা মছীহক গ্ৰহণ কৰি নাজাত সুনিশ্চিত কৰক।

এই কিতাপখন ইংৰাজীৰ পৰা অসমীয়ালৈ অনুবাদ কৰি দিয়াৰ বাবে শ্ৰীযুত নিজামুল হক দালৈ আন্তৰিক ধন্যবাদ জনাইছো। অসমীয়া সংস্কৰণত অজানিতে ৰৈ যোৱা ভুলৰ বাবে ৰাইজে ক্ষমা কৰে যেন। শেষত কওঁ, কিতাপখন পঢ়ি আপোনাৰ মনত উদয় হোৱা যিকোনো প্ৰশ্ন আমালৈ কৰিব পাৰে। নামান চাহাব বা তেওঁৰ ঈমানৰ বিষয়ে অধিক জানিব খুজিলে আমি জনাবলৈ চেষ্টা কৰিম। কিতাপখন পঢ়ি আপোনালোকে উপকৃত হ’ব পাৰিলে আমাৰ পৰিশ্ৰম সাৰ্থক হোৱা বুলি ভাবিম। মহান খোদাৰ মহব্বত আৰু শান্তি, ঈছা মছীহৰ উপস্থিতি সকলো সময়তে আপোনালোকৰ লগত থাকক। আমিন। খোদা হাফিজ।

**প্ৰকাশক ঃ** সম্পাদক, *দ্বাৰ-উল-মছীহ*, গুৱাহাটী, ২৬/০৬/২০০৬

PDF Created with deskPDF PDF Writer - Trial :: http://www.docudesk.com